● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩


# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

যদি আপুনি এটি সুখী জীৱন যাপন কৰিব খোজে, তেন্তে ইয়াক এটা লক্ষ্যৰ স'তে বান্ধি ৰাখক, কোনো ব্যক্তি অথবা বস্তুৰ স'তে নহয়।

এলবাৰ্ট এনষ্টাইন
*পদাৰ্থ বিজ্ঞানী*



www.dainikagradoot.in

৭ ডনবাছত সন্মুখ সমৰত ৰাছিয়া-ইউক্ৰেইনৰ সেনা
১৫ আন্তৰ্জাতিক ক্ৰিকেটৰ পৰা অৱসৰ মিতালীৰ
৪ এক্ট ইষ্ট পলিচীৰ ওপৰত সদ্য অনুষ্ঠিত দুখন সন্মিলনত এভূমুকি

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৩৯তম সংখ্যা ● গুৱাহাটী ● বৃহস্পতিবাৰ ২৫ জেঠ ১৪২৯ ভাস্কৰাব্দ ৯ জুন ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Thursday 9 June 2022 মূল্য ঃ ৯.০০ টকা

জল্পনা-কল্পনাৰ অন্ত পেলাই বিবৃতি ■ এইবাৰ বিভাগ সাল-সলনিক লৈ হিচাপ-নিকাচ

■ নলবাৰীত দুজন মন্ত্ৰী ঃ কোন হ'ব অধিক শক্তিশালী ঃ পাখি কটা যাব পাটোৱাৰীৰ

# আজি শপত ল'ব জয়ন্ত মল্ল-নন্দিতাই



## প্ৰমোদৰ দাবী সত্ত্বেও নাথাকিল ইউপিপিএলৰ মন্ত্ৰী



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৮ জুন ঃ** জল্পনা-কল্পনাৰ অন্তত অৱশেষত চূড়ান্ত হ'ল মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ। কাইলৈ বিয়লি তিনি বজাত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত নতুনকৈ অন্তৰ্ভুক্ত হোৱা মন্ত্ৰীসকলক শপত গ্ৰহণ কৰোৱা হ'ব বুলি ৰাজ্য চৰকাৰে এক বিবৃতিত প্ৰকাশ কৰিছে। পূৰ্বৰ দৰে শেষ মুহূৰ্তলৈ চৰ্চাৰ অৱকাশ নাৰাখি বিবৃতিত প্ৰকাশ কৰা অনুসৰি মন্ত্ৰীসভাত স্থান লাভ কৰিবলগীয়া দুখন নতুন মুখ হ'ল নন্দিতা গাৰ্লোচা আৰু জয়ন্ত মল্ল বৰুৱা। কাইলৈ বিয়লি তিনি বজাত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত গাৰ্লোচা আৰু বৰুৱাই শপতগ্ৰহণ কৰিব। ইপিনে, এই ঘোষণাৰ পূৰ্বে আজি দিনৰ ভাগত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে ১০ পৃষ্ঠাত চাওক

■ বিজেপি মুখপাত্ৰৰ হজৰত মহম্মদ সম্পৰ্কত অসন্মানজনক মন্তব্য

# দিল্লীসহ চাৰি ৰাজ্যত আত্মঘাতী আক্ৰমণৰ ভাবুকি অল-কায়দাৰ

■ **নিউজ ব্যুৰ'**

**নতুন দিল্লী, ৮ জুন ঃ** সন্ত্ৰাসবাদী সংগঠন উপ-মহাদেশত অল-কায়দা (একিউআইএছ)ই ভাৰতত আত্মঘাতী আক্ৰমণৰ ভাবুকি দিলে। এক পত্ৰৰ জৰিয়তে এই ভাবুকি প্ৰদান কৰিছে



তীব্ৰ ক্ষোভৰ অগনি জ্বলি উঠাৰ সময়তে অল-কায়দাই এক পত্ৰত দিল্লী, গুজৰাট, উত্তৰ প্ৰদেশ আৰু মুম্বাইত আত্মঘাতী আক্ৰমণৰ ভাবুকি দিছে। 'পয়গম্বৰৰ মৰ্যাদা ৰক্ষাৰ্থে যুদ্ধ' শীৰ্ষক পত্ৰত সন্ত্ৰাসবাদী সংগঠনটোৱে বিশ্বৰ অন্যতম দুৰ্ধৰ্ষ সন্ত্ৰাসবাদী সংগঠন অল-কায়দাই। হজৰত মহম্মদৰ প্ৰতি দুই বিজেপি নেতাই কৰা মন্তব্যৰ পৰিপ্ৰেক্ষিতত উপ-সাগৰীয় দেশসমূহত ভাৰতৰ এই চাৰিখন ৰাজ্যত নিজকে বিস্ফোৰিত কৰিবলৈ সাজু বুলি কৈছে। পত্ৰত এইদৰে উল্লেখ কৰা হৈছে, 'গেৰুৱা সন্ত্ৰাসবাদীয়ে দিল্লী, ১০ পৃষ্ঠাত চাওক

## বিমানযাত্ৰীৰ মাস্ক পৰিধান বাধ্যতামূলক হ'ল ভাৰতত

### মাস্ক অবিহনে নমাই দিয়া হ'ব বিমানৰ পৰা

■ **নিউজ ব্যুৰ'**

**নতুন দিল্লী, ৮ জুন ঃ** বিমান যাত্ৰাত পুনৰ ক'ভিড প্ৰতিৰোধৰ কঠোৰ নিয়ম-নীতি বলৱৎ কৰা হ'ল। এতিয়াৰে পৰা বিমানযাত্ৰীসকলে বাধ্যতামূলকভাৱে পৰিধান কৰিব লাগিব মাস্ক। মাস্ক নোহোৱাকৈ বিমানত প্ৰৱেশ ১০ পৃষ্ঠাত চাওক

## ৰূপজ্যোতি কুৰ্মীৰ বিধায়ক পুঁজিৰ তদন্ত দুৰ্নীতি নিবাৰকৰ

### কংগ্ৰেছৰ কাৰ্যকালত ব্যাপক দুৰ্নীতিৰ গোচৰ

**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ৮ জুনঃ** কংগ্ৰেছৰ বিধায়ক হৈ থকা অৱস্থাত বিধায়ক পুঁজিৰ অপব্যৱহাৰ কৰাৰ অভিযোগত মৰিয়নিৰ বৰ্তমানৰ বিজেপিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ বিৰুদ্ধে অভিযানত ১০ পৃষ্ঠাত চাওক

মৰাণ জনগোষ্ঠীয়ে সম্পূৰ্ণ কৰিছে অৰ্হতা ■ চুতীয়া-মটকৰ সন্মুখতো নাই বিশেষ প্ৰত্যাহ্বান ■ চাহ জনগোষ্ঠীৰ ৩৬টা-অবিভক্ত গোৱালপাৰাৰ কোচ ৰাজবংশীৰো জনজাতিকৰণৰ সম্ভাৱনা উজ্জ্বল

# জনজাতিকৰণ ঃ আহোমৰ সম্ভাৱনা ক্ষীণ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৮ জুন ঃ** যোৱা দুই দশক ধৰি প্ৰতিটো নিৰ্বাচনতে অন্যতম ইছ্যু হিচাপে চিহ্নিত হোৱা ৰাজ্যৰ চুতীয়া, কোচ ৰাজবংশী, মৰাণ, আহোম, মটক আৰু চাহ জনগোষ্ঠীৰ জনজাতিকৰণৰ দীৰ্ঘদিনীয়া দাবীক লৈ পুনৰ তৎপৰতা আৰম্ভ হৈছে লোকসভা নিৰ্বাচন চমু চাপি অহাৰ লগে লগে। এই ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ প্ৰসংগত শীঘ্ৰে কেন্দ্ৰীয় জনজাতি মন্ত্ৰণালয়ে ৰাজ্য চৰকাৰৰ পৰা চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিব বুলি দিছপুৰৰ উচ্চস্তৰীয় সূত্ৰই সদৰী কৰিছে। সূত্ৰটোৱে সদৰী কৰা অনুসৰি, ইতিমধ্যে জনজাতিৰ মৰ্যাদা লাভৰ বাবে যি অৰ্হতাৰ প্ৰয়োজন, সেয়া মৰাণ জনগোষ্ঠীয়ে পূৰণ কৰিছে। সমান্তৰালভাৱে চুতীয়া আৰু মটক জনগোষ্ঠীয়েও এই অৰ্হতা প্ৰায় সম্পূৰ্ণ কৰিছে। অৱশ্যে দুয়োটা জনগোষ্ঠীৰ ক্ষেত্ৰত সামান্য আঁসোৱাহ আছে। ইয়াৰ উপৰি চাহ জনগোষ্ঠীৰ ৩৬টা সম্প্ৰদায়ে এই অৰ্হতা অৰ্জন কৰাৰ লগতে অবিভক্ত গোৱালপাৰা জিলাত বসবাস কৰা কোচ ৰাজবংশী জনগোষ্ঠীয়ে জনজাতিৰ মৰ্যাদা লাভৰ অৰ্হতা অৰ্জন কৰিছে। অৱশ্যে আহোম জনগোষ্ঠীৰ ক্ষেত্ৰত এতিয়ালৈকে কোনো সিদ্ধান্তত উপনীত হ'ব পৰা নাই। সেয়েহে আহোম জনগোষ্ঠীয়ে জনজাতিকৰণৰ মৰ্যাদা লাভৰ সম্ভাৱনা ক্ষীণ বুলি সূত্ৰটোৱে প্ৰকাশ কৰে। এই ক্ষেত্ৰত ইতিমধ্যে অৰ্হতা সম্পূৰ্ণ কৰা জনগোষ্ঠীকেইটাক আগন্তুক লোকসভা ১০ পৃষ্ঠাত চাওক



*জনজাতিকৰণৰ দাবীত অৱস্থান ধৰ্মঘট কোচ ৰাজবংশী সংগঠনৰ, বঙাইগাঁৱত বুধবাৰে।*

## সুতৰ হাৰ বৃদ্ধিৰ লগে লগে বাঢ়িব ঋণৰ কিস্তিৰ পৰিমাণো

### এমাহত পুনৰ ৰেপ'ৰেট বৃদ্ধি ৰিজাৰ্ভ বেংকৰ

■ **নিউজ ব্যুৰ'**

**নতুন দিল্লী, ৮ জুন ঃ** পুনৰ বৃদ্ধি পালে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ মূল লেনদেনৰ সুতৰ হাৰ। আৰবিআয়ে আজি ইয়াৰ মূল ৰেপ'ৰেট ৫০ বেছিছ পইণ্ট বৃদ্ধি কৰি ৪.৯০ ১০ পৃষ্ঠাত চাওক

মাহিলি গোচৰৰ সংখ্যাৰ ভিত্তিত গৃহ দপ্তৰৰ নিৰ্দেশ অনুসৰি নিষ্পত্তিৰ হাৰ ধাৰ্য

# গোচৰ নিষ্পত্তিত ব্যৰ্থ বিদেশী ন্যায়াধিকৰণ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৮ জুন ঃ** চৰকাৰে নিৰ্ধাৰণ কৰি দিয়া লক্ষ্য অনুসৰি বিদেশী সংক্ৰান্তীয় গোচৰ নিষ্পত্তিত বিফল হৈছে ৰাজ্যৰ অধিকাংশ ন্যায়াধিকৰণ। এতিয়াও এই ন্যায়াধিকৰণবোৰত বিচাৰ নোহোৱাকৈ পৰি আছে ১.২ লাখ গোচৰ। উদাহৰণস্বৰূপে বিগত বৰ্ষৰ পহিলা এপ্ৰিলৰ পৰা যোৱা ৩১ মাৰ্চলৈ ৰাজ্যত থকা এশখন ন্যায়াধিকৰণত মীমাংসা হয় ১৫,২০১ টা গোচৰ। ইয়াৰ বিপৰীতে এই ন্যায়াধিকৰণবোৰত কৰ্মৰত হৈ আছে ২৭৩ জন সদস্য আৰু সহযোগী সদস্য। ইয়াকে লৈ কেন্দ্ৰীয় চৰকাৰৰ ওচৰতো অস্বস্তিত পৰিছে ৰাজ্য চৰকাৰ। ন্যায়াধিকৰণবোৰত বিচাৰ নোহোৱাকৈ পৰি থকা গোচৰৰ সংখ্যাৰ এনে বৃহৎ আকাৰৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে শেহতীয়াকৈ ৰাজ্য চৰকাৰক ন্যায়াধিকৰণবোৰৰ দক্ষতা আৰু গোচৰ নিষ্পত্তিৰ ধাৰা প্ৰতি তিনি মাহৰ মূৰে মূৰে পুনৰীক্ষণৰ নিৰ্দেশ জাৰি কৰিছে। সেইমৰ্মে ৰাজ্য চৰকাৰে পুনৰীক্ষণ আৰম্ভ কৰাত বেছিভাগ ন্যায়াধিকৰণত গোচৰ নিষ্পত্তিৰ গতি লেহেমীয়া হোৱা পৰিলক্ষিত হয়। সেয়েহে ন্যায়াধিকৰণবোৰত গোচৰৰ সংখ্যাৰ ভিত্তিত মাহিলি ১০ পৃষ্ঠাত চাওক

■ গুৱাহাটীত এফপিচি সন্মিলনত মন্ত্ৰী বৰা

## 'কৃষক সৰ্বপ্ৰথম' নীতিৰে আগবাঢ়িছে কৃষি বিভাগ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৮ জুন ঃ** 'কৃষকৰ সৰ্বাংগীণ বিকাশ সাধনৰ লগতে ৰাজ্যখনৰ কৃষিভিত্তিক অৰ্থনীতি শক্তিশালী কৰি তোলাৰ বাবে 'কৃষক সৰ্বপ্ৰথম' ১০ পৃষ্ঠাত চাওক



## সংঘৰ্ষ-বেলট বাকচত অগ্নিসংযোগ-শূন্যলৈ গুলিৰে কাৰ্বি পৰিষদৰ ভোটগ্ৰহণ

**অগ্ৰদূত বাৰ্তা**

**হাওৰাঘাট/ডংকামোকাম, ৮ জুন ঃ** ব্যাপক হিংসা, বিক্ষোভ-প্ৰতিবাদ আৰু সংঘৰ্ষৰ মাজেৰে আজি সম্পন্ন হ'ল কাৰ্বি আংলং স্বায়ত্তশাসিত ১০ পৃষ্ঠাত চাওক

## এইমছৰ সাতমহলীয়া অট্টালিকাৰ পৰা পৰি ৰহস্যজনক মৃত্যু চিকিৎসকৰ

### চাংসাৰিত অঘটন

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৮ জুন ঃ** চাংসাৰিস্থিত সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান (এইমছ) সাত মহলীয়া অট্টালিকাৰ পৰা ৰহস্যজনকভাৱে পৰি এজন আবাসিক চিকিৎসকে প্ৰাণ হেৰুওৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। মৃত চিকিৎসকজন ১০ পৃষ্ঠাত চাওক

■ উত্তৰ কমলাবাৰী সত্ৰৰ কীৰ্তন ঘৰ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

# অসমীয়া জাতিৰ জীৱনত গতিৰ সঞ্চাৰ কৰিছিল শ্ৰীশ্ৰী বদলা পদ্ম আতাই

### ভকতৰ বহা নিৰ্মাণৰ বাবে এক কোটি আৰু বদলা পদ্ম আতা কলাক্ষেত্ৰলৈ এক কোটি টকাৰ অনুদান ঘোষণা শৰ্মাৰ

**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ৮ জুন ঃ** মাজুলী উত্তৰ কমলাবাৰী সত্ৰৰ কমলাকান্ত আতা ক্ষেত্ৰত তিনিদিনীয়াকৈ অনুষ্ঠিত হৈছে বদলা পদ্ম আতা পুৰুষৰ ৪৭৬ সংখ্যক আবিৰ্ভাৱ মহোৎসৱ। কালিৰে পৰা ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ভক্ত, অতিথিৰে ভৰি পৰিছে উত্তৰ কমলাবাৰী সত্ৰৰ চৌহদ। আজি ১০ পৃষ্ঠাত চাওক



দেশৰ ১৪ স্থানত ৪২ হেজাৰ কিলোগ্ৰাম নিচাজাতীয় সামগ্ৰী ধ্বংস

## মহানগৰীত ন কোটি টকা মূল্যৰ গাঞ্জাসহ নিচাযুক্ত সামগ্ৰী দাহ




**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৮ জুন ঃ** কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ পৰোক্ষ কৰ আৰু শুল্ক বিভাগে আজি দেশজুৰি উদ্‌যাপন কৰে 'ড্ৰাগছ ধ্বংস দিৱস'। গুৱাহাটী মহানগৰীকে ধৰি দেশৰ ১৪টা স্থানত ৰূপায়ণ কৰা এই কাৰ্যসূচীৰ জৰিয়তে সংস্থা দুটাই বিগত সময়ত জব্দ কৰা ৪২ হেজাৰ কিলোগ্ৰাম নিচাজাতীয় সামগ্ৰী ধ্বংস কৰা হয় বুলি বিভাগে সদৰী কৰিছে। ১০ পৃষ্ঠাত চাওক

■ পাবজি খেলত বাধা দিয়া বাবেই সংঘটিত কৰিলে ঘৃণনীয় কাণ্ড


# মাতৃক গুলীয়াই হত্যা কৰি তিনিদিনে মৃতদেহ লুকুৱাই থ'লে স্কুলীয়া ছাত্ৰই





■ **নিউজ ব্যুৰ'**


**লক্ষ্ণৌ, ৮ জুন ঃ** ইনষ্টাগ্ৰাম আৰু পাবজি খেলত আসক্ত পুত্ৰ। তাত বাধা দিয়াৰ চৰম পৰিণতি ভুগিলে মাতৃয়ে। বাৰে বাৰে পুত্ৰক বাধা দিও নিয়ন্ত্ৰণ কৰিব নোৱাৰি প্ৰহাৰ কৰে মাতৃয়ে। তাতেই ক্ষুব্ধ পুত্ৰই উন্মত্ত হৈ মাতৃৰ মূৰত গুলীয়াই হত্যা কৰিলে। এই শোকাবহ ঘটনা সংঘটিত হৈছে লক্ষ্ণৌৰ ১০ পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩০° | ২৫° |
| ডিব্ৰুগড় | ২৮° | ২৪° |
| দিল্লী | ৪৪° | ৩১° |
| কলকাতা | ৩৫° | ২৯° |
| মুম্বাই | ৩২° | ২৯° |
| চেন্নাই | ৩৭° | ২৯° |
| বাংগালুৰু | ৩০° | ২০° |
| শ্বিলং | ২২° | ১৯° |

৮ জুন, ২০২২

## চেঙা তেল



*ভয় নাখাব, সোনকালে আহি কিনি লৈ যাওক! সকলো বস্তুৰে মাত্ৰ দুশ শতাংশহে মূল্যবৃদ্ধি হৈছে!*

■ দেশ কঁপোৱা অভি-নীল হত্যাকাণ্ডৰ চাৰি বছৰ পূৰ্ণ ■ ৭১ সাক্ষীৰ ৬৯জনৰ সাক্ষ্য গ্ৰহণ

# ন্যায়পালিকাই আশা দুৰ্ভগীয়া পিতৃ-মাতৃৰ

**বিশেষ সংবাদদাতা**

**নগাঁও, ৮ জুন ঃ** দেশ কঁপোৱা অভি-নীল হত্যাকাণ্ডৰ আজি চাৰি বছৰ সম্পূৰ্ণ হ'ল। সভ্য সমাজক লজ্জানত কৰি আৰু দেশৰ প্ৰচলিত আইন ব্যৱস্থাক উপহাস কৰি বিগত ২০১৮ৰ আজিৰ দিনটোতে কাৰ্বি আংলং জিলাৰ ডকমকা আৰক্ষী থানাৰ অন্তৰ্গত পাণজুৰি গাঁৱত এদল উন্মত্ত লোকে মৰিয়াই মৰিয়াই অতি নৃশংসভাৱে হত্যা কৰিছিল



গুৱাহাটীৰ দুই প্ৰকৃতিপ্ৰেমী তেজাল যুৱক নীলোৎপল দাস আৰু অভিজিৎ নাথক। অসংখ্য লোকৰ চকুৰ সন্মুখতে সংঘটিত এই হত্যাকাণ্ডৰ আজি চাৰি বছৰ হ'ল যদিও আজি পৰ্যন্ত ভুক্তভোগীৰ পৰিয়ালে ন্যায়ৰ আশাতেই বন্দী হৈ থাকিবলগীয়া হৈছে। ফলত ভুক্তভোগী পৰিয়াল দুটাৰ মাজত চৰম অসন্তোষে দেখা দিছে। হত্যাকাৰীক কঠোৰতকৈ কঠোৰ শাস্তি ১০ পৃষ্ঠাত চাওক

**Assam down town University Guwahati**
An ISO 9001:2015 Certified & NAAC Accredited University

**ADMISSIONS OPEN 2022-23**

PROGRAMMES OFFERED

Engineering & Technology
B.Tech
Civil | Mechanical | Computer Science | Computer Science (CT & IS)
BCA
Data Science | AI & ML | Block Chain & Crypto Mining | Computer Networking & System Security
BCA (CT & IS)
B.Sc. IT (MA & IS) & (CT & IS)

Humanities & Social Sciences
B.S.W. | M.S.W. |
BA Psychology | Sociology | Performing Arts
M.Sc. Clinical Psychology |
MA Sociology | Applied Psychology

Commerce & Management
BBA
HR | Marketing | Banking and Insurance | Business Accounting | Tourism & Travel | International Business | Hospital Management | Retail Management | Family Business and Entrepreneurship
Bachelor of Hotel Mgmt. & Catering Tech.
MBA
Marketing | Finance | HR | Banking & Insurance | Travel & Tourism | Business Analytics
MBA Health Care Management

Scan & Apply

Admission & Information Centers
GUWAHATI OFFICE: Ph: 98641-37777 / 93657-71454
JORHAT OFFICE: AT Road Kataki Pukhuri, near Indian Oil Petrol Pump, Jorhat, PIN- 785006, Ph: 91270-14877
MORANHAT OFFICE: down town Public School, Abhoypur, Moranhat, Charaideo District Ph: 70867-29735
NALBARI OFFICE: Santipur, Law College road, Infront of Little Genius Play School, Ward no- 7 Ph: 70994-28310
DHUBRI OFFICE: R.K. Mission road, Pyari Mohan lane, Dhubri, PIN- 783324 Ph: 70995-97701
Campus: Assam down town University, Gandhi Nagar, Panikhaiti, Guwahati-781026

দৈনিক অগ্ৰদূত

গুৱাহাটী, ৯ জুন, ২০২২ বৃহস্পতিবাৰ পৃষ্ঠা তিনি


# পৃথক কমতাপুৰ ৰাজ্য গঠন-জনজাতিকৰণৰ দাবীত উত্তাল ৰাজ্য


## আক্ৰাছুৰ তিনি ঘন্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ঃ হাতত অস্ত্ৰ তুলি লোৱাৰ হুংকাৰ



**বিশেষ সংবাদদাতা**
**নগাঁও, ৮ জুন ঃ** অসমৰ কোচ ৰাজবংশীসকলক শীঘ্ৰে জনজাতিকৰণ কৰা, কোচ ৰাজবংশীসকলক প্ৰাপ্য অধিকাৰ প্ৰদান কৰা আদি বিভিন্ন দাবীৰ সমৰ্থনত সদৌ অসম কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ নগাঁও জিলা সমিতিয়ে আজি নগাঁৱত অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। নগাঁও জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সমীপত সন্থাৰ শতাধিক সদস্য আৰু সমৰ্থকে কাৰ্যসূচীত অংশগ্ৰহণ কৰি সন্থাৰ দাবীসমূহ শীঘ্ৰে কাৰ্যকৰী কৰিবলৈ চৰকাৰক দাবী জনায়। অৱস্থান ধৰ্মঘটত অংশগ্ৰহণ কৰা প্ৰতিবাদকাৰীসকলে ‘কোচ ৰাজবংশীক চৰকাৰৰ প্ৰৱঞ্চনা বন্ধ কৰক, কমতাপুৰ ৰাজ্য গঠন কৰক, কোচ ৰাজবংশীসকলক জনজাতিৰ মৰ্যদা প্ৰদান কৰক, কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ হায় হায়’ আদি বিভিন্ন শ্ল’গান দি পৰিৱেশ উত্তাল কৰি তোলে। প্ৰতিবাদকাৰীসকলে পূৰ্বৰ কংগ্ৰেছ চৰকাৰক সমালোচনা কৰি কয় যে কংগ্ৰেছে দীৰ্ঘ সময় ধৰি দেশ শাসন কৰিছিল যদিও কোচ ৰাজবংশীসকলৰ জনজাতিকৰণ কৰাকে ধৰি কোনো সমস্যা সমাধান নকৰিলে। ২০১৪ৰ লোকসভা নিৰ্বাচনৰ সময়ত ছয় পৃষ্ঠাত চাওক

# গাড়ী চুৰি কৰিবলৈ আহি ৰাইজৰ হাতত বন্দী দুই চোৰ





**অগ্ৰদূত বাৰ্তা**
**উত্তৰ গুৱাহাটী, ৮ জুন ঃ** চুৰি-ডকাইতি অপৰাধজনিত ঘটনাই আমিনগাঁওবাসীৰ নিদ্ৰাহৰণ কৰিছে। ডেম্পত বাহৰ পাতি দিনে-নিশাই ৰাইজৰ টোপনি হৰণ কৰিছে চোৰে। কালি উত্তৰ গুৱাহাটীৰ লঠিয়া বাগিচাত ৰেজাউল কৰিম নামৰ ধুবুৰীৰ ম’বাইল চোৰজনক হাতে-লোটে ধৰি ৰাইজে গতাইছিল আৰক্ষীক। এদিন পাছত ম’বাইল চোৰৰ গেঙে একে স্থানতে চুৰিকাণ্ড সংঘটিত কৰে। নিশা আমিনগাঁও লঠিয়া বাগিচাৰ এঘৰৰ চোতালৰ পৰা ডিআই বাহন নিবলৈ আহি আটক হ’ল ছমিৰ আলী নামৰ আন এজন চোৰ। পিছে গৰাকীৰ উমান পাই পলায়ন কৰে আন চাৰি সহযোগী চোৰ। এএছ-০১ বিএক্স-৭২৯৭ নম্বৰৰ পালচাৰ মটৰ চাইকেল এৰি পলায়ন কৰে চোৰৰ গেঙে। ছয় পৃষ্ঠাত চাওক

# নাগ্ৰীজুলিত এছএছবিৰ বাহনে মহটিয়ালে পথত ৰখাই থোৱা পাঁচখনকৈ মটৰ চাইকেল



**অগ্ৰদূত বাৰ্তা**
**তামুলপুৰ, ৮ জুন ঃ** তামুলপুৰ জিলাৰ নাগ্ৰীজুলিৰ ইক্ৰাবিলত আজি দিনৰ ভাগত এক পথ দুৰ্ঘটনা সংঘটিত হয়। এছএছবিৰ জোৱান কঢ়িয়াই অনা এখন গাড়ীয়ে এফালৰ পৰা মহটিয়াই নিয়ে পথৰ কাষত ৰখাই থোৱা পাঁচখনকৈ দুচকীয়া বাহন। আজি দিনৰ ভাগত এএছ-২৮-০৬৬৩ নম্বৰৰ এছএছবিৰ বাহন এখনে তীব্ৰ বেগে গুৱাবাৰীৰ পৰা নাগ্ৰীজুলি অভিমুখে আহি থকা অৱস্থাত ইক্ৰাবিল চ’কত নিয়ন্ত্ৰণ হেৰুৱাই পথৰ কাষত ৰখাই থোৱা অৱস্থাত পাঁচখনকৈ মটৰ চাইকেল মহটিয়াই ছয় পৃষ্ঠাত চাওক

# ছয়গাঁও আৰক্ষীৰ অভিযানত ঠাকুৰপাৰাত গ্ৰেপ্তাৰ ভণ্ড বাবা কালাচন আলী



**ছয়গাঁও, ৮ জুন ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁৱত আজি এজন ভণ্ড বাবাক গ্ৰেপ্তাৰ কৰে ছয়গাঁও আৰক্ষীয়ে। দীৰ্ঘদিন ধৰি ছয়গাঁৱৰ বিভিন্ন অঞ্চলত বেজালী কৰি বহু সহজ-সৰল মানুহৰ পৰা ধন-সোণ লৈ উধাও হৈছিল ভণ্ড বাবাজনে। এই বিষয়ে জানিব পাৰি ছয়গাঁও আৰক্ষীয়ে অনুসৰণ কৰি আছিল ভণ্ড বাবাজনক। আজি ছয়গাঁৱৰ আৰক্ষী বিষয়া ভগৱান ডেকাৰ নেতৃত্বত যোৱা আৰক্ষীৰ দল এটাই ঠাকুৰপাৰাৰ পৰা আটক কৰে ভণ্ড বাবা মহম্মদ কালাচান আলীক। কালাচানৰ ঘৰ হোজাইৰ ছয় পৃষ্ঠাত চাওক

## হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল হতাশজনক নগাঁৱৰ চৰকাৰী খণ্ডৰ বিদ্যালয়ত

# নগাঁৱৰ ১৩ চৰকাৰী বিদ্যালয়ে কঢ়িয়ালে শূন্য

**বিশেষ সংবাদদাতা**
**নগাঁও, ৮ জুন ঃ** কালি ফলাফল ঘোষণা কৰা এইবাৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত নগাঁও জিলাৰ চৰকাৰী খণ্ডৰ অধিকাংশ বিদ্যালয়ৰে ফলাফল অতি হতাশজনক আছিল। জিলাখনৰ পৰা যি ছয়গৰাকী কৃতীমানে স্থান লাভ কৰি সুনাম কঢ়িয়াই আনে তেওঁ লোক আটায়ে ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ। ইপিনে, কালি ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল অনুসৰি, নগাঁও জিলাৰ ১৩ খন চৰকাৰী খণ্ডৰ বিদ্যালয়ৰ ফলাফল আছিল অতি পুতৌজনক। এই বিদ্যালয় কেইখনৰ পৰা এইবাৰ এজনো শিক্ষাৰ্থীয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হ’ব নোৱাৰিলে। প্ৰকাণ্ড শূন্য কঢ়িয়াবলগীয়া হয় এই বিদ্যালয় কেইখনে। উত্তীৰ্ণ ঘৰত শূন্য থকা জিলাখনৰ এই বিদ্যালয় কেইখন হলড় ঃ বিকেবি হাইস্কুল, আমনি তিনিআলি মাধৱদেৱ হাইস্কুল, গোঁসাইবড়ি গাৰ্লছ হাইস্কুল, ৰাঙলুগাঁও জ্ঞানদ্বীপ হাইস্কুল, ৰমেশ ফুকন মেম’ৰিয়েল হাইস্কুল, লংজাপ হাইস্কুল, বালিগাঁও হাইস্কুল, শিঙিয়া পুতনি গাৰ্লছ হাইস্কুল, ছয় পৃষ্ঠাত চাওক



কোলাত কেঁচুৱা লৈ কোকলাবাৰী পৰিষদীয় সমষ্টিৰ উপ-নিৰ্বাচনত ভোটদান মহিলাৰ,

# ডবকাত নিচাজাতীয় কেপচুলসহ তিনিজনক আটক

**অগ্ৰদূত বাৰ্তা**
**যমুনামুখ, ৮ জুন ঃ** যোৱা নিশা হোজাই জিলাৰ ডবকা আৰক্ষীয়ে ডবকাৰ ৩৬ নম্বৰ ৰাষ্ট্ৰীয় পথত অভিযান চলাই বৃহৎ পৰিমাণৰ নিচাজাতীয় কেপচুলসহ তিনিজন যুৱকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। বাতৰি অনুসৰি ডবকাৰ এছ বি আইৰ সমীপৰ ৰাষ্ট্ৰীয় পথত নিশা আৰক্ষীৰ নিয়মীয়া তালাচীৰ সময়ত নগাঁও দিশৰ পৰা ডবকা অভিমুখে আহি থকা এ এছ ০১এ এক্স ৩৮৯৭ নম্বৰৰ প্ৰেছ ছয় পৃষ্ঠাত চাওক

# বিহালীত নিৰ্মীয়মাণ ৰাষ্ট্ৰীয় ঘাইপথৰ লোহাৰ ৰড চুৰি কৰি ৰঙাঘৰৰ আলহী দুই যুৱক

**অগ্ৰদূত বাৰ্তা**
**বিশ্বনাথ চাৰিআলি , ৮ জুন ঃ** বিহালীৰ বেদেতীত নিৰ্মীয়মান ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ লোহাৰ ৰড চোৰ কৰি দুজন যুৱক ৰঙাঘৰৰ আলহী হ’বলগীয়া হৈছে। নিৰ্মাণ হৈ থকা ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত ডিচিচি কোম্পানীত কাম কৰি থকা শ্ৰমিক শ্বাহালম আলী নামৰ শ্ৰমিকজনে বৰাজুলীৰ শিলভানুচ তাঁতী নামৰ লোকদুজনে প্ৰায় ৪৪ ডাল ডেৰ কুইন্টল ৰড বিক্ৰী কৰাৰ কথা পোহৰলৈ আহে। ঘটনা সন্দৰ্ভত পথ নিৰ্মাণকাৰী সংস্থা ডিচিচিয়ে চুৰি হোৱা ৰডৰ সন্দৰ্ভত বিহালী থানাত এজাহাৰ দাখিল কৰে আৰু উক্ত এজাহাৰৰ ভিত্তিত বিহালী আৰক্ষীয়ে ৰডসহ দুয়োকে আটক কৰি বিহালী থানাৰ কেছ নম্বৰ ৪৪/২০২২ত ভৰতীয় দণ্ডবিধি আইন ৩৭৯/৪১১/৩৪ আইপিচিত গোচৰ ৰুজু কৰি জেললৈ প্ৰেৰণ কৰে।

## দুধনৈৰ খাৰাত ব্ৰহ্ম যজ্ঞ মন্দিৰ উদ্বোধন মন্ত্ৰী নেওগৰ

# কাৰ্বি আংলঙৰ ২৬ খনতে জয়ী হ’ব বিজেপি



**অগ্ৰদূত বাৰ্তা**
**দুধনৈ, ৮ জুন ঃ** দুধনৈৰ খাৰা-লালপাৰাত ব্ৰহ্ম যজ্ঞ মন্দিৰ প্ৰাংগণত আজি সনাতন ব্ৰহ্ম সমাজৰ এটি সমূহীয়া ভৱন উদ্বোধন কৰা হয়। অসম চৰকাৰৰ অনিৰ্ধাৰিত পুঁজিৰ ২০১৯-২০ বিত্তীয় বৰ্ষৰ ২০ লাখ টকা ব্যয় সাপেক্ষ নিৰ্মাণ কৰা সমূহীয়া ভৱনটো আজি পুৱা ন বজাত উদ্বোধন কৰে বিত্তমন্ত্ৰী তথা গোৱালপাৰা জিলাৰ অভিভাৱক মন্ত্ৰী অজন্তা ছয় পৃষ্ঠাত চাওক

# ছিপাঝাৰত দুৰ্ঘটনা ট্ৰাকৰ খুন্দাত এজন নিহত, আহত এক

**অগ্ৰদূত বাৰ্তা**
**ছিপাঝাৰ, ৮ জুন ঃ** ইটোৰ পাছত সিটো দুৰ্ঘটনাই ৰাইজক আশংকাৰ মাজত ৰখাৰ সময়তে আজি ছিপাঝাৰ বাছ আস্থানৰ ট্ৰেফিক পইন্টত ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত হয় আন এটা ভয়াবহ দুৰ্ঘটনা। দিনৰ প্ৰায় এক বজাত মঙলদৈ অভিমুখী এখন ইটা কঢ়িওৱা ট্ৰাকৰ খুন্দাত পবিত্ৰ ডেকা (৪৭ ) নামৰ এজন বাইক আৰোহীৰ মৃত্যু হয়। আনহাতে, এই ঘটনাটোত নিহত পবিত্ৰ ডেকাৰ চুবুৰীয়া ছয় পৃষ্ঠাত চাওক

# বকোত ড্ৰাগছসহ এজন গ্ৰেপ্তাৰ

**অগ্ৰদূত বাৰ্তা**
**বকো, ৮ জুন ঃ** কামৰূপ জিলাৰ বকো আৰু ছয়গাঁও সমষ্টিত ক্ৰমান্বয়ে বৃদ্ধি পাইছে ড্ৰাগছৰ সৰবৰাহৰ ঘটনা। ইয়াৰ মাজতে যোৱা নিশা বকো আৰক্ষীয়ে ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলায়। অভিযানত বকো ছাটাবাৰীত নিশা ড্ৰাগছ সৰবৰাহকাৰী এজনক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয় আৰক্ষীয়ে। গ্ৰেপ্তাৰ কৰা হয় ছয়গাঁও গৰৈমাৰীৰ আলম আলী (২৯) নামৰ যুৱকজনক। বকো আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া খনিন্দ্ৰ ছয় পৃষ্ঠাত চাওক

# ওৰাং ৰাষ্ট্ৰীয় উদ্যানত বাঘ চিকাৰী তিনিজনক আটক ঃ দুজন পলাতক



**অগ্ৰদূত বাৰ্তা**
**মঙলদৈ, ৮ জুন ঃ** মঙলদৈ বন্যপ্ৰাণী সংমণ্ডলৰ অধীনস্থ ওৰাং ৰাষ্ট্ৰীয় উদ্যানত এইবাৰ আটক হৈছে তিনিজনকৈ বাঘ চিকাৰী। প্ৰাপ্ত তথ্য মতে, ৰাষ্ট্ৰীয় উদ্যানখনত অবৈধভাৱে বাঘ চিকাৰৰ উদ্দেশ্যৰে প্ৰৱেশ কৰিছিল পাঁচজনকৈ চিকাৰী। বিশেষ সূত্ৰৰ পমখেদি যোৱা নিশা তিনিজন বাঘ চিকাৰীক বনকৰ্মীয়ে আটক কৰিবলৈ সক্ষম হয়। অৱশ্যে ছয় পৃষ্ঠাত চাওক

# গেৰুৱাত বিধ্বংসী অগ্নিকাণ্ড ঃ কিতাপ এখনো নাবাচিল দুৰ্গত পৰিয়ালৰ



**অগ্ৰদূত বাৰ্তা**
**ভূৰাগাঁও, ৮ জুন ঃ** গেৰুৱাত যোৱা নিশা সংঘটিত এক ভয়ানক অগ্নিকাণ্ডত এটি পৰিয়ালৰ সকলো সামগ্ৰী ভস্মীভূত হয়। জানিব পৰা মতে নিশা এক মান বজাত ঘৰৰ ভিতৰত সকলো শুই থকা অৱস্থাত গেৰুৱাৰ অজয় চৌহানৰ ঘৰত দাওদাওকৈ জুই জ্বলি উঠে। গাত জুইৰ তাপ লগাত পৰিয়ালৰ লোকে সাৰ পাই কোনোমতে ঘৰৰ পৰা আঠজনকৈ লোকে ওলাই প্ৰাণৰক্ষা কৰে যদিও গাত থকা কাপোৰযোৰ বাদে কোনো সামগ্ৰীয়ে উদ্ধাৰ কৰিব নোৱাৰিলে পৰিয়ালটোৱে। গেৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অধ্যয়নৰত পৰিয়ালটোৰ পাঁচ সন্তানে আনকি কিতাপ এখনো বচাব নোৱাৰিলে জুইৰ পৰা। তদুপৰি বিভিন্ন ধৰণৰ কাগজপত্ৰ, ভোটাৰ আই ডি, এন আৰ চিকে প্ৰমুখ্য কৰি সকলো গুৰুত্বপূৰ্ণ কাগজপত্ৰও ভস্মীভূত হয় জুইত। জুয়ে আৱৰি ধৰা ঘৰটোৰ ভিতৰৰ পৰা পৰিয়ালৰ লোকসকলে ৭০ বছৰীয়া আলৰ বুঢ়ী মাককো কোনোমতে উদ্ধাৰ কৰে যদিও ছয় পৃষ্ঠাত চাওক

## ছহিদ খৰ্গেশ্বৰ তালুকদাৰৰ ভগ্নী নিৰ্মলা তালুকদাৰৰ বিয়োগ




**বিশেষ সম্বাদদাতা/অগ্ৰদূত বাৰ্তা**
**পাঠশালা/সৰুপেটা/শালবাৰী, ৮ জুন ঃ** অসম আন্দোলনৰ প্ৰথমগৰাকী ছহিদ খৰ্গেশ্বৰ তালুকদাৰৰ ভগ্নী নিৰ্মলা তালুকদাৰৰ কালি নিশা ন মান বজাত মৃত্যু ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল প্ৰায় ৫৪ বছৰ। কৰ্মসূত্ৰে সৰুপেটা ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত এগৰাকী নিম্নবৰ্গৰ সহায়ক হিচাপে দীৰ্ঘদিন সেৱা আগবঢ়াই অহা ছহিদ ভগ্নীগৰাকীয়ে অইন দিনৰ দৰে যথাৰীতি চিকিৎসা কেন্দ্ৰটোৰ পৰা নিজ কৰ্তব্য সম্পাদন কৰি কালিও সৰুপেটাৰ সমীপৰ তেওঁৰ গেৰুৱাপাৰৰ নিজ ঘৰলৈ আহি ঘৰৰ সমীপৰে আপোন ভতিজাক এগৰাকীৰ শিক্ষান্ত পৰীক্ষাত ছয় পৃষ্ঠাত চাওক

## মৰিগাঁও সত্ৰ ন্যায়াধীশ আদালৰ ৰায়দান

# মৰিগাঁৱত তিনিজনক যাৱৎজীৱন কাৰাদণ্ডৰে দণ্ডিত

**অগ্ৰদূত বাৰ্তা**
**মৰিগাঁও, ৮ জুন ঃ** মৰিগাঁও সত্ৰ ন্যায়াধীশ আদালতে আজি তিনিজন লোকক ১৬৭/২০১৩ নম্বৰত চলি থকা গোচৰৰ ভিত্তিত যাৱৎজীৱন কাৰাদণ্ডৰে দণ্ডিত কৰে। মৰিগাঁও জিলাৰ কলিয়াজাৰী গাঁৱৰ এটা ৰাজহুৱা ৰংগমঞ্চত নিৰ্মাণৰ ক্ষেত্ৰত ২০১৩তেই ভূমিকেন্দ্ৰিক বিষয়ৰ ওপৰত দুটা পক্ষৰ মাজত কাজিয়াৰ সূত্ৰপাত হৈছিল। গাঁওখনত থকা চৰকাৰী ভূমিত ৰংগমঞ্চ নিৰ্মাণ কাৰ্যত ৰাইজৰ লগতে বলো বাংঠাই আৰু কাতিৰাম বাংঠাই আগবাঢ়ি অহাত সেই ঠাইত ৰংগমঞ্চ নিৰ্মাণত বাধা প্ৰদান কৰিছিল ব্ৰজেশ্বৰ বৰদলৈ, শান্তি বৰদলৈ, ৰঞ্জন বৰদলৈ, সুশীল বৰদলৈ আৰু জয়ন্ত বৰদলৈ নামৰ লোককেইজনে। দুয়ো পক্ষৰ মাজত হোৱা কাজিয়া ৰূপ অতি ভয়ংকৰ হৈছিল যে ৰংগমঞ্চ নিৰ্মাণত বাধা প্ৰদান কৰা লোকৰ আক্ৰমণত বলো বাংঠাই ঘটনাস্থলীতে মৃত্যু হোৱাৰ লগতে কাতীৰাম বাংঠাই গুৰুত্বৰভাৱে আঘাতপ্ৰাপ্ত হৈছিল। ২০১৩ৰ ২৬ মে’ত নৰেন ছয় পৃষ্ঠাত চাওক

# প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক বিপিন বৰাৰ বিয়োগত শোক



**অগ্ৰদূত বাৰ্তা**
**লখিমপুৰ, ৮ জুন ঃ** কাকৈ ৰাজগড় হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক বিপিন বৰাৰ (৬২)ৰ আজি নিচেই পুৱাতে ডিব্ৰুগড় সঞ্জীয়নী নাৰ্ছিং হোমত পৰলোকপ্ৰাপ্তি ঘটে। উল্লেখ্য যে যোৱা পাঁচজন ২০২২ পৰা ছুগাৰ, ছয় পৃষ্ঠাত চাওক

## তিনি স্থানত সংঘটিত কৰিলে দুৰ্ঘটনাত নিহত থানাৰ পৰা পলায়ন কৰিলে এক অভিযুক্তই

# সুৰামত্ত যুৱকৰ সন্ত্ৰাস তেজপুৰত



ডিজায়াৰখনে প্ৰথমে দুৰ্ঘটনা ঘোঁৰামাৰী অঞ্চলত দুৰ্ঘটনা সংঘটিত কৰি পলায়ন কৰাৰ পাছত আৰেলি প্ৰায় চাৰি বজাত হলেশ্বৰত এখন স্কুটীক খুন্দিয়ায়। স্কুটীখনেৰে প্ৰফুল্ল বৰা নামৰ লোকজনে কন্যা মৃদুস্মিতা বৰাক টিউচনলৈ লৈ গৈছিল। স্থানীয় লোকৰ তৎপৰতাত ততাতৈয়াকৈ গুৰুতৰভাৱে আহত দুয়োকে তেজপুৰৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। এই স্থানৰ পৰাও পলায়ন কৰি এইবাৰ ডিজায়াৰখনে ডেকাৰগাঁৱত পুনৰ এক স্কুটীক ছয় পৃষ্ঠাত চাওক

# তিতাবৰত নিশা তিনিঠাইত মটৰ চাইকেল চোৰৰ তাণ্ডৱ

**তিতাবৰ, ৮ জুন ঃ** তিতাবৰ আৰক্ষীৰ দুৰ্বলতা আৰু নিৰ্লিপ্ততাৰ সুযোগ গ্ৰহণ কৰি বিগত কিছুদিনৰ পৰা তিতাবৰ নগৰ অঞ্চলত মটৰ চাইকেল, স্কুটী চোৰে মানুহৰ টোপনি কাঢ়িছে। আৰক্ষীক বিপথে পৰিচালিত কৰিবলৈকে চোৰৰ দলটোৱে কিছুদিনৰ বিৰতিৰ মূৰে মূৰে অভিনৱ পদ্ধতিৰে নিৰ্বিবাদে চুৰি কাৰ্য অব্যাহত ৰাখিছে। যোৱা নিশাৰ ভাগতো চোৰৰ দলটোৱে তিতাবৰৰ প্ৰতিষ্ঠিত ব্যৱসায়ী ‘প্ৰবীনচ’ৰ স্বত্বাধিকাৰ প্ৰবীণ কাৰোৱাৰ এখন বিলাসী বাহন চুৰি কৰি উধাও হয়। ব্যৱসায়ীজনৰ নিজৰ বাসগৃহৰ ভিতৰৰ পৰাই চোৰৰ দলটোৱে অভিনৱ পদ্ধতিৰে ছয় পৃষ্ঠাত চাওক

# নলবাৰী নাট্য মন্দিৰত বিজেপৰ সাংগঠনিক সভা

## দলৰ ভেটি শক্তিশালী কৰাত গুৰুত্ব

**অগ্ৰদূত বাৰ্তা**
**নলবাৰী, ৮ জুন ঃ** বিজেপি নলবাৰী জিলা সমিতিৰ উদ্যোগত আজি নলবাৰী নাট্য মন্দিৰ প্ৰেক্ষাগৃহত এখন বিশেষ সাংগঠনি সভা অনুষ্ঠিত হয়। বিজেপি নলবাৰী জিলা সমিতিৰ সভাপতি ডাঃ মৃগাংক তালুকদাৰ আদৰণি ভাষণ প্ৰদান কৰা উক্ত সভাত বিজেপি অসম প্ৰদেশৰ সভাপতি তথা বিধায়ক ভৱেশ কলিতা, মঙলদৈ লোকসভা সমষ্টিৰ সাংসদ তথা ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক দিলীপ শইকীয়া, ৰাজ্যিক সাংগঠনিক সাধাৰণ সম্পাদক ফনীন্দ্ৰ নাথ শৰ্মা, উদ্যোগ তথা পৰিবহণ মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, জিলা বিজেপিৰ প্ৰভাৰী বিজুলি কলিতা মেধী, প্ৰভাৰী বিতোপন ৰাইদিহিংয়া, পৰিবহণ বিভাগৰ উপাধ্যক্ষ প্ৰণৱ লহকৰ, নলবাৰী উন্নয়ন প্ৰাধিকৰনৰ অধ্যক্ষ বনদীপ ডেকা, প্ৰাক্তন বিধায়ক অশোক শৰ্মাই অংশগ্ৰহণ কৰি দলৰ নলবাৰী জিলাৰ তৃণমূল পৰ্যায়ত বিভিন্ন দায়িত্বৰ থকা কৰ্মীসকলৰ লগত মতবিনিময় কৰি আগন্তুক সময়ত দলটোক আৰু অধিক আগবঢ়াই নিয়াৰ বাবে পৰামৰ্শ আগবঢ়ায়। সভাত সাংসদ দিলীপ শইকীয়া ভাষনত দলীয় কাৰ্যকৰ্তা সকলক কৰ্তব্য আৰু দায়িত্ব সোঁৱৰাই চৰকাৰৰ জনকল্যাণমূলক আঁচনিসমূহ ৰাইজৰ মাজলৈ লৈ যোৱাৰ বাবে আহ্বান জনাই বুথ পৰ্যায়ত দলীয় ভেটি শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতাই বিৰোধীৰ বিভাজনৰ ৰাজনীতিৰ বিপৰিতে বিজেপিয়ে সদায় বিকাশৰ ৰাজনীতি আৰু গৰিবৰ কল্যাণ হকে কাম কৰি অহা বুলি মন্তব্য কৰে। সভাত নলবাৰী জিলাৰ অন্তৰ্গত নলবাৰী আৰু টিহু পৌৰসভা সভাৰ নৱনিৰ্বাচিত প্ৰতিনিধিসকলক জিলা বিজেপিৰ পৰা সম্বৰ্ধনা জনোৱা হয়।

## আৱাসিক বিদ্যালয়ৰ নিৰ্মাণ কাৰ্যৰ মাজতে গঞা-শ্ৰমিকৰ স’তে বেদখলকাৰীৰ খণ্ডযুদ্ধ


# অভয়াপুৰীত ভূমি বেদখলকাৰীৰ দপ্‌দপনি



**অগ্ৰদূত বাৰ্তা**
**অভয়াপুৰী, ৮ জুন ঃ** বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম ৰাজহ চক্ৰৰ অন্তৰ্গত অভয়াপুৰী অঞ্চলৰ খোৰাগাঁৱত চৰকাৰী ভূমিত নিৰ্মীয়মাণ ৩০ কোটি টকীয়া ব্যয় সাপেক্ষ আৱাসিক বিদ্যালয়ৰ নিৰ্মাণ কাৰ্য চলি থকাৰ মাজতে নিজকে ভূমিহীন বুলি পৰিচয় দিয়া একাংশ দুষ্কৃতিকাৰীয়ে নিৰ্মাণস্থলীত শ্ৰমিকৰ স’তে মাৰপিটত লিপ্ত হোৱা কাৰ্যই এক উত্তেজনাময় ছয় পৃষ্ঠাত চাওক


## দুধনৈৰ পৰা নিয়মিতভাৱে হায়দৰাবাদলৈ ৰপ্তানি তৈল খেজুৰ

# ৰাভা হাছঙৰ গোৱালপাৰা- কামৰূপত দুহেজাৰ হেক্টৰ ভূমিত তৈল খেজুৰৰ খেতি



**অগ্ৰদূত বাৰ্তা**
**দুধনৈ, ৮ জুন ঃ** অসমত প্ৰথমবাৰৰ বাবে তৈল খেজুৰ খেতি কৰি এই খেতিয়ে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদ অঞ্চলৰ গ্ৰাম্য অৰ্থনীতিত এক অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছে। দুধনৈৰ খুংখ্ৰাজানীত অসমত প্ৰথমবাৰৰ বাবে তৈল খেজুৰৰ খেতি কৰা হয়। ধনেশ্বৰ ৰাভাই প্ৰথমবাৰৰ বাবে ৭০ বিঘা পতিত ভূমিত তৈল খেজুৰৰ খেতি আৰম্ভ কৰে। এই খেতি কৰাত মুখ্য ভূমিকা গ্ৰহণ কৰে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ প্ৰাক্তন কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ ৰাভা, দুধনৈস্থিত কৃষি বিজ্ঞান কেন্দ্ৰৰ কৃষি বিজ্ঞানী ডঃ উত্তম বৰুৱা আৰু দুধনৈ মহকুমা কৃষি বিষয়া মনোৰঞ্জন দাসে। খেতিৰ বাবে পুলি যোগান ধৰে অন্ধ্ৰপ্ৰদেশৰ ছয় পৃষ্ঠাত চাওক

# চামগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ কল্যাণ বৰুৱাৰ মৃত্যু



**বিশেষ সম্বাদদাতা**
**অগ্ৰদূত বাৰ্তা**
**চামগুৰি, ৮ জুন ঃ** নগাঁও জিলাৰ চামগুৰি সমষ্টিৰ অন্তৰ্গত তেলিয়াগাঁও নতুন তিনিআলি নিবাসী তথা বিশিষ্ট শিক্ষাবিদ কল্যাণ বৰুৱাৰ আজি বিয়লি নিজা বাসভৱনত মৃত্যু ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী বৃহস্পতিবাৰ ২৫ জেঠ ১৪২৯ ভাস্কৰাব্দ ৯ জুন ২০২২




# মেট্ৰিকৰ ফলাফল

অসম মাধ্যমিক শিক্ষা পৰিষদ (ছেবা)ৰ দ্বাৰা আয়োজিত চলিত বছৰৰ দশম শ্ৰেণী অথবা মেট্ৰিকৰ পৰীক্ষাত ৫৬.৪৯ শতাংশ ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হোৱাত ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা অভিভাৱকসকলে হতাশা ব্যক্ত কৰা পৰিলক্ষিত হৈছে। ইয়াৰ এটা প্ৰধান কাৰণ হ'ল, যোৱা বছৰ (২০২১)ৰ মেট্ৰিক পৰীক্ষাত ৯৩.১০ শতাংশ ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হৈছিল। ক'ভিডৰ বাবে পৰীক্ষা অনুষ্ঠিত নকৰি পূৰ্বৰ পৰীক্ষাবোৰৰ ফলাফলৰ ভিত্তিত ছাত্ৰ-ছাত্ৰীৰ মূল্যায়ন কৰি নম্বৰ দিয়া হৈছিল। চি বি এছ ইৰ দশম শ্ৰেণীৰ ব'ৰ্ড পৰীক্ষাত উত্তীৰ্ণৰ হাৰে যোৱা বছৰ ৯৯ শতাংশ অতিক্ৰম কৰিছিল। সেই অনুসৰি অসমৰ ছেবাৰ অধীনস্থ মেট্ৰিক পৰীক্ষাত যোৱা বছৰ উত্তীৰ্ণৰ হাৰ ৯৩.১০ শতাংশ বৰ বেছি বুলিও ক'ব নোৱাৰি। আনহাতে, চি বি এছ ইৰ উপৰি দিল্লী, মহাৰাষ্ট্ৰ, কেৰালা, তামিলনাডু আদি দেশৰ বিভিন্ন ৰাজ্যৰ দশম শ্ৰেণীৰ ৰাজ্যিক ব'ৰ্ড পৰীক্ষাত উত্তীৰ্ণৰ হাৰ অসমতকৈ সদায় যথেষ্ট বেছি দেখা যায়। ক'ভিডৰ পূৰ্বৰ পৰীক্ষাসমূহৰ ফলাফলবোৰে ইয়াৰ প্ৰমাণ দিয়ে। অসমৰ ছেবাৰ পৰীক্ষাত উত্তীৰ্ণৰ হাৰ যোৱা ২০১৯ আৰু ২০২০ত বৃদ্ধি পাইছিল। যোৱা ২০১৯ৰ মেট্ৰিকত উত্তীৰ্ণৰ হাৰ ৬০.২৩ শতাংশৰ বিপৰীতে ২০২০ত উত্তীৰ্ণৰ হাৰ ৬৪.৮ শতাংশ আছিল; কিন্তু ক'ভিডৰ পাছত এইবাৰ উত্তীৰ্ণৰ হাৰ ৫৬.৪৯ শতাংশলৈ হ্ৰাস পায়। উল্লেখ্য যে এইবাৰ মেট্ৰিকৰ মুঠ পৰীক্ষাৰ্থী আছিল চাৰি লাখ পাঁচ হেজাৰৰো অধিক; কিন্তু উত্তীৰ্ণ হৈছে দুই লাখ ২৯ হেজাৰ ১৩১ গৰাকী পৰীক্ষাৰ্থী। প্ৰায় আধাখিনিয়েই উত্তীৰ্ণ নহ'ল। উত্তীৰ্ণ নোহোৱা প্ৰায় এক লাখ ৮৬ হেজাৰ ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতে কি দশা হ'ব, সেয়া অনিশ্চিত। এইবাৰ ৬৫,১৭৬ গৰাকী পৰীক্ষাৰ্থী প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে। পৰীক্ষাত সফল হোৱা আৰু স্থান লাভ কৰা ছাত্ৰ-ছাত্ৰীসকল অভিনন্দন আৰু প্ৰশংসাৰ যোগ্য; কিন্তু লাখ লাখ ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হোৱাৰ বাবে যোগ্য বিবেচিত নোহোৱাটো শৈক্ষিক ক্ষেত্ৰত এক গুৰুতৰ ব্যৰ্থতা বুলি ক'ব লাগিব। লাখ লাখ ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ নোহোৱাৰ বাবে দায়ী কোন? শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক তথা সমাজে যদি এই ব্যৰ্থতাৰ বাবে কেৱল ছাত্ৰ-ছাত্ৰীসকলকে দায়ী কৰে, তেন্তে সেয়া হ'ব এক ডাঙৰ ভুল। বৰ্তমান এনে এক ভুলকে তেওঁলোকে কৰি অহা দেখা যায়। এনে ধৰণৰ দৃষ্টিভংগীৰ ফলত শিক্ষাৰ উন্নতি বাধাগ্ৰস্ত হৈছে, বিশেষকৈ পৰীক্ষাত উত্তীৰ্ণৰ হাৰ বৃদ্ধি কৰাত ই সহায় কৰিব পৰা নাই। এনে ভুল দৃষ্টিভংগীৰ বাবে শিক্ষক-শিক্ষয়িত্ৰীসকল, পিতৃ-মাতৃ-অভিভাৱকসকল, বিদ্যালয় কৰ্তৃপক্ষ, চৰকাৰ আৰু শিক্ষা বিভাগ সাৰি গৈছে। অৰ্থাৎ এইসকলৰ ব্যৰ্থতা, ভুল শিক্ষানীতি, ভুল পদক্ষেপ তথা অৱহেলা আদিৰ বিষয়ে গুৰুত্ব সহকাৰে বিচাৰ কৰা হোৱা নাই। বৰ্তমান প্ৰচলিত শিক্ষা ব্যৱস্থা তথা পৰীক্ষা ব্যৱস্থা যে ত্ৰুটিযুক্ত আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে ক্ষতিকাৰক হৈ আহিছে— সেই কথা কেন্দ্ৰীয় চৰকাৰৰ নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি (২০২০)ত স্পষ্টকৈ কোৱা হৈছে। প্ৰচলিত পুৰণি শিক্ষানীতিৰ আৰ্হি ঔপনিৱেশিক শাসন ব্যৱস্থাৰ সমৰ্থনত প্ৰস্তুত কৰা আৰু সেয়ে ই মুখস্থ বিদ্যাৰ ওপৰত নিৰ্ভৰশীল। এই ধৰণৰ শিক্ষা নতুন জ্ঞান তথা নতুন তথ্যৰ স'তে সম্পৰ্ক স্থাপন কৰিবলৈ সক্ষম নহয়। চৰকাৰৰ নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে সেয়ে ছাত্ৰ-ছাত্ৰীৰ সৃজনশীল প্ৰতিভা বিকাশত গুৰুত্ব দিছে। এই শিক্ষানীতিয়ে সৃজনশীল, সমালোচনাত্মক, বিশ্লেষণাত্মক জ্ঞান আহৰণত গুৰুত্ব দিছে। এই শিক্ষানীতিয়ে সেয়ে বিষয় বা বিভাগবোৰৰ মাজত দেৱাল আঁতৰাই সেইবিলাকৰ মাজত মুকলি সম্বন্ধ গঢ়ি তোলাত গুৰুত্ব দিছে।

নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি অনুসৰি প্ৰথমৰ পৰা উচ্চতৰ মাধ্যমিক পৰ্যায়লৈকে ৫+৩+৩+৪ নীতিৰে নৱমৰ পৰা দ্বাদশ শ্ৰেণীলৈকে (+৪) এটা পৰ্যায়ত অন্তৰ্ভুক্ত কৰা হৈছে। ছেবাৰ বিষয়াৰ মতে অহা বছৰেই হ'ব দশম শ্ৰেণীৰ ব'ৰ্ড পৰীক্ষাৰ অন্তিমটো পৰীক্ষা। পৰৱৰ্তী বছৰৰ পৰা দশম শ্ৰেণীৰ ব'ৰ্ড পৰীক্ষা থাকিলেও ইয়াৰ বিশেষ গুৰুত্ব নাথাকিব। গুৰুত্ব লাভ কৰিব দ্বাদশ শ্ৰেণীৰ ব'ৰ্ড পৰীক্ষাই। নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি অনুসৰি এই সাল-সলনি কৰা হ'ব। যদিহে সেয়ে হয়, তেন্তে ছেবাই মেট্ৰিক উত্তীৰ্ণৰ ক্ষেত্ৰত কঠোৰ নীতি লোৱাৰ কাৰণ কি? যোৱা বছৰৰ (২০২১)ৰ ৯৩ শতাংশৰ পৰা এইবাৰ ৫৬ শতাংশলৈ উত্তীৰ্ণ হাৰ হ্ৰাস কৰা হ'ল কিয়? ইয়াৰ ফলত লাখ লাখ ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ অন্ধকাৰাচ্ছন্ন হৈ নপৰিবনে? ছাত্ৰ-ছাত্ৰীসকল হতাশাগ্ৰস্ত হৈ নপৰিবনে? ফলাফল ঘোষণাৰ দিনাই এগৰাকী ছাত্ৰীয়ে গাত অগ্নিসংযোগ কৰি আত্মজাহৰ অপচেষ্টা চলোৱা বুলি প্ৰকাশ পাইছে। ছাত্ৰ-ছাত্ৰীসকলৰ হতাশা দূৰ কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা কৰিছে? উল্লেখ্য যে পৰৱৰ্তী শিক্ষাবৰ্ষৰ পৰা ৰাজ্যৰ মহাবিদ্যালয়সমূহৰ পৰা উচ্চতৰ মাধ্যমিক শ্ৰেণী সম্পূৰ্ণভাৱে উঠাই দিয়া হ'ব। চৰকাৰে একাংশ হাইস্কুলত উচ্চতৰ মাধ্যমিক শ্ৰেণী খোলাৰ ব্যৱস্থা হাতত লৈছে যদিও উচ্চতৰ মাধ্যমিকত নামভৰ্তিৰ বাবে আসনৰ যে অভাৱ হ'ব, তাত কোনো সন্দেহ নাই। আসনৰ অভাৱ হ'লে কি পৰিস্থিতিৰ সৃষ্টি হ'ব, ক'ব নোৱাৰি। চৰকাৰে যদিহে অধিক হাৰত ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হ'লে আসনৰ নাটনিৰ সমস্যাৰ সন্মুখীন হোৱাৰ বাবেই উত্তীৰ্ণৰ হাৰ হ্ৰাস কৰা নীতি গ্ৰহণ কৰিছে তেন্তে সি সমৰ্থনযোগ্য হ'ব নোৱাৰে। বছৰেকীয়া পৰীক্ষাত যিদৰে ছাত্ৰ-ছাত্ৰীক পৰৱৰ্তী শ্ৰেণীলৈ উত্তীৰ্ণ কৰি দিয়া হয়, সেই নীতি মেট্ৰিক পৰীক্ষাতো গ্ৰহণ কৰা হ'লে প্ৰায় অৰ্দ্ধেক সংখ্যক ছাত্ৰ-ছাত্ৰী অনুত্তীৰ্ণ ঘোষণা কৰিবলগীয়া নহ'লহেঁতেন। যোৱা বছৰ ক'ভিড আছিল বাবে যদি ৯৩ শতাংশক উত্তীৰ্ণ কৰিব পৰা হৈছিল, এই বছৰ ক'ভিডৰ ঠিক পাছতে উত্তীৰ্ণৰ হাৰ এইদৰে হ্ৰাস কৰা হ'ল কিয়? এইবাৰ ক'ভিড হ্ৰাস পালে যদিও ছাত্ৰ-ছাত্ৰীৰ ওপৰত ক'ভিডৰ ক্ষতিকাৰক প্ৰভাৱ নপৰাকৈ থকা নাই। অধ্যয়নৰ বাবে উপযুক্ত পৰিৱেশ ছাত্ৰ-ছাত্ৰীয়ে পোৱা নাছিল। একাংশ ছাত্ৰ-ছাত্ৰীয়েহে ক'চিং তথা অনলাইন শিক্ষাৰ সুবিধা পাইছিল। এইবোৰ বিষয়ত চৰকাৰে গুৰুত্ব দিয়াৰ প্ৰয়োজন আছিল।

## খোলা মঞ্চ

### এইবেলি বিহু মঞ্চৰ ঐতিহ্য ৰক্ষা কৰা হৈছেনে?



**প্ৰকৃতি** আৰু কৃষিকৰ্মৰ স'তে সম্পৃক্ত 'বিহু' উৎসৱ বৰ্তমানে কেৱল নাচ, গান আৰু মঞ্চৰ সৌন্দৰ্যত অধিক গুৰুত্ব দিয়া হৈছে। বিহু মঞ্চৰ বাবে লাখ লাখ টকা ব্যয় কৰাৰ কোনো যুক্তি নাই। বিহুৰ ঐতিহ্য বজায় ৰখাটো অধিক গুৰুত্বপূৰ্ণ। কিন্তু বিপৰীতে দেখা যায় বিহুমঞ্চৰ ঐতিহ্য ৰক্ষা কৰাতকৈ মঞ্চৰ সৌন্দৰ্য প্ৰতিযোগিতাই গুৰুত্ব পাইছে। বিহুৰ মঞ্চত নাই মাটিৰ গোন্ধ, নাই প্ৰকৃতিৰ পৰশ। ৰঙালী বিহু যিহেতু নতুন বছৰক আদৰণি জনোৱাক কেন্দ্ৰ কৰি 'বিহু' উৎসৱ পালিত হয় আৰু বিশেষকৈ 'বিহু' উৎসৱক কেন্দ্ৰ কৰি জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে গোট খাই মহামিলনৰ সেতু ৰচনা কৰে। কিন্তু 'বিহু মঞ্চৰ' ঐতিহ্য ৰক্ষা কৰাত গুৰুত্ব প্ৰদান কৰা নহয়, বিপৰীতে অতিৰঞ্জিত 'বিহু' মঞ্চক অধিক গুৰুত্ব দিয়াটো কৃত্ৰিম বিহুৰ নামান্তৰ।

অতিৰঞ্জিত বিহু মঞ্চ কিয়? অতিৰঞ্জিত কৰিবলৈ গৈ অৰ্থৰ অপচয় নহয় জানো? বিহু মঞ্চ হ'ব পাৰে গছৰ তলত, বিহুমঞ্চ হ'ব পাৰে পথাৰত, কিন্তু দিনক দিনে 'বিহুমঞ্চ' বিবাহ মঞ্চত পৰিণত হৈছে। কিয়নো বৰ্তমান দৰ্শকেও জাকজমক মঞ্চ বিচাৰে। সেয়েহে ক'ব লাগে বিহু মঞ্চত জাক-জমকতা আছে। কিন্তু ঐতিহ্য হেৰাই যোৱাৰ পথত। কৃত্ৰিমতাই বিহু মঞ্চক অধিক আকৰ্ষিত কৰি তুলিছে। বিহু বুলিলে অকল নাচ, গান আৰু মঞ্চৰ জাকজমকতাৰ প্ৰতি সকলোৰে দৃষ্টি। প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্য উপভোগ কৰাৰ অনুভূতি কেইজনৰ আছে। ব'হাগত চৌদিশে কেৱল সেউজৰ আহ্বান। এয়া অনুভূতিৰ পৰশ, নতুনৰ আহ্বান, সেউজ পাতৰ সমাহাৰ আৰু এয়াই হ'ল বিহুৰ অনুভৱ। বিহুমঞ্চত জাকজমকতা আছে নাই প্ৰকৃতিৰ অনুভৱ। বিহুত ঐতিহ্য নাই কৃত্ৰিমতাই ঐতিহ্যৰ পৰিপন্থী ইয়াত কোনো দ্বিমত নাই। প্ৰকৃতিৰ অনুভৱ অবিহনে বিহুৰ ঐতিহ্য আছে নে? বিহুৰ মঞ্চ হ'ব লাগে প্ৰকৃতিৰ কোলাত।

আশা আহমেদ, *লেখিকা*

*ফোন ঃ ৯৯৫৪২৮৩৯৩৩*

# এক্ট ইষ্ট পলিচীৰ ওপৰত সদ্য অনুষ্ঠিত দুখন সন্মিলনত এভূমুকি



**যো**ৱা ২৭, ২৮ আৰু ২৯ মে'ত উত্তৰ-পূব ভাৰতৰ দুৱাৰমুখ স্বৰূপ গুৱাহাটীত 'এক্ট ইষ্ট পলিচী'ৰ ওপৰত অগাপিছাকৈ দুখন সন্মিলন অনুষ্ঠিত হৈ যায়। অসম চৰকাৰৰ 'এক্ট ইষ্ট পলিচী' পৰিক্ৰমা বিভাগৰ উদ্যোগত ২৭ মে'ত এদিনীয়া কাৰ্যসূচীৰে 'কনক্লেভ অন এক্ট ইষ্ট থ্ৰো নৰ্থ ইষ্ট' শীৰ্ষকেৰে অনুষ্ঠিত কৰা হৈছিল প্ৰথমখন সন্মিলন। 'নেচাৰেল এলীজ ইন ডেভেলপমেণ্ট এণ্ড ইণ্টাৰডিপেণ্ডেন্স কনক্লেভ' শীৰ্ষকেৰে আনখন সন্মিলন অনুষ্ঠিত কৰা হয় ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়, অসম চৰকাৰৰ এক্ট ইষ্ট পলিচী পৰিক্ৰমা বিভাগ, নৰ্থ ইষ্টাৰ্ণ কাউন্সিল আদি কে'বাটাও অনুষ্ঠানৰ সহযোগত আৰু 'নদী' নামৰ এক অনুষ্ঠানৰ উদ্যোগত ২৮ আৰু ২৯মে'ত। প্ৰথমখন সন্মিলন উদ্বোধন কৰে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আৰু পাছৰখন সন্মিলন উদ্বোধন কৰে ভাৰতৰ বৈদেশিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী এছ. জয়শংকৰে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উদ্বোধন কৰা কনক্লেভখনত অংশগ্ৰহণ কৰা বিশিষ্ট অংশগ্ৰহণকাৰীসকলৰ ভিতৰত অন্যতম আছিল আছিয়ান (ASEAN - Association of South East Asian Nations)-ৰ সদস্য ৰাষ্ট্ৰসমূহৰ ৰাষ্ট্ৰদূত আৰু উচ্চায়ুক্তসকল। উদ্বোধনী ভাষণত ড° শৰ্মাই কৈছে যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰত চৰকাৰে এক্ট ইষ্ট পলিচীৰ ওপৰত এক নতুন গুৰুত্ব প্ৰদান কৰাৰ কাৰণে দ্ৰুতগতিত অঞ্চলটোৰ বিকাশ সম্ভৱ হৈছে আৰু অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ সমগ্ৰ প্ৰগতিৰ পথটোতে এক অভাৱনীয় পৰিৱৰ্তন দৃষ্টিগোচৰ হৈছে। মোদীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে এক্ট ইষ্ট পলিচীৰ ওপৰত গুৰুত্ব প্ৰদান কৰাটো সঁচা কথা। তেওঁৰ পূৰ্বৱৰ্তী ড° মনমোহন সিঙৰ প্ৰধানমন্ত্ৰিত্বত গ্ৰহণ কৰা 'লুক ইষ্ট পলিচী'খন মোদীয়ে দেশৰ শাসনভাৰ গ্ৰহণ কৰাৰ পিছতেই 'এক্ট ইষ্ট পলিচী'লৈ উন্নীত কৰিছিল। তেওঁৰ মতে আমি পূবলৈ কেৱল চাই নাথাকি পূবৰ লগত ব্যৱসায়-বাণিজ্য কৰি অৰ্থনৈতিকভাৱে লাভৱান হ'বলৈ হাতে-কামে লাগি যাব লাগিব। পলিচীখন 'লুক ইষ্ট'ৰ পৰা 'এক্ট ইষ্ট'লৈ ৰূপান্তৰিত কৰাৰ তাৎপৰ্যও তাতেই; কিন্তু প্ৰকৃততে 'এক্ট ইষ্ট'ৰ দিশে কেনে ধৰণৰ 'একচন' লোৱা হৈছে সেইটোহে অধিক গুৰুত্বপূৰ্ণ কথা আৰু বিচাৰ্যৰ বিষয়। ভাৰতৰ চুবুৰীয়া আৰু দক্ষিণ-পূবৰ দেশসমূহত ভাৰতৰ উদ্যোগত গ্ৰহণ কৰা অনেক আন্তঃগাঁথনিমূলক প্ৰকল্পৰ কাম দ্ৰুতগতিত আগবাঢ়ি আছে আৰু তাৰে বেছিভাগেই সম্পূৰ্ণ হোৱাৰ পৰ্যায়ত উপনীত হৈছে। সেই আটাইবোৰ প্ৰকল্প সম্পূৰ্ণ হ'লে যাতায়াত আৰু যোগাযোগ ব্যৱস্থাৰ ক্ষেত্ৰত যিবোৰ উন্নত আন্তঃগাঁথনিৰ সৃষ্টি হ'ব, সেইবোৰ ব্যৱসায়-বাণিজ্য সুচল কৰাৰ ক্ষেত্ৰত যে অভাৱনীয়ভাৱে সহায়ক হ'ব, তাত কোনো সন্দেহৰ অৱকাশ নাই; কিন্তু কেনে ধৰণৰ ব্যৱসায়-বাণিজ্য, উদ্যোগ, আদিৰ স্থাপন সম্ভৱ হ'ব, সেইবোৰ কোনে স্থাপন কৰিব, সেইবোৰৰ স্থাপনে ভাৰতৰ উত্তৰ পূবৰ ৰাজ্যসমূহৰ বাসিন্দাসকলক কিমান আৰু কেনে ধৰণেৰে উপকৃত কৰিব আদি কথাবোৰ এতিয়াও স্পষ্ট হোৱা নাই। গতিকে মুখ্যমন্ত্ৰীয়ে কোৱাৰ দৰে কেন্দ্ৰীয় চৰকাৰে এক্ট ইষ্ট পলিচীৰ ওপৰত প্ৰদান কৰা গুৰুত্বৰ কাৰণে অঞ্চলটোত কেনে ধৰণৰ বিকাশ সম্ভৱ হৈছে আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য সমূহৰ প্ৰগতিৰ পথটোত কেনে ধৰণৰ পৰিৱৰ্তন আহিছে, বস্তুনিষ্ঠ বিশ্লেষণেহে তাৰ ওপৰত স্পষ্ট ধাৰণা দিব পাৰিব। মুখ্যমন্ত্ৰীৰ মতে, তেওঁৰ চৰকাৰখনে এক্ট ইষ্ট পলিচীৰ আধাৰত ৰাজ্যখনক আছিয়ান ব্লকৰ ৰাষ্ট্ৰসমূহৰ এক্সপ্ৰেছ ৱে' আৰু গেটৱে হিচাপে প্ৰক্ষেপ কৰাৰ বাবে উদ্যোগ গ্ৰহণ কৰিছে। ই নিশ্চয় প্ৰশংসনীয় কথা; কিন্তু সেই দিশে চৰকাৰে কেনে ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে সেই বিষয়ে অৱগত হ'লেহে ৰাইজ সম্পূৰ্ণভাৱে আশ্বস্ত হ'ব পাৰিব। এই ক্ষেত্ৰত সকলো দিশ সামৰি চৰকাৰে এখন বিস্তৃত 'ৰোড মেপ' প্ৰস্তুত কৰাটো প্ৰয়োজনীয় কথা বুলি ভবাৰ থল আছে।

ভাৰতৰ বৈদেশিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী এছ. জয়শংকৰে উদ্বোধন কৰা সন্মিলনখনৰ আয়োজন কৰিছিল 'নেচাৰেল এলীজ ইন ডেভেলপমেণ্ট এণ্ড ইণ্টাৰডিপেণ্ডেন্স', চমুকৈ 'নদী' নামৰ অনুষ্ঠান এটাই। অনুষ্ঠানটোৱে আয়োজন কৰা এনে ধৰণৰ সন্মিলন এইখন তৃতীয়খন। গতিকে ইয়াক 'নদী-৩' নামেৰে আৰু ইয়াৰ আগৰ দুখন সন্মিলন 'নদী-১' আৰু 'নদী-২' নামেৰে নামাকৰণ কৰা হৈছে। অনুষ্ঠানটোক চমুকৈ 'এছিয়ান কনফ্লুৱেন্স' বুলি আৰু তেওঁলোকে আয়োজন কৰা সন্মিলনসমূহক 'এছিয়ান কনফ্লুৱেন্স নদী সন্মিলন' বুলিও কোৱা হয়। অনুষ্ঠানটোৰ উদ্দেশ্যৰ ভিতৰত আছে উত্তৰ-



## সোঁতৰ বিপৰীতে চিন্তা

প্ৰবীণ চৌধুৰী

পূৰ্বাঞ্চল আৰু অসমক কেন্দ্ৰবিন্দু হিচাপে লৈ বংগোপসাগৰীয় অঞ্চল আৰু দক্ষিণ-পূব এছিয়াৰ স'তে আঞ্চলিক সহযোগিতাৰে এক সামূহিক দৃষ্টিভংগী গ্ৰহণ কৰা। গতিকে অনুষ্ঠানটোৰ উদ্দেশ্যত এক্ট ইষ্ট নীতিও সোমাই আছে। 'নদী-৩' সন্মিলনখনলৈ বাংলাদেশ ফাউণ্ডেছন ফৰ ৰিজিওনেল ষ্টাডিজ, আন্তঃৰাষ্ট্ৰীয় প্ৰকৃতি সংৰক্ষণ সংঘ, আইআইটি গুৱাহাটী, গুৱাহাটী বিশ্ববিদ্যালয় আদিয়ে সহযোগ আগবঢ়াইছে। সন্মিলনখনলৈ অহা বিশিষ্ট ব্যক্তিসকলৰ মাজৰ অন্যতম আছিল উদ্বোধক মন্ত্ৰীগৰাকী নিজেই, কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ, বাংলাদেশৰ বৈদেশিক মন্ত্ৰী ড° এ কে আব্দুল ম'মেন, থাইলেণ্ডৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডন প্ৰমুদৱাইনাই, কেন্দ্ৰীয় আয়ুস আদি বিভাগৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ছিংগাপুৰৰ ভাৰতস্থ উচ্চায়ুক্ত চাইমন উৱাং, কম্বোডিয়াৰ ভাৰতস্থ উচ্চ-আয়ুক্ত উং চিন, বাংলাদেশৰ উচ্চায়ুক্ত মহম্মদ ইমৰান, ভূটানৰ জিগমে থিলনি নামগয়া, ব্ৰুনেইৰ উচ্চ-আয়ুক্ত দাতো আলাইহুদ্দিন মহম্মদ তাহা, ম্যানমাৰৰ ৰাষ্ট্ৰদূত ইনা এইছ কৃষ্ণমূৰ্তি, লাওচৰ ৰাষ্ট্ৰদূত বৌনেম চৌৱাংহোম, মালয়েছিয়াৰ উচ্চায়ুক্ত দাতো আব্দুল হামিদ, ম্যানমাৰৰ ৰাষ্ট্ৰদূত মো কিয়াও অং, ফিলিপাইন্সৰ ৰাষ্ট্ৰদূত চাইমন ওৱং উই কুয়েন, থাইলেণ্ডৰ ৰাষ্ট্ৰদূত পাট্টাৰাট হুটাং, ভিয়েটনামৰ ৰাষ্ট্ৰদূত চাউ ফাম চান প্ৰমুখ্যে আছিয়ানৰ সদস্য ৰাষ্ট্ৰসমূহৰ ৰাষ্ট্ৰদূত আৰু উচ্চ-আয়ুক্তসকল, অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, উদ্যোগমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, উদ্যোক্তা তথা এছিয়ান কনফ্লুৱেন্স পৰিচালনা পৰিষদৰ অধ্যক্ষ এম পি বেজবৰুৱা, শীৰ্ষ বিশেষজ্ঞ আৰু অন্যান্য বিশিষ্ট ব্যক্তি ইত্যাদি ।

সন্মিলনখনৰ উদ্বোধনী ভাষণত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰে ভাৰতবৰ্ষই বাংলাদেশ, নেপাল, ভূটান , ম্যানমাৰ আদি দেশৰ স'তে যোগাযোগ-যাতায়াতৰ সহযোগিতা বৃদ্ধিৰ লক্ষ্যৰে হাতত লোৱা প্ৰকল্পসমূহৰ বিস্তৃত ব্যাখ্যা দাঙি ধৰে। মূলতঃ ৰেল যোগাযোগ, পথ পৰিবহণ, জল পৰিবহণ, বায়ু পৰিবহণ, দলং নিৰ্মাণ, জলবিদ্যুৎ যোগান আদিক লৈ সম্পূৰ্ণ কৰা বা নিৰ্মাণৰ বিভিন্ন পৰ্যায়ত থকা প্ৰকল্প সমূহৰ কথা উল্লেখ কৰি তেওঁ কয় যে বিভিন্ন আঁচনিৰে কে'বা হেজাৰ কোটি টকা ব্যয় সাপেক্ষে হাতত লোৱা বিভিন্ন আন্তঃগাঁথনি নিৰ্মাণৰ কামবোৰে বাংলাদেশ, ভুটান, নেপাল, ম্যানমাৰ, থাইলেণ্ড আদি দেশৰ স'তে উত্তৰ-পূৰ্বাঞ্চলৰ সম্পৰ্ক অধিক গভীৰ কৰাই নহয়, ব্যৱসায়-বাণিজ্য, পৰ্যটন আদি দিশতো আটাইকে ওচৰ চপাই আনিব। ট্ৰেন্সবৰ্ডাৰ ট্ৰেন্সমিছন লাইন প্ৰকল্পৰ অধীনত বাংলাদেশক ১১৬০ মেগাৱাট জলবিদ্যুৎ যোগান ধৰা, অতিৰিক্ত ১৫০০ মেগাৱাট যোগান ধৰিবলৈ সাজু হোৱা, বাংলাদেশত কে'বাখনো দলং নিৰ্মাণ কৰি থকা, বিভিন্ন পথেৰে বাংলাদেশৰ স'তে ৰেল যোগাযোগত গুৰুত্ব প্ৰদান কৰা, কে'বাটাও সীমান্ত বাণিজ্য কেন্দ্ৰ স্থাপন কৰা, ছিকিম আৰু পশ্চিমবংগৰ পৰা নেপাললৈ দলং নিৰ্মাণ কৰি থকা, কামেঙৰ পৰা নেপাললৈ বিদ্যুৎ যোগান ধৰা, সুৰক্ষা সহযোগিতাৰ লক্ষ্যৰে ম্যানমাৰত কে'বাটাও ৰাস্তা আৰু কে'বাখনো দলং নিৰ্মাণ কৰি থকাৰ কথা, ভাৰতৰ পৰা উত্তৰ-পূৰ্বাঞ্চললৈ বিকল্প পথ হিচাপে কালাডান মাল্টি-মডেল ট্ৰেনজিট ট্ৰেন্সপোৰ্ট প্ৰকল্প হাতত লোৱাৰ কথা প্ৰমুখ্যে নিৰ্মীয়মাণ অনেক প্ৰকল্পৰ কথা উল্লেখ কৰে।

সন্মিলনখনত কেন্দ্ৰীয় শ্বিপিং আদি বিভাগৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে লুক ইষ্ট পলিচী মতে কাম কৰিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি উল্লেখ কৰি কয় যে এই নীতিৰ অধীনত এছিয়াৰ ৰাষ্ট্ৰসমূহৰ স'তে অৰ্থনৈতিক সমন্বয় গঢ়ি তোলাৰ প্ৰচেষ্টা চলাই থকা হৈছে। ইয়াৰ অংশ স্বৰূপে ৰেল, স্থলপথ, বায়ু আৰু সামুদ্ৰিক পৰিবহণ আৰু যোগাযোগৰ দিশত কাম কৰা হৈছে। দেশৰ জলপথবোৰ পুনৰুজ্জীৱিত কৰি সেইবোৰ কাৰ্গো পৰিবহণ আৰু যাত্ৰীৰ যাতায়াতৰ বাবে উপযোগী কৰিবলৈ ক্ষিপ্ৰতাৰে কাম চলিছে। গধুৰ কাৰ্গো পৰিবহনৰ বাবে 'ইণ্ডো বাংলাদেশ প্ৰট'কল ৰুট' ব্যৱহাৰ কৰাৰ বাবেও পদক্ষেপ গ্ৰহণ কৰা হৈছে।

অসমৰ মুখ্যমন্ত্ৰী ড° শৰ্মায়েও সন্মিলনখনত ভাষণ প্ৰদান কৰি আছিয়ান দেশসমূহৰ স'তে আমাৰ ঐতিহাসিক সম্পৰ্ক থকাৰ উল্লেখ কৰাৰ লগতে সন্মিলনখনে দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ মাজত বিকাশ-সমৃদ্ধি-সহযোগিতাৰ দিশত সহায় কৰিব বুলি মত ব্যক্ত কৰে।

সন্মিলনখনৰ দ্বিতীয় দিনা সামৰণি অনুষ্ঠানত ভাষণ প্ৰদান কৰি কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে যোগাযোগ, বাণিজ্য আৰু সামৰ্থ্য বিকাশক পূৰ্বোত্তৰৰ উন্নয়নৰ মূলমন্ত্ৰ বুলি উল্লেখ কৰে। আভ্যন্তৰীণ জল পৰিবহণৰ ওপৰত কেন্দ্ৰই আৰোপ কৰা গুৰুত্বৰ কথা দোহাৰি উন্নয়নৰ বাবে পাঁচটা গুৰুত্বপূৰ্ণ বিষয়ত ভৱিষ্যতে মনোযোগ দিয়াটো অপৰিহাৰ্য বুলি মত প্ৰকাশ কৰিছে। তেওঁৰ মতে সন্মিলনখনে পাঁচটা 'চি' ক্ৰমে কনেক্টিভিটী, কনজাৰভেছন, কমাৰ্চ, কালচাৰ আৰু কেপাচিটী বিল্ডিং উন্নয়নৰ মূলমন্ত্ৰ হিচাপে চিনাক্ত কৰিছে। কেন্দ্ৰীয় চৰকাৰে কেৱল উত্তৰ-পূৰ্বাঞ্চলৰ বিকাশৰ ওপৰতে গুৰুত্ব প্ৰদান নকৰি অঞ্চলটোক দক্ষিণ- পূব এছিয়া অঞ্চলৰ 'গেটৱে'লৈ ৰূপান্তৰিত কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰাৰ কথা সদৰী কৰে। নটা 'ছিগনেচাৰ প্ৰকল্প' হাতত লোৱাৰ কথা ঘোষণা কৰি তেওঁ তাৰ দ্বাৰা অঞ্চলটোত প্ৰদান কৰা গুৰুত্বৰ বিস্তৃতিৰ বিষয়ে উমান দিবলৈ চেষ্টা কৰে। ত্ৰিপুৰা বাংলাদেশ মৈত্ৰী সেতু, নিৰ্মাণ কাৰ্য চলি থকা ২,২০০ কোটি টকা ব্যয়ৰে ১৫টা যোগাযোগৰ প্ৰকল্প, ৫৮,০০০ কোটি টকা ব্যয়ৰে ব্ৰহ্মপুত্ৰ আৰু বৰাক ৰাষ্ট্ৰীয় জলপথৰ নিৰ্মাণ তথা উন্নীতকৰণ, ৭৪,০০০ কোটি টকা ব্যয়ৰে ২০১১ কিলোমিটাৰ জোৰা ২০ ৰেলৱে প্ৰকল্প, বিদ্যুৎ পৰিবহণ আৰু বিতৰণ লাইন, গ্ৰাম্য যোগাযোগৰ বাবে আৰু ৰাষ্ট্ৰীয় ঘাইপথত ৪-জি সেৱা প্ৰদান কৰাৰ ব্যৱস্থা ইত্যাদি উক্ত প্ৰকল্পসমূহৰ অন্তৰ্গত বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। লগতে তেওঁ উত্তৰ-পূৰ্বাঞ্চলে বাংলাদেশৰ চিতাগং বন্দৰ ব্যৱহাৰ কৰি সামুদ্ৰিক পথেৰে ব্যৱসায়-বাণিজ্য কৰাৰ পথ প্ৰশস্ত কৰাৰ আৰু কালাডান মাল্টি মোডেল ট্ৰেনজিট ট্ৰেন্সপ'ৰ্ট প্ৰকল্পৰ জৰিয়তে দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ লগত ব্যৱসায়-বাণিজ্য কৰাৰ পথ সুচল কৰাৰ দিশে অগ্ৰগতি লাভ কৰাৰ কথাও উল্লেখ কৰে।


> **এক্ট ইষ্ট পলিচীয়ে দক্ষিণ-পূব এছিয়াৰ দেশসমূহক ভাৰতৰ উত্তৰ- পূৰ্বাঞ্চলৰ প্ৰতি আকৰ্ষিত কৰিছে আৰু কেন্দ্ৰীয় চৰকাৰে হাতত লোৱা আন্তঃগাঁথনিমূলক প্ৰকল্পসমূহে অঞ্চলটোৰ অৰ্থনৈতিক উন্নয়নৰ সম্ভাৱনীয়তাত নতুন দিগন্তৰ সূচনা কৰিছে**

যি হওক, উত্তৰ-পূবৰ দুৱাৰমুখ স্বৰূপ গুৱাহাটীত একেৰাহে এনে দুখন সন্মিলন অনুষ্ঠিত কৰাটো আৰু তাত অংশগ্ৰহণ কৰিবলৈ ভাৰতৰ বৈদেশিক পৰিক্ৰমা আৰু বিত্ত বিভাগৰ মন্ত্ৰীদ্বয় আৰু আছিয়ানৰ সদস্য ৰাষ্ট্ৰসমূহৰ ৰাষ্ট্ৰদূত আৰু উচ্চায়ুক্তসকল ইয়ালৈ অহাটো অতি তাৎপৰ্যপূৰ্ণ তথা অসমৰ বাবে গৌৰৱৰ কথা। লগতে বিনাদ্বিধাই সজোৰে ক'ব পৰা যায় যে সদ্য অনুষ্ঠিত সন্মিলন দুখন 'এক্ট ইষ্ট পলিচী'খন ৰূপায়ণ কৰাৰ দিশে চৰকাৰে গ্ৰহণ কৰা একোটা বৃহৎ পদক্ষেপ। সন্মিলন দুখনত অংশগ্ৰহণ কৰা বিশিষ্ট ব্যক্তিসকলৰ তালিকাৰ পৰা আৰু বিশিষ্ট ব্যক্তিসকলে দিয়া ভাষণৰ পৰা এটা কথা স্পষ্ট হৈ পৰিছে যে এক্ট ইষ্ট পলিচীয়ে দক্ষিণ-পূব এছিয়াৰ দেশসমূহক ভাৰতৰ উত্তৰ- পূৰ্বাঞ্চলৰ প্ৰতি আকৰ্ষিত কৰিছে আৰু কেন্দ্ৰীয় চৰকাৰে হাতত লোৱা আন্তঃগাঁথনিমূলক প্ৰকল্পসমূহে অঞ্চলটোৰ অৰ্থনৈতিক উন্নয়নৰ সম্ভাৱনীয়তাত নতুন দিগন্তৰ সূচনা কৰিছে। এক্ট ইষ্ট পলিচীৰ ৰূপায়ণৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহে উন্মুক্ত কৰা ব্যৱসায়িক সম্ভৱনাসমূহ এক্সপ্লইট কৰি উত্তৰ-পূবৰ ৰাজ্যসমূহ অৰ্থনৈতিকভাৱে কেনেদৰে লাভৱান হ'ব পাৰে, তাৰ ওপৰত ধাৰাবাহিকভাৱে পৰ্যালোচনা আদি চলি থকাটো এতিয়া সময়ৰ আহ্বান স্বৰূপ হৈ পৰিছে। উত্তৰ-পূৰ্বাঞ্চলৰ উদীয়মান উদ্যোগীসকলক এই সম্ভাৱনীয়তাসমূহলৈ আকৰ্ষিত কৰি তেওঁলোকক উদ্যোগ, ব্যৱসায়-বাণিজ্য আদি স্থাপনৰ বাবে অনুপ্ৰাণিত কৰিব পাৰিলেহে অঞ্চলটোৱে পলিচীখনৰ পৰা প্ৰকৃততে লাভৱান হ'ব পৰিব ।

*ফোন ঃ ৮১৩৫৮৪৮৬২৩*

# সমাজ ব্যৱস্থাত সামাজিক মাধ্যম প্ৰভাৱ

## আত্মকেন্দ্ৰিক বিলাস বহুল জীৱন যাত্ৰাত অভাৱৰ শেষ নাই



## অৱলোকন

চাইৰা ইছলাম বড়া

**বিংশ** শতিকাৰ চমকপ্ৰদ বৈজ্ঞানিক আৱিষ্কাৰৰ ফলস্বৰূপে সামাজিক মাধ্যমে মানৱ জাতিৰ বাৱে এক নতুন যুগৰ সূচনা কৰিলে। যুগৰ পৰিৱৰ্তনত এক মহৎ উদ্দেশ্য আগত ৰাখি সামাজিক মাধ্যম এক অপৰিসীম শক্তিৰ বিশাল নেটৱৰ্ক হিচাপে গঢ় লৈ উঠিল সমগ্ৰ বিশ্ববাসীক একত্ৰিত কৰি ৰখাৰ সুবিধাৰ্থে। বৰ্তমান সময়ত সামাজিক মাধ্যম অতি ক্ষীপ্ৰতাৰে খবৰ বাতৰি, নথিপত্ৰৰ লগতে জৰুৰী অনুষ্ঠান আদি ভাগ-বাটোৱাৰা কৰাৰ ক্ষেত্ৰত এক উমৈহতীয়া প্লেটফৰ্ম হিচাপে জনসাধাৰণৰ আপুৰুগীয়া সম্পদ হৈ পৰিছে। থাউকতে সমগ্ৰ বিশ্বতে সংযোগ সংস্থাপন কৰাৰ উপৰি ইচ্ছা অনুসৰি যিকোনো বিষয়ৰ ওপৰত প্ৰয়োজনীয় শিক্ষা গ্ৰহণ কৰা, ঠাইতে বহি ভাৰ্চুৱেল সভা-সমিতি অনুষ্ঠিত কৰা, বিনোদনৰ বাবে মনোৰঞ্জন ধৰ্মী যিকোনো অনুষ্ঠান প্ৰত্যক্ষ কৰাৰ সুবিধা আদিও অতি সহজতে উপলব্ধ হ'ল। সামাজিক মাধ্যমৰ প্ৰসাৰতা ব্যাপক হাৰত বৃদ্ধি পোৱাৰ উপৰি কিছু কিছু ক্ষেত্ৰত সামাজিক মাধ্যম মানৱ জাতিৰ বাবে আশীৰ্বাদত পৰিণত হৈ পৰিছে। এচাম লোক এনেদৰে ওতঃপ্ৰোত ভাৱে জড়িত হৈ পৰিছে যে সামাজিক মাধ্যম অবিহনে জীৱনৰ গতি যেন স্তব্ধ হৈ পৰিব। বিভিন্ন ধৰণৰ ডিজিটেল আহিলাৰ যোগেদি সামাজিক মাধ্যম ব্যৱহৃত হয়, এইবোৰৰ ভিতৰত প্ৰধানকৈ ম'বাইল, লেপটপ, আই ফোন, কম্পিউটাৰ ইত্যাদিয়েই প্ৰধান। এই সৰঞ্জামবোৰত কেৱল মাত্ৰ ইন্টাৰনেটৰ যোগেদি সংযোগ স্থাপন কৰি সমগ্ৰ বিশ্বতে যোগসূত্ৰ সংস্থাপন কৰা সম্ভৱ হৈ পৰে।

সকলো বস্তুৰে ভাল বেয়া দুটা দিশ থাকে, যিকোনো কামৰ অতিমাত্ৰা প্ৰয়োগৰ ক্ষেত্ৰত নেতিবাচক দিশটোহে অধিক প্ৰকট হৈ পৰে। সামাজিক মাধ্যম অবিহনে দৈনন্দিন জীৱন যাপন কৰা এতিয়া অসম্ভৱ হ'লেও কিছু পৰিমাণে সংযত হোৱাটো নিজৰ ইচ্ছাশক্তিৰ ওপৰত নিৰ্ভৰ কৰে। সামাজিক মাধ্যম মানৱ জাতিৰ বাবে যিদৰে বৰদান স্বৰূপ এচাম লোকৰ অসৎ প্ৰয়োগত সেইদৰে অভিশপ্তও হৈ পৰে। অভ্যাসবশত দিনটোৰ চৌব্বিশ ঘন্টাৰ বেছিভাগ সময় ডিজিটেল মাধ্যমৰ সংস্পৰ্শত ব্যস্ত হৈ পৰা ব্যক্তিসকলৰ জীৱন যাত্ৰা ক্ৰমান্বয়ে যন্ত্ৰচালিত হৈ পৰাৰ উপক্ৰম হৈছে। জীৱন যাপনৰ দৈনন্দিন পদ্ধতিত সাৰ পানী যোগোৱা পূৰ্বৰ আমেজ সনা দিনবোৰ প্ৰায় লুপ্ত হোৱাৰ পথত। যন্ত্ৰচালিত পৃথিৱীৰ ভাগ দৌৰত এনে ভাৱ হয় প্ৰকৃত অৰ্থত জীৱনৰ ভাল লগা সময়ৰ মাধুৰ্যবোৰ আমি যেন হেৰুৱাই কেৱল মাত্ৰ অধিক লালসাৰ পাছত দৌৰি ফুৰিছো। মানৱ জীৱনৰ সহজাত প্ৰমূল্যবোধক বস্তুবাদী সমাজ ব্যৱস্থাৰ আগ্ৰাসনী মনোভাৱে চৌদিশে এতিয়া মাথোঁ অধিক পোৱাৰ প্ৰৱণতাই গ্ৰাস কৰিছে। আত্মকেন্দ্ৰিক বিলাস বহুল জীৱন যাত্ৰাত অভাৱৰ শেষ নাই। দেখাক দেখি প্ৰতিযোগিতাৰ তাড়নাত লালায়িত মনবোৰৰ উশাহ ল'বলৈও যেন আহৰি নাই। মানুহৰ জীৱনতকৈও অৰ্থৰ মূল্য ভয়াৱহভাৱে বৃদ্ধি পাইছে, এই ক্ষেত্ৰত মানৱতাহীন এচাম মানুহে আপোনজনক হত্যা কৰিবলৈও পিছ হোঁহকি থকা নাই। একমাত্ৰ ধন সম্পত্তিৰ লালসাতে বহু নিৰীহৰ তেজৰ ফাকুৰে হাত ৰাঙলী কৰাটো এতিয়া যেন এটা নিত্যনৈমিত্তিক ঘটনাত পৰিণত হৈছে। ইতিমধ্যে অপৰাধী মনৰ লোকসকলৰ ঘৃণনীয় মানসিকতাৰ চিকাৰ হৈছে বহু সম্ভ্ৰান্ত পৰিয়ালৰ লোক। এইবোৰ দুৰ্ভাগ্যজনক ঘটনা সংঘটিত হোৱাৰ মূলতে প্ৰমাণিত হয় বস্তুবাদী সমাজ ব্যৱস্থাত মানুহৰ মাজত পূৰ্বৰ আন্তৰিকতাৰ অপমৃত্যু ঘটি কোনোবাখিনিত মনবোৰ যন্ত্ৰচালিত হৈ পৰিছে।

পৰিৱৰ্তনৰ ধামখুমীয়াত অতি ক্ষীপ্ৰতাৰে আগবাঢ়িছে দৈনন্দিন জীৱনৰ গতি। উপায়হীন সকলো, সময়ৰ স'তে সামঞ্জস্য ৰাখি নতুনত্বক স্বীকাৰ কৰি লোৱাটোৱেই সংসাৰৰ নিয়ম। চলিত নিয়মৰ লগত সংগতি ৰাখি নচলিলে সময়েও আমাক সহায় নকৰিব। বহু ক্ষেত্ৰত কৃত্ৰিমতাৰ মেৰপেছত সোমাই পৰা মনবোৰৰ অনিয়ম অবিচাৰবোৰ দেখিও নীৰৱে থাকি বিবেকক যেন বন্ধকত থ'বলগীয়া হয় আপোনজনৰ স্বাৰ্থসিদ্ধিৰ বাবেই। বৰ্তমান সময়ত ৰাজনৈতিক সভা-সমিতিবোৰ বাদে সৃষ্টিশীল কাম বা



অনুষ্ঠানসমূহত অংশগ্ৰহণ কৰিবলৈও মানুহৰ আন্তৰিকতাৰ অভাৱ পুতৌজনকভাৱে পৰিলক্ষিত হয়। মুঠতে নিয়মমাফিক যন্ত্ৰচালিত জীৱন যাত্ৰাৰ অংশীদাৰ হৈ পৰিছে সদাব্যস্ত লোকসকল, নিস্বাৰ্থ ৰূপত অযথা সময় অপব্যয় কৰিবলৈ কাৰোৱেই যেন সদ্‌ভাৱ নোহোৱা হৈছে। একে ঠাইত একগোট হৈ সময় অপব্যয় কৰাৰ বিপৰীতে বহুতে সামাজিক মাধ্যমকে সমাজ ব্যৱস্থাৰ বিকল্প হিচাপে গ্ৰহণ কৰিছে। হোৱাটছএপ গ্ৰুপৰ জৰিয়তে এটা এটা ভাগত বিভক্ত হৈ একোটা পৰিয়ালৰ একেটা ছাতিৰ তলতে থকাৰ উপলব্ধিৰে এতিয়া এজনে আনজনৰ সুখ-দুখ, আনন্দ-বেজাৰৰ মুহূৰ্তবোৰৰ সংগী হোৱাৰ প্ৰয়াস অব্যাহত ৰাখিছে। আনহাতেদি ৰাজনৈতিক প্ৰেক্ষাপটতো তড়িৎ গতিত বৃহৎসংখ্যক লোকৰ মাজত প্ৰচাৰ কাৰ্য সমাপন কৰাৰ বাবে সামাজিক মাধ্যমে অপৰিসীম প্ৰভাৱ বিস্তাৰ কৰিছে। এই ক্ষেত্ৰত নেতাসকলে জনসাধাৰণক ব্যক্তিগতভাৱে সময় দিব নোৱাৰিলেও সামাজিক মাধ্যমৰ জৰিয়তে ভাৱ বিনিময় কৰা সহজ হৈ পৰে। যিকোনো বিষয়ত চৰ্চা, পৰচৰ্চা ইত্যাদিবোৰক লৈ সামাজিক মাধ্যমকহে বৰ্তমান অধিক গুৰুত্ব আৰোপ কৰাত এচামে মনোনিবেশ কৰিছে। যুগৰ স'তে ফেৰ মাৰি উন্নয়নৰ দিশটোৰ প্ৰতি লক্ষ্য ৰাখি নতুন প্ৰজন্মৰ মাজত সামাজিক মাধ্যমৰ প্ৰসাৰতা ব্যাপক হাৰত বৃদ্ধি পোৱা পৰিলক্ষিত হয়। বহু পৰিমাণে যুৱপ্ৰজন্ম এতিয়া সামাজিক মাধ্যমৰ ওপৰত নিৰ্ভৰশীল।

মানুহ মাত্ৰেই পৰিস্থিতিৰ দাস। ক'ভিডসৃষ্ট গৃহবন্দীত্বৰ অভাৱনীয় পৰিৱেশৰ সময়ৰ পৰাই সামাজিক মাধ্যমতে বেছি ভাগ লোকে সামাজিক বাতাবৰণ প্ৰক্ৰিয়া অব্যাহত ৰখাৰ প্ৰচেষ্টা চলাই আহিছে। মহামাৰীৰ সামাজিক দূৰত্বই মানুহৰ মাজত বিশাল ব্যৱধান আনি দিলে। মনৰ কোনোবাখিনিত সেই ভয় শংকাৰ পৰা আমি আজিও সম্পুৰ্ণ ৰূপে মুক্ত হ'ব পৰা নাই। সময়ৰ কুটিল গতিত আমি শব্দৰ পৰা ক্ৰমান্বয়ে সকলো মই হোৱাৰ পথত যেন ধাৱমান। অপ্ৰিয় হ'লেও সত্য যে ক'ভিড কালত একেখন ঘৰৰ ভিতৰত থকা মানুহখিনিৰ মাজত মানিবলগীয়া ব্যৱধানে আজিও অজানিতে আমাৰ মাজত দূৰত্ব বৰ্তাই ৰখাৰ এটা অভাৱনীয় পৰিবেশ আনি দিলে। চিৰন্তন সত্য যে মানুহ মাত্ৰেই সমাজপ্ৰিয় জীৱ। কোনো জীৱশ্ৰেষ্ঠই অকলে জীৱন নিৰ্বাহ কৰিব নোৱাৰে। অপ্ৰকাশিত যন্ত্ৰণাৰ আচহুৱা পৰিৱেশত বন্ধু-বান্ধৱৰ উপৰি সম্পৰ্কীয় লোকৰ স'তে অতিবাহিত কৰা আনন্দমুখৰ পৰিৱেশৰ পৰা বঞ্চিত হৈ অভাৱগ্ৰস্ত মনবোৰে বিকল্প চিন্তা কৰাৰ ফলশ্ৰুতিতেই হয়তো সামাজিক মাধ্যমৰ প্ৰতি মানুহৰ আসক্তি বৃদ্ধি পালে। অভাৱেই আৱিষ্কাৰৰ মূল, সেয়ে সকলো লোকৰ হাতত ম'বাইল থকাৰ সুযোগ গ্ৰহণ কৰি সামাজিক মাধ্যমতেই একত্ৰিত হোৱাৰ বিকল্প ব্যৱস্থা হিচাপে গ্ৰহণ কৰিব ধৰিলে। বৰ্তমান সকলোৰে সুবিধাৰ্থে সামাজিক মাধ্যম সহজতে ভাৱ বিনিময় কৰিব পৰা এখন উমৈহতীয়া বিশ্ব মঞ্চলৈ পৰ্যবসিত হৈছে। যিহেতু দেশ চাই বেশ, বৰ্তমানৰ অৱস্থাত মানৱীয় সম্পৰ্কবোৰো আধুনিক ডিজিটেল পদ্ধতিৰ জৰিয়তে সামাজিক মাধ্যমৰ ওপৰত নিৰ্ভৰশীল হৈ একত্ৰিত কৰি ৰখাৰ নতুন ব্যৱস্থাত অভ্যস্ত হৈ পৰিছে একবিংশ শতিকাৰ অত্যাধুনিক মানৱ সমাজ।

*ফোন ঃ ৯১০১৫১৭৮৪৭*

দৈনিক অগ্ৰদূত
৯ জুন বৃহস্পতিবাৰ, ২০২২ পৃষ্ঠা ৫



# ডাক্তৰ হোৱাৰ সপোন, ৰোগীৰ জেপত যন্ত্ৰণা

অসমৰ চিকিৎসা ক্ষেত্ৰৰ কদৰ্য ব্যৱস্থাৰ মাজত জীৱন পোৱাৰ আকাংক্ষাত দেহ আৰু জেপত যন্ত্ৰণা লৈ ঘূৰি ফুৰিছে! ইয়াৰ মাজত কিমানে বা জীৱনক হেৰুৱাই মায়াৰ পৃথিৱীখন অকালতে এৰি যাব লগা হৈছে! এই লোকসকলৰ কোনোবাজনে চাগে তোমালোকৰ দৰে চিকিৎসক হোৱাৰ বাটত ডিঙিত আঁৰি দিছিল অভিনন্দনৰ গামোচা। কোনোবাজনে তোমালোকৰ এনে সাফল্যৰ বাতৰি পঢ়ি দূৰৈৰ পৰাই আশীৰ্বাদ দিছিল, নিজৰ সন্তানৰ জীৱনৰ আৰ্হি কৰিছিল। তেওঁলোকৰ এই আৱেগ, অভিনন্দন, আশীৰ্বাদৰ মূল্য কি থাকিল? কেৱল যন্ত্ৰণাই নহয়নে!

**আব্দুল মজিদ**

*' ডাক্তৰ মানে সে তো মানুষ নয় আমাদেৰ চোখে সে তো ভগৱান কসাই আৰ ডাক্তাৰ একেইতো নয় কিন্তু দুটোই আজ প্ৰফেশ্যন—'*
— নচিকেতা

**ক্ষমা** কৰিবা। হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ যিসকল পৰীক্ষাৰ্থীয়ে ভৱিষ্যতে এজন চিকিৎসক হোৱাৰ সপোন প্ৰকাশ কৰিছা বা যিসকলে উচ্চতৰ মাধ্যমিকত ভাল নম্বৰ পাই চিকিৎসক হোৱাৰ একেই সপোন প্ৰকাশ কৰিবা, তোমালোকক এই সপোনৰ বাবে মই অভিনন্দন জনাব নোৱাৰো। উৎসাহ দিব নোৱাৰো। তোমালোকৰ লক্ষ্য, আগ্ৰহ আৰু চেষ্টাৰ সন্মুখত মোৰ দৰে সাধাৰণ মানুহ একোজনৰ অভিনন্দন বা উৎসাহ নিঃসন্দেহে মূল্যহীন হ'ব পাৰে। তথাপিও মোৰ অভিনন্দন কেৱলমাত্ৰ তেওঁলোকলৈহে থাকিব যি নিজক 'সেৱক চিকিৎসক' হিচাপেহে প্ৰতিষ্ঠা কৰিব।

আন বৃত্তিৰ লগত চিকিৎসকৰ কৰ্মজীৱনৰ তুলনা নহয়। চিকিৎসকসকল ৰোগীৰ বাবে ভগৱান স্বৰূপ। এজন চিকিৎসকৰ ওচৰত এজন ৰোগীয়ে জীৱনক লৈ আত্মসমৰ্পণ কৰে। চিকিৎসাৰ সামান্য এটা খেলিমেলিৰ বাবে এজন মানুহ চিৰদিনৰ বাবে ঘূণীয়া বা সমুলি জীৱন হেৰুৱাব পাৰে। সেয়েহে ইয়াত 'মেধা'ৰ মুখ্য ভূমিকা আছে, যাৰ সু ব্যৱহাৰত সন্দেহৰ অৱকাশ নাথাকে।

প্ৰতি বছৰেই হাইস্কুল শিক্ষান্ত বা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল ঘোষণাৰ দিনটোত সুখ্যাতিৰে উত্তীৰ্ণ পৰীক্ষাৰ্থীৰ অধিকাংশই কয়— চিকিৎসা বিজ্ঞান পঢ়ি এজন সু (সম্ভৱতঃ নিপুণ) চিকিৎসক হোৱাৰ কথা। স্থান লাভ কৰাসকলৰ উপৰি দুই-এটা বিষয়ত লেটাৰ নম্বৰ লাভ কৰাজনেও প্ৰথমে চিকিৎসক হোৱাৰ লক্ষ্য প্ৰকাশ কৰে। সাংবাদিকতা ক্ষেত্ৰৰ এজন সদস্য হিচাপে বিগত ২০টা বছৰে অসমৰ ছাত্ৰ সমাজৰ এই ধৰণৰ ছবি এখনে পাই আহিছো। ইয়াৰ মাজত বহুতে ইতিমধ্যে চিকিৎসকৰূপে প্ৰতিষ্ঠা লাভ কৰিছে।

চিকিৎসক হিচাপে আত্মপ্ৰতিষ্ঠা লাভৰ সপোন দেখা কথাটো ভুল নহয়। এজন শিক্ষাৰ্থীৰ যিকোনো বিষয় অধ্যয়নৰ অধিকাৰ আছে। অসমৰ নিয়োগ আৰু অৰ্থনৈতিক দুৰ্বলতাৰ বাবেও ছাত্ৰ আৰু অভিভাৱক সমাজৰ মাজত চিকিৎসা বিজ্ঞানেই প্ৰথম পছন্দৰ হৈ উঠে। ইয়াত চৰকাৰী চাকৰি নহ'লেও মহঙা ধন ঘটাৰ সুযোগ থাকে।

তদুপৰি অসমৰ জনসংখ্যা অনুপাতে এই পৰ্যন্ত চিকিৎসকৰ সংখ্যাও সন্তোষজনক নহয়। যাৰ ফলত কৰ্তব্যত অৱহেলা কৰা চৰকাৰী চিকিৎসক এজনৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ গৈয়ো সংশ্লিষ্ট কৰ্তৃপক্ষ পিছুৱাই আহিব লগা হয়। তাৰ মাজত চৰকাৰী চাকৰি এৰি ব্যক্তিগত চিকিৎসালয়ত যোগদানৰ বাট প্ৰশস্ত হৈ থাকে। সেয়েহে বছৰি চাৰি- পাঁচশ চিকিৎকৰ জন্ম হৈ আছে ঠিকেই; কিন্তু যি আশা আৰু স্বপ্নৰে তেওঁলোকক ৰাইজে অভিনন্দন জনাইছিল সেই আশাৰ চিকিৎসকজনৰ জন্ম দিব পাৰিলেনে? মাত্ৰ কেইজনমান তেনে চিকিৎসক হৈ মানুহক জীৱন আৰু অনুপ্ৰেৰণা দিয়াৰ বিপৰীতে অধিকসংখ্যকেই এজন ৰোগীৰ সুচিকিৎসা লাভৰ অধিকাৰখিনিও কাঢ়ি নিলে। কিছুমানে আকৌ 'কচাই' খ্যাতি অৰ্জন কৰিলে।

আজিৰ সময়ত এজন ৰোগীয়ে চিকিৎসা লাভৰ নামত এজন চিকিৎসকক পাৰিশ্ৰমিক (ভিজিত) দিব লাগে কমেও পাঁচশ টকা। তাৰমানে ৰোগীজনে স্বাস্থ্য পৰীক্ষাৰ নামত চিকিৎসকজনৰ ওচৰত সময় পাব লাগে কমেও আধা ঘন্টা। সেয়া তেওঁৰ অধিকাৰ, কোনো পুতৌ বা অনুকম্পা নহয়; কিন্তু কেইজন চিকিৎসকে ৰোগীজনক সেই সময়খিনিৰ অধিকাৰ লাভৰ সুযোগ দিছে? আঙুলিৰ মূৰত হিচাপ কৰিব পৰাকৈ মাত্ৰ কেইজনমান চিকিৎসকৰ বাহিৰে অধিকাংশই ১০ মিনিটো দিব নোখোজে। আনকি বেছিভাগেই দিনটোত ৭০-৮০ জন ৰোগীৰ স্বাস্থ্য পৰীক্ষা কৰে।

যিজন চিকিৎসকে দিনটোত ৭০-৮০ জন ৰোগী চায় তেওঁলোকে ৰোগীৰ কি চিকিৎসা কৰিব সেয়া সন্দেহজনক। এই শ্ৰেণীৰ চিকিৎসকে নিজৰ দক্ষতাক গুৰুত্ব নিদি একাধিক পৰীক্ষা-নিৰীক্ষাৰ পৰামৰ্শ দিয়ে। তেওঁলোকৰ পৰামৰ্শ অনুসৰি ৰোগীজনে ঋণত পৰি হ'লেও পৰীক্ষা-নিৰীক্ষা কৰি পুনৰ চিকিৎসকজনৰ ওচৰ চাপে। ৰোগীৰ আশা আৰু অধিকাৰৰ বিপৰীতে চিকিৎসকজনে পৰীক্ষাৰ প্ৰতিবেদনবোৰৰ পাতকেইটা যেনেদৰে লুটিয়ায়, তাকে দেখি ৰোগীজন তেতিয়াই নিৰাশ হৈ পৰে। কেইটামান ঔষধ লিখি দি সেইখিনি খাই ভাল নাপালে আকৌ আহিবলৈ কয়। ৰোগীজন অবুজ হৈ ৰ'ব লগা হয়— তেওঁৰ কি হৈছে বা পৰীক্ষাত কি ওলাল সেই বিষয়ে।

চিকিৎসক বৃত্তিৰ এই কেৰোণৰ পাক হ'ল সংৰক্ষণৰ দৰে কিছুমান চৰকাৰী ব্যৱস্থা, চিকিৎসকৰ মেধাৰ অপব্যৱহাৰৰ আৰু ভোগবাদী জীৱন ব্যৱস্থা। আজিৰ চিকিৎসক বেছিভাগেই ভগৱান প্ৰদত্ত নিজৰ মেধাখিনিক বিক্ৰী কৰি দিবলৈ কুণ্ঠাবোধ কৰা নাই কিছুমান ঔষধ কোম্পানী আৰু মেডিকেল ৰিপ্ৰেজেনটিটিভৰ ওচৰত। তেওঁলোকে আগবঢ়োৱা টোপ গিলি সেইমতে ঔষধ লিখে। মাধমাৰ পৰে ৰোগীৰ ওপৰত।

মোৰ ব্যক্তিগত এক অভিজ্ঞতা— ২০১১ মানৰ পৰা কঁকাল আৰু ভৰিৰ বিষত ভুগি আহিছো। তেতিয়াৰ পৰাই মই নামী-দামী ২২ জন চিকিৎসকৰ ওচৰলৈ গৈছো। প্ৰায় প্ৰতিজনে মোক বিভিন্ন পৰীক্ষাৰ পৰামৰ্শ দিছে। সেই অনুসৰি এম আৰ আই পৰ্যন্ত যিমানবোৰ পৰীক্ষাৰ প্ৰতিবেদন জমা হ'ল তাৰে এখন মজলীয়া কলেবৰৰ গ্ৰন্থই হ'ব। চিকিৎসা চলাই আহিছো। সুফল পোৱা নাই। কোনোবাই যদি হাড়ৰ চিকিৎসা কৰিছে কোনোবাই আকৌ স্নায়ুৰ; কিন্তু কোনোজনে মোক বুজাই ক'ব পৰা নাই, পৰীক্ষাৰ প্ৰতিবেদনত মোৰ দেহত কি ত্ৰুটি-বিচ্যুতি ঘটিছে। কেৱল মাত্ৰ এটাই পৰামৰ্শ— এইখিনি খাই ভাল নাপালে অমুক দিনৰ পাছত আকৌ এবাৰ আহিব। দুজনমান চিকিৎসকক সুধিছিলো— ছাৰ, ঔষধ পাছত দিব। আগতে মোক কওকচোন মোৰ সমস্যাটো আচলতে ক'ত, স্নায়ুত নে হাড়জনিত! তথাপি তেওঁলোকে এই উত্তৰ মোক নিদিলে। বৰঞ্চ এটাই উত্তৰ— চিন্তা কৰিব নালাগে, এই ঔষধখিনি খালে ভাল পাই যাব।

মই আশ্বস্ত হ'ব পৰাকৈ বা এজন ৰোগীৰ অধিকাৰ অনুসৰি আজি প্ৰায় এটা দশকেই সেইখিনি জনাৰ পৰা বঞ্চিত হৈ ৰ'ব লগা হ'ল। যোৱা ১৯ এপ্ৰিলৰ পৰা মই গুৰুতৰভাৱে অসুস্থ হৈ পৰিলো। এইবাৰ এজন অখ্যাত চিকিৎসকৰ ওচৰ চাপিলো। তেওঁক ক'লো— মই আপোনাক দুজন ৰোগীৰ জোখাৰেও পাৰিশ্ৰমিক দিব পাৰো, কেৱল অনুগ্ৰহ কৰি মোৰ এই এটা দশকৰ ৰিপৰ্টখিনি ভালদৰে চাই দিয়ক (অৱশ্যে তেওঁ পাৰিশ্ৰমিক গ্ৰহণ নকৰিলে)। তেওঁ এদিনৰ বাবে ফাইলকেইটা ৰাখি থলে। দ্বিতীয়দিনা তেওঁ মোক বুজাই দিলে যে মোৰ শৰীৰত যি সমস্যা চলি আছে সেয়া ২০১১ত কৰা এম আৰ আই খনতে স্পষ্ট হৈ আছে। তেনেদৰে বাকী ৰিপৰ্টবোৰো বুজাই দিলে। এইবাৰ তেওঁ চৰ্ত দিলে— আপুনি যদি মই কোৱা নিয়ম-নীতিখিনি মানি চলিব পাৰে তেনেহ'লে চিকিৎসা কৰিব পাৰো।

সুস্থতা লাভ কৰো বা নকৰো, চিকিৎসকজনৰ সেৱা পদ্ধতিৰ প্ৰতি মই কৃতজ্ঞ হৈ ৰ'ম।

এই ব্যৱস্থাৰ মই এটাহে মাত্ৰ জীৱন্ত সাক্ষী। মোৰ দৰে আৰু হয়তো হেজাৰ হেজাৰ লোকে অসমৰ চিকিৎসা ক্ষেত্ৰৰ এনে কদৰ্য ব্যৱস্থাৰ মাজত জীৱন পোৱাৰ আকাংক্ষাত দেহ আৰু জেপত যন্ত্ৰণা লৈ ঘূৰি ফুৰিছে! ইয়াৰ মাজত কিমানে বা জীৱনক হেৰুৱাই মায়াৰ পৃথিৱীখন অকালতে এৰি যাব লগা হৈছে! এই লোকসকলৰ কোনোবাজনে চাগে তোমালোকৰ দৰে চিকিৎসক হোৱাৰ বাটত ডিঙিত আঁৰি দিছিল অভিনন্দনৰ গামোচা। কোনোবাজনে তোমালোকৰ এনে সাফল্যৰ বাতৰি পঢ়ি দূৰৈৰ পৰাই আশীৰ্বাদ দিছিল, নিজৰ সন্তানৰ জীৱনৰ আৰ্হি কৰিছিল। তেওঁলোকৰ এই আৱেগ, অভিনন্দন, আশীৰ্বাদৰ মূল্য কি থাকিল? কেৱল যন্ত্ৰণাই নহয়নে!


ক্ষমা কৰিবা, মই তোমালোকক অভিনন্দন জনাব নোৱাৰো। যদি ইয়াৰ বিপৰীতে এজন ৰোগীক অন্ততঃ সু চিকিৎসা লাভৰ অধিকাৰ দিব পৰা কোনোবা এজন সেৱক চিকিৎসকক নিজৰ মাজত জন্ম দিব পাৰা, ভগৱান প্ৰদত্ত মেধাখিনি কোম্পানীৰ ওচৰত বিক্ৰী নকৰি ৰোগীৰ 'ভগৱান' হোৱাৰ চেষ্টা চলোৱা সেইজনলৈ আজিয়ে জনাই থ'লো অভিনন্দন আৰু কৃতজ্ঞতা।

বিশেষ অনুৰোধ— 'কচাই' আৰু 'ডাক্তৰ', এই দুই বৃত্তিক একাকাৰ নকৰিবা।

*ফোন : ৯৪৩৫৬২৯৫১৩*

# ডিব্ৰু নৈ আৰু দুয়োফালৰ গড়ৰ সমাহাৰেই ডিব্ৰুগড়! ডিব্ৰুগড়!

**বিশ্বজিৎ বৰুৱা**



**অসম** চৰকাৰৰ অধীনৰ অসম গেছ কোম্পানীয়ে ইতিমধ্যে দুটা শক্তি কেন্দ্ৰ (পাৱাৰ প্লেণ্ট) স্থাপন কৰিছে। অইল ইণ্ডিয়া লিমিটেড আৰু তেল আৰু প্ৰাকৃতিক গেছ আয়োগ লিমিটেডলৈ প্ৰাকৃতিক গেছ যোগান ধৰা অসম গেছ কোম্পানী লিমিটেডে ব্যৱসায়িক ভিত্তিৰ উপৰি ঘৰুৱাভাৱে ব্যৱহৃত গেছ যোগান ধৰি অঞ্চলটোৰ ৰাইজৰ উপকাৰ সাধন কৰিছে। তথ্য অনুযায়ী ১৯৭০ৰ পৰা উজনি অসমৰ ১২৬ খন বৃহৎ আকাৰৰ বাগিচালৈ কে'বাশ কিলোমিটাৰ পাইপ লাইনৰ যোগেদি ঔদ্যোগিক আৰু ঘৰুৱাভাৱে ব্যৱহাৰ কৰিব পৰা প্ৰাকৃতিক গেছৰ যোগান ধৰি আহিছে।

১৯৫৬ত ভাৰত চৰকাৰে তেল আৰু প্ৰাকৃতিক গেছ আয়োগ নামৰ এটা ৰাজহুৱা খণ্ডৰ কোম্পানী প্ৰতিষ্ঠা কৰি অসমৰ শিৱসাগৰক কেন্দ্ৰ কৰি এক বৃহৎ অঞ্চলত তেল অন্বেষণৰ দায়িত্ব দিয়ে। এই আয়োগে শিৱসাগৰ জিলাৰ ৰুদ্ৰসাগৰ, গেলেকী, লাকুৱা আদিত কে'বাখনো নতুন তৈল ক্ষেত্ৰ আৱিষ্কাৰ কৰে। আয়োগে ঘৰুৱা মুঠ উৎপাদনৰ ৭৭ শতাংশ তেল আৰু ৮০ শতাংশ প্ৰাকৃতিক গেছ উৎপাদন কৰি আহিছে। শেহতীয়াকৈ ভাৰত চৰকাৰৰ নতুন পেট্ৰলিয়াম নীতিৰ আলমত বহু দেশীয় আৰু আন্তঃৰাষ্ট্ৰীয় ব্যক্তিগত কোম্পানীক অসমৰ অসংখ্য তৈল ক্ষেত্ৰ লীজত দিয়া হৈছে আৰু এই কোম্পানীসমূহেও খনিজ তেল অন্বেষণৰ কামত নিজকে নিয়োজিত কৰিছে।

প্ৰায় ডেৰশ বছৰ কাল অবিৰতভাৱে পনীয়া সোণ যোগান ধৰি ভাৰতবৰ্ষৰ অৰ্থনীতি টনকিয়াল কৰাত অহিৰণা আগবঢ়োৱাটো অসমবাসীৰ বাবে গৌৰৱৰ কথা যদিও এই অৱদানৰ প্ৰতিদান অসমে কিমান আৰু কেনেদৰে লাভ কৰিছে সেয়া নিশ্চয় বিচাৰ্যৰ বিষয়।

সেয়া আছিল ১৯৮০ৰ কথা।

অসমৰ পৰা অবৈধ বিদেশী নাগৰিক বহিষ্কৰণৰ দাবীত গঢ়ি উঠা জনজাগৰণৰ ফলশ্ৰুতিত সৃষ্টি হোৱা আন্দোলন তুংগত। দীৰ্ঘদিন নীৰৱে শুই থকা সিংহ এটাহে যেন সাৰ পাই উঠিছিল। সেই সময়তে অসমীয়া জনগণ নিজৰ অধিকাৰক লৈ সজাগ হৈ উঠিছিল। প্ৰচাৰ মাধ্যমৰপৰা আৰম্ভ কৰি প্ৰতিখন ঘৰৰে বৈঠকখানা উত্তপ্ত হৈ পৰিছে দীৰ্ঘদিন ধৰি অসম কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বঞ্চিত হৈ অহাৰ বিষয়ে উত্তপ্ত আলাপ-আলোচনাৰে। ছাত্ৰ-ছাত্ৰীয়ে ত্যাগ কৰিছে শিক্ষানুষ্ঠান, বিষয়া-কৰ্মচাৰীয়ে ত্যাগ কৰিছে কৰ্মথলী, অধিবক্তাসকলে ত্যাগ কৰিছে বাৰ লাইব্ৰেৰী, আনকি দুগ্ধপোষ্য শিশুকো এৰি মাতৃয়ে ত্যাগ কৰিছে আপোন ঘৰ, সকলো ওলাই আহিছে ৰাজপথলৈ।

এনে এক উত্তপ্ত পৰিৱেশৰ মাজেদি বিদেশী এক অভিযন্তাৰ দল আহিছিল অসমলৈ। তেওঁলোকৰ উদ্দেশ্য আছিল অসমৰ খাৰুৱা তেলৰ যথাযথ ব্যৱহাৰৰ ওপৰত এক চৰজমিন অধ্যয়ন। কলম্বিয়া বিশ্ববিদ্যালয়ৰ গৱেষকৰ লগতে অহা অভিযন্তাকেইজনে বিমান বন্দৰত নামিয়ে পোন প্ৰথমে লগ ধৰিছিল সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰতিনিধিক। দলটোৱে আলোচনা কালত প্ৰশ্ন কৰিছিল খাৰুৱা তেলৰ নিচিনা প্ৰাকৃতিক সম্পদৰ বাবেই আৰবীয় ৰাষ্ট্ৰসমূহে বিশ্বৰ অৰ্থনীতিত দপ্‌দপাই আছে, তেওঁলোকৰ নগৰ-চহৰসমূহ আটকধুনীয়াকৈ গঢ়ি তুলিব পাৰিছে আধুনিক প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগেৰে। অথচ বুকুত খাৰুৱা তেলৰ ভাণ্ডাৰ লৈয়ো অসমৰ কিয় এই দৰিদ্ৰজৰ্জৰ অৱস্থা? হয়, সেই প্ৰশ্ন সেই মুহূৰ্তত অসমবাসীৰো।

অভিযন্তা বিশেষজ্ঞৰ এই গৱেষকৰ দলটোৱে শিৱসাগৰৰ তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ তৈলক্ষেত্ৰসমূহ পৰিদৰ্শনকালত আচৰিত হৈছিল এই তৈলক্ষেত্ৰসমূহত দপ্‌দপাই প্ৰাকৃতিক গেছ জ্বলাই দিয়াৰ দৃশ্য দেখি। তেওঁলোক হতবাক হৈছিল যেতিয়া শুনিছিলঃ শিৱসাগৰ, গেলেকী, মৰাণ, দুলীয়াজান, ডিগবৈ আদি অসংখ্য তৈলক্ষেত্ৰত দশক দশক ধৰি অক্ষয়-অব্যয় ভাবে এনেদৰে গেছ জ্বলাই আহিছে। বিদায়ৰ বেলিকাত এই দলটোৱে গুৱাহাটীৰ সাংবাদিকমেলত মন্তব্য কৰিছিলঃ এনেদৰে প্ৰাকৃতিক গেছৰ অপচয় কৰাৰ ঘটনা আমেৰিকাৰ দৰে দেশত হোৱাহেঁতেন নিশ্চয় দোষীসকলৰ বিৰুদ্ধে ফৌজদাৰী মোকৰ্দমা চলিলেহেঁতেন আৰু আদালতত দোষী সাব্যস্ত হ'লহেঁতেন। প্ৰাকৃতিক সম্পদ বিনষ্ট কৰাটো বহু উন্নত দেশত ক্ৰিমিনেল অফেন্স হিচাপে ধৰ্তব্য হয়। অথচ অসমত দশক দশক জুৰি প্ৰাকৃতিক সম্পদ জ্বলাই জ্বলাই অপচয় কৰি অহা হৈছে।

আমাৰ এটা স্বভাৱ আছে। সেয়া হৈছেঃ ভাল কথা এটা আপুনি হেজাৰবাৰ কওক, আপোনাৰ কথা গণ্য কৰা লোক কম ওলাব, হয়তো নোলাবই। কিন্তু একেখিনি কথা ৰঙাচুলিৰ বগা ছালৰ মানুহ এজনে কওকচোন, আকাশে-বতাহে তাৰ প্ৰতিক্ৰিয়া হ'ব। গেলেকী তৈলক্ষেত্ৰত জ্বলি থকা সেই বিৰাট জুইকুৰাই অমাৱস্যাৰ নিশা শিৱসাগৰ চহৰৰ সীমামূৰীয়া কোনো কোনো অংশও পোহৰাই তুলিছিল। বহু ব্যক্তিয়ে এই প্ৰাকৃতিক সম্পদৰ অপচয়ৰ বিৰুদ্ধে মাত মাতি আহিছিল। কিন্তু কোনেও গণ্য কৰা নাছিল। কিন্তু বিদেশী অভিযন্তাৰ দলে কথাষাৰ কোৱাৰ লগে লগে সমগ্ৰ অসম জুৰি ভীষণ প্ৰতিক্ৰিয়াৰ সৃষ্টি হ'ল। অসমৰ বুদ্ধিজীৱী সমাজৰ পৰা আদি কৰি মন্ত্ৰী-বিষয়ালৈকে সকলোৱে পৰিস্থিতিৰ গভীৰতা অনুধাৱন কৰিব পাৰিলে। অসম আন্দোলনৰ এক অন্যতম দাবী হৈ পৰিল অসমৰ প্ৰাকৃতিক সম্পদৰ ৰক্ষা, অপচয় ৰোধ আৰু সু-প্ৰয়োগ।



১৯৮২ত অসম চৰকাৰে এক অধিসূচনা জাৰি কৰি আসাম ইণ্ডাষ্ট্ৰিয়েল ডেভলপমেণ্ট কৰ্প'ৰেচন (চমুতে এ আই ডি চি)ক উজনি অসমৰ তৈলক্ষেত্ৰসমূহত জ্বলাই দিয়া প্ৰাকৃতিক গেছৰ অপচয় কেনেদৰে ৰোধ কৰিব পাৰি তাৰ এক বিস্তৃত প্ৰতিবেদন প্ৰস্তুত কৰিবলৈ নিৰ্দেশ দিয়ে। প্ৰাদেশিক কংগ্ৰেছৰ সভাপতি দূৰদৰ্শী ৰাজনীতিবিদ হিতেশ্বৰ শইকীয়াই অসমৰ জনগণৰ স'তে সুৰ মিলাই নাজিৰাত সাংবাদিকমেল পাতি ঘোষণা কৰিলেঃ যদি কংগ্ৰেছ দল শাসনলৈ আহে তেন্তে প্ৰাকৃতিক সম্পদৰ অপচয় ৰোধৰ লগতে সু-প্ৰয়োগত তেওঁৰ চৰকাৰে যথাযোগ্য গুৰুত্ব দিব। বুদ্ধিমান ৰাজনীতিবিদ হিতেশ্বৰ শইকীয়াৰ এই বক্তব্যই যাদুৰ দৰে কাম কৰিছিল। অসমৰ বহু সম্ভ্ৰান্ত বুদ্ধিজীৱী আৰু সাধাৰণ লোকৰ পৰা হিতেশ্বৰ শইকীয়াই সমৰ্থন লাভ কৰিছিল।

১৯৮৩ত শইকীয়াই শাসনভাৰ গ্ৰহণ কৰিছিল আৰু তেওঁ নিজৰ কথা ৰাখি এ আই ডি চিয়ে সঠিকভাৱে যাতে কাম কৰিব পাৰে তাৰ বাবে বিত্ত বিভাগত থকা প্ৰতিবন্ধকতা দূৰ কৰি দিছিল। ইয়াৰ ফলস্বৰূপে ১৯৮৪ত এ আই ডি চিয়ে পোনপ্ৰথমবাৰৰ বাবে এই বিষয়ত বিস্তৃত প্ৰতিবেদন দাখিল কৰি উজনি অসমত এক গেছক্ৰেকাৰ প্ৰকল্পৰ প্ৰয়োজনীতাৰ বিষয়ে আলোকপাত কৰিছিল। অসমত গেছক্ৰেকাৰ প্ৰকল্প স্থাপনৰ মূল বীজটো বহন কৰি গেছক্ৰেকাৰক আমাৰ স'তে পৰিচয় কৰাই দিলে এ আই ডি চিৰ এই প্ৰতিবেদনে। এ আই ডি চিৰ এই প্ৰতিবেদনৰ বিষয়ে সাংবাদিক মেলত ঘোষণা কৰি তদানীন্তন মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াই কৈছিলঃ এ আই ডি চিয়ে এনে এটা প্ৰকল্প স্থাপনৰ বাবে খৰচ পাঁচশ কোটি টকা লাগিব বুলিছে আৰু এই প্ৰতিবেদন মুখ্যমন্ত্ৰীয়ে নিজেই ব্যক্তিগত উদ্যোগত লৈ যাব কেন্দ্ৰীয় চৰকাৰৰ সংশ্লিষ্ট দপ্তৰলৈ। সেইমতে এ আই ডি চিৰ প্ৰতিবেদনসহ অসম চৰকাৰৰ প্ৰস্তাৱ দিল্লীৰ দৰবাৰ পৰ্যন্ত লৈ যোৱা হয় যদিও সকলোকে সচকিত কৰি কেন্দ্ৰীয় চৰকাৰৰ পেট্ৰলিয়াম দপ্তৰে অসম চৰকাৰলৈ প্ৰত্যুত্তৰ প্ৰেৰণ কৰিলে : There is no enough raw material (natural gas) in Assam for such a huge project.

১৯৮৫ত হিতেশ্বৰ শইকীয়াই আকৌ কেন্দ্ৰক আবেদন জনালে বিষয়টো পুনৰ বিবেচনা কৰি চাবলৈ। এইবাৰ পেট্ৰলিয়াম দপ্তৰে বিষয়টো প্ৰেৰণ কৰিলে ইঞ্জিনীয়াৰ্ছ ইণ্ডিয়া লিমিটেড (চমুতে ই আই এল)লৈ। ই আই এলক অসম চৰকাৰৰ পিনৰ পৰা সকলো সাহায্য আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়াত তেওঁলোকে উজনি অসমত বিতং জৰীপ কৰি প্ৰতিবেদন দিলে যে উজনি অসমত এনে এটা বৃহৎ প্ৰকল্প স্থাপন কৰাৰ পূৰ্বে ব্ৰডগেজ ৰেলপথৰ সম্প্ৰসাৰণ কৰিব লাগিব। ই আই এলেও অসমত এনে এক বৃহৎ প্ৰকল্পৰ বাবে প্ৰয়োজনীয় প্ৰাকৃতিক উপাদানৰ অভাৱ বুলি কোৱাৰ লগতে যোগাযোগ ব্যৱস্থাও মুঠেও আশানুৰূপ নহয় বুলি প্ৰতিবেদন দাখিল কৰিলে।

**ঐতিহ্যমণ্ডিত ডিব্ৰুগড় চহৰৰ অতীত আৰু বৰ্তমানৰ কিছু ছৰ্ট শ্বট স্নেপ**

কিন্তু অসমবাসীৰ বাবে পৰম সৌভাগ্যৰ কথা যেঃ ১৯৮৫ত তদানীন্তন প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধী আৰু অসমৰ মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ উপস্থিতিত স্বাক্ষৰিত অসম চুক্তিয়ে ক্ৰমাৎ নিস্তেজ হৈ অহা আশাৰ চাকিগছি যেন পুনৰায় উজ্জ্বল কৰি জ্বলাই তুলিলে। অসম চুক্তিৰ ছয় আৰু সাত নম্বৰ দফাই অসমৰ জনগণক ৰক্ষাকবচ আৰু অৰ্থনৈতিক বিকাশ সুনিশ্চিত কৰাৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ দায়বদ্ধতা আৰু প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। সাত নম্বৰ দফাই স্পষ্টভাৱে উল্লেখ কৰিছে যে অসমত ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান স্থাপনৰ যোগেদি শিক্ষা, বিজ্ঞান, নিযুক্তি আৰু প্ৰযুক্তিবিদ্যাৰ সু-প্ৰয়োগত কেন্দ্ৰীয় চৰকাৰে বিশেষভাৱে গুৰুত্ব প্ৰদান কৰি যাব।

উন্নয়নৰ দিশত প্ৰতিবন্ধকতা অনেক। ধ্বংসৰ গতি অতি মসৃণ, কিন্তু উন্নয়নৰ বাটত অসংখ্য হেঙাৰ। তথাপিও অসমৰ প্ৰতি ৰাজনৈতিক ভাৱে সহানুভূতিশীল অন্য এজন প্ৰধানমন্ত্ৰী আমি লাভ কৰিছিলো। তেওঁ আছিল বিশ্বনাথ প্ৰতাপ সিং। এই চৰকাৰৰ পেট্ৰলিয়াম দপ্তৰৰ মন্ত্ৰী গুৰুপদস্বামীয়ে ব্যক্তিগত উদ্যোগ লৈ ই আই এলক পূৰ্বৰ ৰিপৰ্ট প্ৰত্যাহাৰ কৰি ফিজিবিলিটি ৰিপৰ্ট নতুনকৈ প্ৰস্তুত কৰাৰ বাবে নিৰ্দেশ দিয়ে। আমি আজি এই কথা স্বীকাৰ নকৰিলে অকৃতজ্ঞতাৰ দোষে চুব যে গুৰুপদস্বামীয়ে ইতিমধ্যে অসমৰ সাংসদ তথা তদানীন্তন কেন্দ্ৰীয় আইন মন্ত্ৰী দীনেশ গোস্বামীৰ উদ্যোগত আমেৰিকাৰ কনছালটেন্সি ফাৰ্ম এখনৰ পৰা প্ৰস্তুত কৰাই অনা ফিজিবিলিটি ৰিপৰ্ট ই আই এললৈ পঠিয়াই দি প্ৰশ্ন কৰিছিল যে আমেৰিকান অভিযন্তাই সেউজ সংকেত দিয়া প্ৰকল্প কি কাৰণৰ বাবে ই আই এলে বাধাগ্ৰস্ত কৰিছে? এই সময়তে দীনেশ গোস্বামীয়ে ভাবুকি দি কৈছিল যে ই আই এলে পুনৰবাৰ ইচ্ছাপ্ৰণোদিতভাৱে এই প্ৰকল্প স্থাপনৰ দিশত বাধাৰ সৃষ্টি কৰিলে তেওঁ মন্ত্ৰীসভাৰ পৰা পদত্যাগ কৰিব। আমেৰিকান কনছালটেন্সি ফাৰ্মে তেওঁলোকৰ ৰিপৰ্টত উল্লেখ কৰিছিল যে গেছক্ৰেকাৰ প্ৰকল্পৰ বাবে অসমত প্ৰাকৃতিক সম্পদৰ অভাৱ বুলি কোৱাটো হয় মূঢ়তাৰ চিন অথবা জ্ঞানৰ অভাৱ। এ আই ডি চিয়ে উল্লেখ কৰা পাঁচশ কোটি কিয় পাঁচ হেজাৰ কোটি টকা খৰচ কৰি হ'লেও কেন্দ্ৰীয় চৰকাৰে শীঘ্ৰে অসমত এই প্ৰকল্প স্থাপন কৰা উচিত। উল্লেখযোগ্য যে এই কনছাল্টেন্সি ফাৰ্মৰ অংশীদাৰ আছিল সেইকেইজন আমেৰিকান অভিযন্তা আৰু গৱেষক যিকেইজনেই ১৯৮০ত অসমীয়া মানুহক প্ৰাকৃতিক সম্পদ জ্বলাই দি অপচয় কৰাৰ বিৰুদ্ধে সজাগ কৰি থৈ গৈছিল।

এই কনছাল্টেন্সি ফাৰ্মে প্ৰকল্পটো স্থাপনৰ দায়িত্ব ভাৰত চৰকাৰৰ বিভাগ অথবা এজেন্সী নহয়, কোনো বৃহৎ বহুজাতিক কোম্পানীকহে প্ৰদান কৰাৰ পোষকতা কৰিছিল। তেওঁলোক নিশ্চিত হৈছিলঃ কেন্দ্ৰীয় চৰকাৰৰ কোনো বিভাগৰ বিষয়াবৃন্দৰ দ্বাৰা এই বৃহৎ আয়োজনৰ পথ মসৃণ নহ'ব। এইবাৰ মাহৰ মাৰ দেখি তিলে ফাট মেলিলে। দুজনকৈ কেন্দ্ৰীয় মন্ত্ৰী আৰু স্বয়ং প্ৰধানমন্ত্ৰীৰ সদিচ্ছাৰ বাবে এইবাৰ ই আই এলৰ ফিজিবিলিটি ৰিপৰ্ট প্ৰকল্পটো স্থাপনৰ সমৰ্থনত আহিল। কিন্তু, এইবাৰ লেঠা লাগিল লেটাৰ অব ইনটেণ্ট ইচ্ছু কৰাত। ফিজিবিলিটি ৰিপৰ্ট পজিটিভ হোৱাৰ পাছত কাম হৈছে লেটাৰ অব ইনটেণ্ট প্ৰদান কৰা; কিন্তু বিষয়টো গেঁঠেলা মাৰিলেগৈ পৰিকল্পনা আয়োগৰ টেবুলত। সেই সময়ত প্ৰকল্পটো স্থাপনত খৰচ হিচাপে ধৰা হৈছিল ২,৩০০ কোটি টকা। এই বৃহৎ পৰিমাণৰ ধনৰাশি বিনিয়োগ কৰিবলগীয়া প্ৰকল্পৰ সাপেক্ষে পৰিকল্পনা আয়োগৰ পৰা লেটাৰ অব ইনটেণ্ট উলিয়াই আনিব পৰাটো মুখৰ কথা নহয়।

ইতিমধ্যে প্ৰধানমন্ত্ৰী বিশ্বনাথ প্ৰতাপ সিঙে বিদায় গ্ৰহণ কৰিছিল আৰু প্ৰধানমন্ত্ৰী হিচাপে অধিষ্ঠিত হৈছিল চন্দ্ৰশেখৰ। সেই সময়ৰ অসমৰ সাংসদ কেইজনৰ ভিতৰত দীনেশ গোস্বামী, অৰুণ শৰ্মা আৰু বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যৰ ভূমিকা শলাগিবলগীয়া আছিল। তেওঁলোকৰ বুজনিৰ বাবেই প্ৰধানমন্ত্ৰী চন্দ্ৰশেখৰে বিষয়টোত হস্তক্ষেপ কৰিছিল আৰু অৱশেষত কেন্দ্ৰীয় চৰকাৰৰ অভ্যন্তৰত থকা বিভিন্ন বাধা-বিঘিনি অতিক্ৰম কৰি প্ৰকল্পৰ প্ৰাৰম্ভিক কাকত-পত্ৰ সেউজ সংকেত লৈ ওলাই আহিছিল।

*ফোন : ৯৪৩৫০-২৮০০৮*

# শৈশৱে গৰকা সোণোৱালী বাৰিষা


আহাৰ মাহত বাৰীত পকে
আম, কঁঠাল,জাম;
শাওণমহীয়া বৰষুণত
সাধু শুনাই কাম।

**উক্ত** পদ্যাংশত শৈশৱৰ বাৰিষাৰ সুমধুৰ স্মৃতি সজীৱ হৈ উঠে। বাৰিষা বুলি ক'লেই মনলৈ আহে ৰঙে-ৰূপে ভৰা, পানীৰে ওপচা ব্যস্ততাপূৰ্ণ পথাৰখন। হাল বোৱা, আলি দিয়া, কঠীয়া তোলা, মৈ দিয়া, ভূঁই ৰোৱা, ঘাঁহ কটা আদি বিবিধ কামৰ সমাহাৰ বাৰিষাৰ পথাৰ। পুৱতি নিশাতে পথাৰলৈ হাল নিবলৈ আহি আমাৰ ঘৰত হালোৱাৰ কাম কৰা যাদৱ খুৰাই দেউতাক মাত লগায়। দেউতাই বিছনাৰ পৰা উঠি গৈ কজলা আৰু ৰঙাৰ ডিঙিৰ পঘা খুলি দিয়ে আৰু নাঙল, যুৱলি, মৈ, এছাৰি, জাপি, কোৰ আদি লৈ বলধ হালৰ পিছে পিছে দুয়ো পথাৰলৈ ৰাওনা হয়। পুৱাৰ ৰ'দ ওলায় মানে পথাৰৰ মাটিত মৈ দিয়া হৈ যায়। তেনেতে মুখত তামোল এচালি সুমুৱাই হাতত চাহৰ কেটলী আৰু জলপানৰ বাটি লৈ

**অসীম কৃষ্ণ মহন্ত**

ৰোৱনীৰ সাজেৰে মা পথাৰলৈ ওলায়। চাহ-জলপান, পানী আদি লৈ আমিও মাজে মাজে পথাৰলৈ যোৱা মনত পৰে। বাৰিষাৰ সময়তে স্কুলৰ গ্ৰীষ্ম বন্ধ হয় বাবে এইকণ সময় ওলায়। পথাৰত চৌদিশে হ হ, যা যা, ঐ কজলা ঘূৰ, ৰঙা ঘূৰ ঘূৰ, এচাৰিৰে নাঙলত কোবোৱা টক্ টক্ টক্ টক্ শব্দৰে এক উৎসৱমুখৰ পৰিৱেশ। ওচৰতে হাল বাই থকা মঙলা খুৰা আৰু ভূঁই ৰুই থকা ৰুকুণী পেহীকো দেউতাই চাহ-জলপান খাবলৈ মাতে। পথাৰৰ বৰ আলিত থকা কোৰোছ জোপাৰ তলত বহি আটায়ে চাহ-জলপান খায়। লাহে লাহে বেলি দুপৰ হয়। হাল মেলি হালোৱাই ঘৰলৈ গৈ জিৰণি লয়। ৰোৱণীৰো ৰোৱা শেষ হয়।

মা-দেউতা পথাৰত ব্যস্ত থকাৰ সময়খিনি আমাৰ বাবে মুক্ত সময়। এই সময়খিনি আমাৰ আমোদজনক কামসমূহ কৰাৰ সময়। বৰশী বোৱা, চেপা পতা, সমনীয়াৰ লগত পথাৰত ভূৰ চলোৱা, আম, জাম, পণীয়ল, লেতেকু, লিচু আদি বিচাৰি ফুৰা, ফেনে-ফোটোকাৰে বাঢ়ি অহা হৰহৰীয়া নদীৰ (গাঁৱৰ মাজেৰে বৈ যোৱা শান্ত, সমাহিত নদীখন) ওপৰত থকা দলঙৰ পৰা কাগজৰ, গছৰ পাতৰ নাও সাজি নদীৰ পানীত এৰি দিয়া, পথাৰৰ পৰা ডাউক পখীৰ পোৱালি খেদি খেদি ধৰি আনি পুনৰ এৰি দিয়া আদিবোৰ কৰি গ্ৰীষ্ম বন্ধৰ মজা লওঁ। কেতিয়াবা ৰাজহুৱা পুখুৰীৰ ভৰা পানীত সমীন, বুলেন, চানু, গীতা, বগীহঁতৰ লগত সাঁতুৰি-নাদুৰি লুকা ভাকু খেলি মজা লওঁ। পানীত লুকা-ভাকু খেলাৰ মজাই সুকীয়া। পথাৰৰ পৰা আহি আমাক ঘৰত নেদেখি হাতত চেকনি এডাল লৈ মা ৰাজহুৱা পুখুৰীৰ পাৰত হাজিৰ হয়। মাক দেখি পুখুৰীৰ পৰা কেনেবাকৈ উঠি দৌৰি আহি ঘৰ পাওঁ। সকলোৱে গা-পা ধোৱাৰ পাছত বিবিধ শাক-পছলি আৰু



মাছৰ ব্যঞ্জনেৰে দুপৰীয়াৰ অন্নমুঠি পৰম তৃপ্তিৰে খোৱা হয়। বাৰিষাৰ সময়ত বাৰী আৰু পথাৰত অনেক শাক পোৱা যায়। ভতুৰা, খুটুৰা, কলমৌ, মাণিমুণি, টেঙেচী, মচনদৰী, নৰসিংহ, ভেদাইলতা, ক'লা কচু, নীল কচু আদি বিভিন্ন শাক আৰু পথাৰত পোৱা পুঠি, খলিহনা, কাৱৈ, গৰৈ, শিঙি, টিঙৰা, চেং, শ'ল, বামী, কুছীয়া আদি মাছে ব্যঞ্জনত প্ৰধানকৈ ঠাই পায়।

দুপৰৰ নিৰ্জনতা ভাঙি আবেলিৰ পথাৰত পুনৰ মানুহৰ সমাগম হয়। আলি দিয়া, কঠীয়া তোলা, কঠীয়া বন্ধা আদি কামবোৰ পিছ দিনা সুবিধা হোৱাকৈ আবেলিয়ে কৰি থোৱা হয়। পিছদিনালৈ হাততে সকলো পোৱাকৈ সাজু কৰি থোৱা হয়। বাৰিষাৰ আবেলিৰ পথাৰৰ দৃশ্য অতি মনোমোহা। শীতল বতাহত ভাহি আহে কোমল কঠীয়া আৰু কেচা মাটিৰ মিশ্ৰিত গোন্ধ। শালিকা, বগলী, শৰালি, পানী কাউৰী, কোড়া আদি চৰায়ে নিজৰ পোৱালি লগত লৈ সুললিত মাতেৰে উৰি আহি পথাৰৰ আলিত পৰে। শৈশৱতে বহুবাৰ শালিকা, ভাটৌ আদিৰ পোৱালি ধৰি আনি পুহি ডাঙৰ কৰা মনত পৰে।


বাৰিষাৰ গধূলিবোৰো এক বিশেষ মাদকতাৰে ভৰা। বৰষুণত বোকাময় গাঁৱলীয়া বাট। তথাপিও গাঁৱৰ মানুহে গধূলি ইঘৰ-সিঘৰ ফুৰি ঘৰৰ কথা, মনৰ কথা পাতিবলৈ নেৰে। ফৰকাল সন্ধিয়া আইতাই চোতালত ঢাৰি পাৰে। আমি ঢাৰিত বহি আইতাৰ বিচনীৰ বা লৈ চাকিৰ পোহৰত কিতাপ পঢ়ো; কলপাতত লিখো। শাওণৰ ফৰকাল সন্ধিয়া আকাশত হাটীপটি, পপীয়া তৰা আদি ওলায়। মাজে মাজে বিশাল আকাশলৈ চাই কোনটি কি তৰা জানিবলৈ প্ৰয়াস কৰো। আমাৰ পুখুৰীত খুটি পুতি কঠীয়া টোম (টোপা) তিয়াবলৈ আহি চুবুৰীয়া কৃষ্ণ বৰদেউতা চোতালত পাৰি থোৱা বেটৰ চকীখনত বহে। তেওঁৰ পৰা ৰামায়ণ, মহাভাৰতৰ কাহিনীৰ উপৰি বিভিন্ন লোককথা শুনিবলৈ পাওঁ। আমাৰ পুৰণি ৰেডিঅ'টোত 'কৃষিজগত' বাজি থাকে। তেনেতে মাই খোলাচাপৰি পিঠা, ফেনী পিঠা, ভাপত দিয়া পিঠা, গুড়াসান্দহ আদিৰে চাহৰ বাটি লৈ আহে। সাধুকথা শুনি শুনি আমাৰ চকুৰ পটা জাপ যায়। এনেতে মাই পাকঘৰৰ পৰা মাত লগায়— 'ঘুমেটি যাবাৰ হ'লেনে, দিনটো টলৌ টলৌকৈ ঘূৰি ফুৰিবি-পঢ়া শুনা নাই। ইতা ভাত হৰাক লেগি পঢ়।' বাৰিষাৰ ৰাতি গঞা ৰাইজ সোনকালে শোৱে। এই সময়ত ৰাতি চুটি। পুৱতি নিশাতে শোৱাপাটি এৰিব লাগিব। বৰ্ষাসিক্ত বাৰিষাৰ ৰাতি। ঘৰৰ চালত চিপ্ চিপ্ বৰষুণ। পানীপতাত হৰ্ হৰকৈ পৰে নাওৱাৰ পানী। কেউফালে বেঙৰ টোৰ্-টোৰ্ মাত। পৰিশ্ৰমী গঞা ৰাইজৰ চকুৰ পটা পলকতে জাপ খায়।

কেতিয়াবা বাৰিষাৰ মাদকতা ভাঙি বান আহে। বানত সেউজীয়া পথাৰ নষ্ট হোৱা দেখি কৃষক ৰাইজে বুকু চপৰিয়াই কান্দে। এই কান্দোনে আমাৰ কুমলীয়া মন ভাঙে। ন-ভূঁই তল যায়। পানীয়ে কঠীয়াৰ আশা দূৰলৈ উটুৱাই নিয়ে। কোৰোছ জোপাৰ তলত বহি ৰাইজে কপালত হাত থৈ নিজেই নিজক বুজনি দিয়ে। পলসত পোত যোৱা ভূঁইৰ ওপৰত পুনৰ ন-ভূঁই ৰোৱে। লহ-পহকৈ বাঢ়ে পলস পৰা মাটিৰ ধান। সকলোৰে মনত অনাবিল আনন্দ। লহপহকৈ বাঢ়ি অহা সেউজীয়া ধানে আঘোণত সোণগুটিৰে ভঁৰাল শুৱাব। লাহে লাহে আমাৰো স্কুল খুলিবৰ হয়। বাটৰ পৰাই সজাল ধৰা পথাৰবোৰ চাই চাই স্কুললৈ পুনৰ অহা- যোৱা আৰম্ভ হয়।

শৈশৱতে বাৰিষা কালৰ পুৱতি নিশা আমাৰ নঙলাত শুনিবলৈ পোৱা হাল জুৰিবলৈ যোৱা বলধৰ খোজৰ খট্ খট্ শব্দ এতিয়া শুনিবলৈ নোপোৱা হ'ল। আজিকালি গাঁৱৰ দুই এঘৰৰহে বলধ গৰু আছে। বলধৰ কান্ধৰ ভাৰ কাঢ়ি ল'লে ট্ৰেক্টৰে। খেতি-বাতিৰ প্ৰতি আজিৰ যুৱপ্ৰজন্মৰ উৎসাহ যেন ক'ৰবাত হেৰাই গৈছে; কিন্তু আজিৰ এই যান্ত্ৰিকতাৰ পৃথিৱীতো একেই মাদকতাৰে বাৰিষা সদম্ভে জীয়াই আছে। হয়তো সেই মাদকতা ল'ব জনা নাই আমি। আধুনিক বৈজ্ঞানিক পদ্ধতি অৱলম্বন কৰি যুৱ প্ৰজন্মই নিজৰ পথাৰ আৰু বজাৰ দখল কৰি দেশৰ অৰ্থনীতি টনকিয়াল কৰাত অৰিহনা যোগাব লাগিব। নিজৰ পথাৰ আৰু বজাৰ দখল কৰিব পাৰিলেহে এটা জাতি শক্তিশালী হ'ব। কেৱল চৰকাৰী সা-সুবিধালৈ বাট চাই নাথাকি যুৱ প্ৰজন্মই কৃষিকৰ্মত মনোনিৱেশ কৰিব লাগিব। নিজৰ কৃষিভূমি যাতে আনৰ হাতলৈ নাযায় তাৰ প্ৰতি সদাসচেতন হ'ব লাগিব। কথাতে কয়— 'লাগি থাকিলে মাগি নাখায়।' বাৰিষা প্ৰতিবাৰে এনেকৈয়ে আহিব আৰু যাব। এই একে মাদকতাৰে বাৰিষা অনন্ত কাললৈ জীয়াই থাকিব।


*ফোন : ৮৬৩৮২০৩৪৯৩*

## মাদক গোচৰত এদিনতে ১২ জনক ফাঁচি দিলে ইৰানত



**নিউজ ব্যুৰ', তেহৰান, ৮ জুন ঃ** এদিনতে এগৰাকী মহিলাসহ মুঠ ১২ জন লোকক মৃত্যুদণ্ড বিহা হ'ল ইৰানত। দক্ষিণ-পূৱ ইৰানৰ কাৰাগাৰত থকা ১২ জন কয়দীক ফাঁচিকাঠত ওলমালে। হত্যা আৰু নিষিদ্ধ মাদকৰ গোচৰত উক্ত ১২ জন অভিযুক্তক আদালতে দোষী সাব্যস্ত কৰি মৃত্যুদণ্ডৰ ৰায় দিছিল। ইৰানৰ এটি মানৱাধিকাৰ সংগঠনে প্ৰকাশ কৰা অনুসৰি, যোৱা মঙলবাৰে পুৱাতে চিচটান-বালুচিস্তান প্ৰদেশৰ জাহেদিনৰ কাৰাগাৰত ১২ কয়দীক ফাঁচি দিয়া হৈছিল। জাহেদিন অঞ্চলটো আফগানিস্তান আৰু পাকিস্তানৰ সীমান্তত অৱস্থিত। প্ৰকাশিত বাতৰি অনুসৰি, মৃত্যুদণ্ডপ্ৰাপ্ত কয়দীকেইজন সংখ্যালঘু বালুচ সম্প্ৰদায় আৰু ছুন্নী গোষ্ঠীৰ আছিল।

## শ্বাহবাজ চৰকাৰৰ নিৰ্দেশ, বিবাহত অতিথিয়ে লাভ কৰিব এবাৰ খাদ্য, নিশা ১০ বজাৰ পাছত সংগীত নিষিদ্ধ



**নিউজ ব্যুৰ', ইছলামাবাদ, ৮ জুন ঃ** পাকিস্তানৰ প্ৰধানমন্ত্ৰী শ্বাহবাজ শ্বৰীফৰ চৰকাৰে ইছলামাবাদত বিবাহ আয়োজনৰ বাবে কেতবোৰ নিয়ম-নীতি ঘোষণা কৰিলে। ইছলামাবাদত এতিয়াৰে পৰা বিবাহ অনুষ্ঠানত অতিথিয়ে মাত্ৰ এবাৰহে ভোজন লাভ কৰিব। পাকিস্তানত হোৱা ভয়াৱহ মূল্যবৃদ্ধি আৰু বিদ্যুতৰ নাটনিৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে বিবাহৰ ক্ষেত্ৰত এই নিৰ্দেশনা জাৰি কৰিলে। বিবাহ অনুষ্ঠানৰ আয়োজনৰ ক্ষেত্ৰত সময় চৰকাৰে বান্ধি দিয়াৰ লগতে নিশা ১০ বজাৰ পাছত বিবাহত কোনো সংগীত পৰিৱেশন কৰিব নোৱাৰিব বুলি নিৰ্দেশনা দিলে। এইসমূহ নিয়ম-নীতি পালনৰ ক্ষেত্ৰত কঠোৰ দৃষ্টি ৰাখিবলৈ ইছলামাবাদ আৰক্ষী আৰু প্ৰশাসনক চৰকাৰে নিৰ্দেশ দিছে। নিয়ম উলংঘনকাৰীক কঠোৰ শাস্তি বিহাৰো নিৰ্দেশ দিলে প্ৰশাসনে।

## বন্দুকধাৰীৰ আক্ৰমণত ৰক্তাক্ত মেক্সিক'ত পাঁচ শিক্ষাৰ্থীসহ নিহত ছজন



**নিউজ ব্যুৰ', মেক্সিক', ৮ জুন ঃ** আমেৰিকাত বন্দুকধাৰীয়ে পুনৰ ৰক্তাক্ত কাণ্ড সংঘটিত কৰিলে। মেক্সিক'ত ছাত্ৰ-ছাত্ৰীক গুলিবৰ্ষণ কৰিলে বন্দুকধাৰীয়ে। এই ঘটনাত ছজন লোকৰ মৃত্যু হ'ল। নিহতৰ মাজত পাঁচ ছাত্ৰ-ছাত্ৰীৰ লগতে এজন ৬৫ বছৰীয়া লোক আছে। আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি, চেন্ট্ৰেল মেক্সিক'ৰ বেৰন কমিউনিটীত বন্দুকধাৰীয়ে আক্ৰমণ চলাইছিল। ফলত তিনিজন কিশোৰ আৰু দুগৰাকী কিশোৰী ধৰাশায়ী হয়। শিক্ষাৰ্থীকেইজনৰ বয়স ১৬-১৮ বছৰৰ ভিতৰত। এই ঘটনাত ৬৫ বছৰীয়া এজন লোকো নিহত হয়। আক্ৰমণকাৰীৰ সন্ধানত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

## এয়া আফগানিস্তান নহয় ঃ নূপুৰক সমৰ্থন অভিনেত্ৰী কংগনাৰ

**নিউজ ব্যুৰ', মুম্বাই, ৮ জুন ঃ** হজৰত মহম্মদক লৈ বিতৰ্কিত মন্তব্য প্ৰকাশৰ কাৰণত দলৰ পৰা নিলম্বিত হ'ল বিজেপিৰ দুই মুখপাত্ৰ নূপুৰ শৰ্মা আৰু নবীন জিণ্ডাল। দুয়োৰে প্ৰাথমিক সদস্য পদো বিজেপিয়ে বাতিল কৰিলে। এই ঘটনাৰ পাছৰে পৰা নূপুৰে সামাজিক মাধ্যমৰ জৰিয়তে বিভিন্ন ধৰণৰ ভাবুকি লাভ কৰি আহিছে। ইতিমধ্যে নূপুৰ আৰু তেওঁৰ পৰিয়ালক মুম্বাই আৰক্ষীয়ে নিৰাপত্তা প্ৰদান কৰিছে। এনে পৰিস্থিতিত বিজেপিৰ বহিষ্কৃত নেত্ৰীৰ সমৰ্থনত থিয় দিলে বলিউড অভিনেত্ৰী কংগনা ৰণৌট। নূপুৰ শৰ্মাৰ প্ৰসংগত ইনষ্টাগ্ৰামত কংগনাই মন্তব্য কৰি এইদৰে কয়, 'নূপুৰে নিজৰ মত প্ৰকাশ কৰিছে। দেখিবলৈ পালো যে তেওঁক বিভিন্নজনে ক্ৰমাগত ভাবুকি দিছে। কিন্তু যেতিয়া কোনো হিন্দু দেৱতাৰ অপমান কৰা হয়, যিটো কাম তেওঁলোকে প্ৰায়ে কৰি আহিছে, আমি তেতিয়া আদালতৰ দ্বাৰস্থ হওঁ। অনুগ্ৰহ কৰি আইনৰ সেই পথকে পালন কৰক, নিজকে ডন বুলি নাভাবিব। এইখন আফগানিস্তান নহয়। গণতান্ত্ৰিক পদ্ধতিৰে নিৰ্বাচিত এখন চৰকাৰ আমাৰ আছে। যিসকলে এই কথা পাহৰি গৈছে তেওঁলোকক সোঁৱৰাই দিলো।'



### স্বৰ্ণ কেলেংকাৰিৰ মুখ্য অভিযুক্ত স্বপ্নাৰ চাঞ্চল্যকৰ দাবী ঃ স্বপ্নাৰ অভিযোগ অস্বীকাৰ কৰিলে মুখ্যমন্ত্ৰী বিজয়নে

## বিৰিয়ানিৰ পেকেটত কেৰালাৰ মুখ্যমন্ত্ৰীৰ ঘৰলৈ প্ৰেৰণ কৰিছিল সোণ

**নিউজ ব্যুৰ' কোচি, ৮ জুন ঃ** যোৱা বছৰত কেৰালা বিধানসভাৰ নিৰ্বাচনৰ পূৰ্বে ৰাজ্যখনত সোণৰ চোৰাং সৰবৰাহৰ এক অভিযোগে চাঞ্চল্যৰ সৃষ্টি কৰিছিল। কেৰালাৰ ৰাজনীতিত স্বৰ্ণ কেলেংকাৰিৰ এই অভিযোগে বিশেষ চৰ্চা লাভ কৰিছিল। এই কেলেংকাৰিৰ মুখ্য অভিযুক্ত স্বপ্না সুৰেশে কালি কেৰালাৰ মুখ্যমন্ত্ৰী পিনাৰাই বিজয়ন, তেওঁৰ পৰিয়ালৰ সদস্য আৰু কেইজনমান বিষয়াৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰিলে। স্বপ্নাৰ অভিযোগ অনুসৰি, ২০১৬ বৰ্ষত বিজয়নৰ ডুবাই যাত্ৰাৰ সময়ত ইউ এ ইত স্বৰ্ণমুদ্ৰাৰ চোৰাং সৰবৰাহ কৰা হৈছিল। ইউ এ ইৰ মহাবাণিজ্য দূতৰ আবাসত একাধিকবাৰ সোণৰ চোৰাং সৰবৰাহ কৰা হৈছিল বুলিও স্বপ্নাই দাবী কৰিছে। স্বপ্নাৰ অভিযোগ অনুসৰি মুখ্যমন্ত্ৰী বিজয়নৰ বাসগৃহলৈ সোণৰ বিস্কুট বিৰিয়ানিৰ বাকচত ভৰাই গোপনে সৰবৰাহ কৰা হৈছিল।



অৱশ্যে স্বপ্নাৰ এই অভিযোগ অস্বীকাৰ কৰিলে কেৰালাৰ মুখ্যমন্ত্ৰীজনে। বিজয়নে এই অভিযোগ সম্পূৰ্ণ মনেসজা আখ্যা দি ইয়াক এক ৰাজনৈতিক ষড়যন্ত্ৰ বুলি কয়। উল্লেখ্য যে স্বৰ্ণ কেলেংকাৰিৰ গোচৰত স্বপ্নাই পূৰ্বে মুখ্যমন্ত্ৰীৰ প্ৰাক্তন মুখ্য সচিব এম শিৱশংকৰৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰিছিল যদিও এই কেলেংকাৰিত প্ৰথমবাৰৰ বাবে মুখ্যমন্ত্ৰী বিজয়নৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰিলে। ১৬ মাহ কাৰাগাৰত থকাৰ পাছত জামিনত মুক্তি লাভ কৰা স্বপ্নাই টেলিভিছনৰ এক সাক্ষাৎকাৰত কয় যে এই গোচৰত ই ডিয়ে মুখ্যমন্ত্ৰীৰ নাম ল'বলৈ তেওঁক হেঁচা দিয়া নাছিল। এৰ্নাকুলম জিলা আদালতৰ চৌহদত সাংবাদিকৰ আগত স্বপ্নাই দাবী কৰি কয় যে মুখ্যমন্ত্ৰী বিজয়ন, তেওঁৰ পত্নী কমলা, কন্যা বীণা, শিৱশংকৰ, প্ৰাক্তন ব্যক্তিগত সচিব চি এম ৰবিন্দ্ৰন, প্ৰাক্তন মন্ত্ৰী কে টি জলিল আৰু প্ৰাক্তন আই এ এছ বিষয়া নলিনী নেট্ট'ৰে ৰাজনৈতিক চেনেলৰ মাধ্যমৰে সোণৰ চোৰাং সৰবৰাহ কৰিছিল।



## ইৰানত লাইনচ্যুত হ'ল ৰেল, ১৭ যাত্ৰীৰ মৃত্যু


**নিউজ ব্যুৰ' তেহৰান, ৮ জুন ঃ** পূৱ ইৰানত এখন যাত্ৰীবাহী ৰেল লাইনচ্যুত হোৱাৰ ফলত কমেও ১৭ জন যাত্ৰীৰ মৃত্যু হ'ল। এই ঘটনাত ৫০ জনৰো অধিক যাত্ৰী গুৰুতৰভাৱে আহত হৈছে। ইৰানৰ চৰকাৰী টিভি চেনেলৰ বাতৰি অনুসৰি, আজি পুৱাতে টবাছ চহৰৰ ওচৰত এখন যাত্ৰীবাহী ৰেলৰ চাৰিটা দবা লাইনচ্যুত হৈছিল। ঘটনাস্থলীৰ পৰা ১০ জন যাত্ৰীৰ মৃতদেহ উদ্ধাৰ কৰা হয়। পাছত চিকিৎসাধীন অৱস্থাত আন সাতজন যাত্ৰীৰ মৃত্যু হয়। বৰ্তমানে কমেও ৫০ জন যাত্ৰী চিকিৎসাধীন হৈ আছে আৰু কে'বাজনৰো অৱস্থা সংকটজনক।



## ভয়াৱহ দুৰ্ঘটনা পাকিস্তানত, পাহাৰৰ পৰা গাড়ী বাগৰি ২২ যাত্ৰীৰ মৃত্যু

**নিউজ ব্যুৰ' লাহোৰ, ৮ জুন ঃ** পাকিস্তানত সংঘটিত হ'ল এক ভয়াৱহ পথ দুৰ্ঘটনা। দেশখনৰ বালুচিস্তানত পাহাৰৰ পৰা এশ ফুট তললৈ এখন গাড়ী বাগৰি পৰাৰ ফলত ২২ যাত্ৰীৰ মৃত্যু হয়। গাড়ীখনৰ পৰা এজন কিশোৰক আহত অৱস্থাত উদ্ধাৰ কৰা হৈছে। প্ৰকাশিত বাতৰি অনুসৰি পাহাৰীয়া পথৰে যাত্ৰা কৰাৰ সময়ত গাড়ীখনৰ চালকে নিয়ন্ত্ৰণ হেৰুওৱাৰ ফলত এই দুৰ্ঘটনা সংঘটিত হোৱা বুলি আৰক্ষীয়ে সন্দেহ কৰিছে। মৃতকৰ মাজত পাঁচগৰাকী মহিলা আৰু পাঁচটা শিশুও আছে।

## ২১ অনূৰ্ধ্ব বয়সৰ লোকক আগ্নেয়াস্ত্ৰ বিক্ৰী কৰিব নোৱাৰিব নিউ য়ৰ্কত



**নিউজ ব্যুৰ', নিউ য়ৰ্ক, ৮ জুন ঃ** দেশৰ আগ্নেয়াস্ত্ৰ আইন অধিক কঠোৰ কৰাৰ ঘোষণা ইতিমধ্যে আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে কৰিছে। এইবাৰ ৰাষ্ট্ৰপতিৰ উক্ত ঘোষণালৈ সঁহাৰি দিলে নিউ য়ৰ্কৰ গভৰ্ণৰ কেথি হ'কুলে। কালি নিউ য়ৰ্কৰ আগ্নেয়াস্ত্ৰ আইন সলনি কৰাৰ বাবে কে'বাখনো বিধেয়কত স্বাক্ষৰ কৰিলে ডেম'ক্ৰেট নেত্ৰী কেথিয়ে। ইয়াৰে অন্যতম হ'ল ছেমিঅট'মেটিক ৰাইফল ক্ৰয়ৰ বয়সৰ সীমা বৃদ্ধি। পূৰ্বে নিউ য়ৰ্কৰ বাসিন্দাই ১৮ বছৰ বয়সতে আগ্নেয়াস্ত্ৰ ক্ৰয়ৰ অনুমতি লাভ কৰিছিল। কিন্তু নতুন আইন অনুসৰি, নিউ য়ৰ্কত ২১ বছৰ বয়স হ'লেহে আগ্নেয়াস্ত্ৰ ক্ৰয়ৰ অনুমতি লাভ কৰিব। তদুপৰি আমেৰিকাৰ এইখন প্ৰদেশত এতিয়াৰে পৰা আগ্নেয়াস্ত্ৰ ক্ৰয়ৰ বাবে প্ৰয়োজন হ'ব বিশেষ অনুজ্ঞাপত্ৰৰ।

## ইছলামিক দেশৰ কথা শুনে মোদীয়ে, ভাৰতীয় মুছলমানৰ নহয় ঃ সৰৱ ওৱেইছি


**নিউজ ব্যুৰ', হায়দৰাবাদ, ৮ জুন ঃ** নৰেন্দ্ৰ মোদীয়ে কেৱল ইছলামিক দেশৰ কথা শুনে। কিন্তু নিজ দেশৰ মুছলমানৰ কথা তেওঁ নুশুনে। হজৰত মহম্মদ বিতৰ্কত এইদৰে ক'লে এআইএমআইএমৰ মুৰব্বী তথা হায়দৰাবাদৰ সাংসদ আছাদুদ্দিন ওৱেইছিয়ে। মধ্যপ্ৰাচ্যৰ ইছলামিক দেশসমূহে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ পাছত পয়গম্বৰ সন্দৰ্ভত বিতৰ্কিত মন্তব্য প্ৰকাশ কৰা দুই নেতা নূপুৰ শৰ্মা আৰু নবীন জিণ্ডালৰ বিৰুদ্ধে বিজেপিয়ে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিলে। এই প্ৰসংগ উত্থাপন কৰি কালি মহাৰাষ্ট্ৰত এখন সভাত ওৱেইছিয়ে প্ৰধানমন্ত্ৰী মোদীক কটাক্ষ কৰি কয়, 'প্ৰধানমন্ত্ৰীয়ে ভাৰতীয় মুছলমানৰ কথা পাট্টা নিদিয়ে।



ভাৰতৰ নাগৰিকৰ কথা কৰ্ণপাত নকৰে তেওঁ। সেই কাৰণে প্ৰধানমন্ত্ৰীৰ প্ৰতি আমি অত্যন্ত অসন্তুষ্ট। বিদেশৰ মানুহে যেতিয়া এই বিতৰ্কিত মন্তব্যৰ বিৰুদ্ধে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে, তেতিয়া শাস্তিমূলক পদক্ষেপ গ্ৰহণ কৰা হ'ল।' নূপুৰ আৰু নবীনৰ নাম উল্লেখ নকৰাকৈ ওৱেইছিয়ে লগতে কয় যে হজৰত মহম্মদক লৈ যি ব্যক্তিয়ে বিতৰ্কিত মন্তব্য কৰিছে, তেওঁলোকক গ্ৰেপ্তাৰ কৰা উচিত। 'আমি যদি এতিয়া প্ৰধানমন্ত্ৰীক অসন্মানজনক কথা কওঁ, কাইলৈকে আমাক গ্ৰেপ্তাৰ কৰাৰ দাবী জনাব বিজেপিয়ে। মহম্মদক লৈ বিতৰ্কিত মন্তব্যৰ ১০ দিন পাছতো কোনো ব্যৱস্থা লোৱা নাছিল। আমি এই বক্তব্যৰ প্ৰতিবাদ জনাইছিলো। কিন্তু যেতিয়া ইছলামিক দেশে প্ৰতিবাদ কৰিলে, তাৰ পাছতহে পদক্ষেপ ল'লে বিজেপিয়ে।' ওৱেইছিয়ে এইদৰে কয়।

## ডনবাছত এইবাৰ সন্মুখ সমৰত ৰাছিয়া-ইউক্ৰেইনৰ সেনা


**নিউজ ব্যুৰ' কীভ, ৮ জুন ঃ** বিগত এশ দিনৰো অধিক ধৰি ইউক্ৰেইন আৰু ৰাছিয়াৰ মাজত ক্ষেপণাস্ত্ৰৰ আক্ৰমণ অব্যাহত আছে। এইবাৰ সন্মুখ সমৰত অৱতীৰ্ণ হ'ল ৰাছিয়া আৰু ইউক্ৰেইনৰ সেনাবাহিনী। পূব ইউক্ৰেইনৰ ডনবাছ অঞ্চলৰ ছেভেৰ'ডনেৎস্ক চহৰত এইদৰে পৰস্পৰৰ স'তে সন্মুখ সমৰত লিপ্ত হৈছে ৰাছিয়া আৰু ইউক্ৰেইনৰ সেনা। যোৱা নিশা এক ভিডিঅ' বাৰ্তাত ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ্লাদিমীৰ জেলেন'স্কিয়ে



এই কথা প্ৰকাশ কৰি কয়, 'ছেভেৰ'ডনেৎস্কত ৰাজপথত দুই বাহিনীৰ মুখামুখি সংঘৰ্ষ অতি তীব্ৰতৰ হৈছে। আমাৰ সেনা, আমাৰ নায়কসকলে অৱশ্যে হাৰ মনা নাই। তেওঁলোক (ৰুছ সেনা) অৱশ্যে অধিক শক্তিশালী। কিন্তু ডনবাছৰ ইউক্ৰেইনৰ সেনাই কোনো সুযোগ এৰি দিয়া নাই। ৰুছ সেনাক উচিত প্ৰত্যুত্তৰ দিছে আমাৰ সেনা বাহিনীয়ে।' উল্লেখ্য যে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমীৰ পুটিনে শেহতীয়াভাৱে পূব ইউক্ৰেইনৰ ডনবাছত ৰুছ সেনাক অধিক আগ্ৰাসী হ'বলৈ নিৰ্দেশ দিছে। ডনবাছৰ লুহানস্ক আৰু ডনেৎস্ক প্ৰদেশৰ গুৰুত্বপূৰ্ণ চহৰ ইতিমধ্যে ৰুছ সেনাই দখল কৰিছে। এইবাৰ পুটিন বাহিনীয়ে সমগ্ৰ ডনবাছ দখল কৰিবলৈ উঠি পৰি লাগিছে। কিন্তু সন্মুখ সমৰত অৱতীৰ্ণ হৈ ৰুছ সেনাৰ প্ৰত্যাহ্বান গ্ৰহণ কৰিছে জেলেন'স্কিৰ বাহিনীয়ে। ৰাছিয়াই ডনবাছ দখলৰ বাবে বিশাল বাহিনী আৰু সেনা সৰঞ্জাম প্ৰেৰণ কৰিছে। কিন্তু ইউক্ৰেইনৰ সেনা বাহিনীয়ে তীব্ৰ প্ৰতিৰোধ অব্যাহত ৰাখিছে। ইউক্ৰেইনৰ দাবী অনুসৰি ৰাছিয়াই দেশখনৰ কমেও ২০টা অঞ্চলত আক্ৰমণ চলাই আহিছে। কিন্তু এই দাবী আজি অস্বীকাৰ কৰিলে মস্কোৱে। স্মৰ্তব্য যে যোৱা ২৪ ফেব্ৰুৱাৰীত ৰাছিয়াই ইউক্ৰেইনত আক্ৰমণ আৰম্ভ কৰিছিল। এই যুদ্ধৰ এশ দিনৰো অধিক হ'ল যদিও সমাপ্তিৰ কোনো লক্ষণ বৰ্তমানলৈকে প্ৰকট হোৱা নাই।

## দৈনিক সংক্ৰমণ ৪১ শতাংশ বৃদ্ধি, এদিনত ৫,২৩৩ জন হ'ল আক্ৰান্ত

**নিউজ ব্যুৰ', নতুন দিল্লী, ৮ জুন ঃ** দেশত পুনৰ বৃদ্ধি পালে ক'ভিডকেন্দ্ৰিক উদ্বেগ। বিগত ২৪ ঘণ্টাত ভাৰতত ক'ভিডৰ সংক্ৰমণ ৪১ শতাংশ বৃদ্ধি পালে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি, দেশত এদিনত নতুনকৈ কৰ'না আক্ৰান্ত হ'ল ৫,২৩৩ জন লোক। ইফালে যোৱা ২৪ ঘণ্টাত ক'ভিডত মৃত্যু হ'ল সাতজন লোকৰ। বৰ্তমানে ভাৰতত ২৮,৮৫৭ জন সক্ৰিয় ক'ভিড ৰোগী আছে। যোৱা ২৪ ঘণ্টাত মহাৰাষ্ট্ৰত নতুনকৈ ক'ভিড আক্ৰান্ত হ'ল ১,৮৮১ জন লোক। কেৱল মুম্বাইতে বিগত এদিনত ক'ভিড সংক্ৰমিত হ'ল ১,২৪২ জন লোক।



## ক্ষেপণাস্ত্ৰ পৰীক্ষণ এৰি আলোচনাত অংশ ল'বলৈ কীমক আহ্বান আমেৰিকা-জাপানৰ



**নিউজ ব্যুৰ', ছিউল, ৮ জুন ঃ** উত্তৰ কোৰিয়াই ধাৰাবাহিকভাৱে ক্ষেপণাস্ত্ৰৰ পৰীক্ষণ অব্যাহত ৰখাত আকৌ এবাৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে দক্ষিণ কোৰিয়া, আমেৰিকা আৰু জাপানে। তিনি ৰাষ্ট্ৰই উত্তৰ কোৰিয়াৰ শেহতীয়া কাৰ্যকলাপত উদ্বেগ প্ৰকাশ কৰি কয় যে এয়া সম্পূৰ্ণৰূপে অবৈধ আৰু উচটনিমূলক কাৰ্য। আমেৰিকা, জাপান আৰু দক্ষিণ কোৰিয়াই উত্তৰ কোৰিয়াক আহ্বান জনাই কয় যে ক্ষেপণাস্ত্ৰৰ পৰীক্ষণৰ পৰিৱৰ্তে কীম জং উনৰ দেশখনে আলোচনাৰ বাবে আগবাঢ়ি অহা উচিত। ছিউলত দক্ষিণ কোৰিয়া, আমেৰিকা আৰু জাপানৰ প্ৰতিনিধিয়ে এক বৈঠকত অংশ লোৱাৰ তিনিদিন পাছতে উত্তৰ কোৰিয়াই ধাৰাবাহিক ক্ষেপণাস্ত্ৰৰ পৰীক্ষণ চলাইছিল। কীমৰ এই কাৰ্যত অসন্তুষ্টি ব্যক্ত কৰি তিনি ৰাষ্ট্ৰই কয় যে এনে ধৰণৰ উচটনিমূলক পদক্ষেপ গ্ৰহণ কৰাৰ পৰিৱৰ্তে উত্তৰ কোৰিয়াই আন্তৰ্জাতিক আইন পালন কৰাৰ লগতে শান্তি স্থাপনত সহযোগিতা কৰা উচিত।

## ভয়াৱহ খাদ্য সংকট অব্যাহত, সাৰ ক্ৰয়ৰ বাবে ভাৰতৰ পৰা ঋণ বিচাৰিলে শ্ৰীলংকাই

**নিউজ ব্যুৰ' কলম্বো, ৮ জুন ঃ** আৰ্থিক সংকটত জৰ্জৰিত শ্ৰীলংকাত খাদ্য সংকটে অধিক ভয়াৱহ ৰূপ ধাৰণ কৰিছে। একে সময়তে নাগৰিকসকলে বিদ্যুৎ যোগানৰ পৰাও বঞ্চিত হৈছে। ৰন্ধন গেছৰ অভাৱত প্ৰায়বোৰ পৰিয়ালে খাদ্য প্ৰস্তুত কৰিবলৈ গৈ ভয়াৱহ সমস্যাৰ সন্মুখীন হৈছে। হাতত ধন থাকিলেও ক্ৰয় কৰিবলৈ বজাৰত নাই প্ৰয়োজনীয় নিত্য ব্যৱহাৰ্য সা-সামগ্ৰী।আনকি বিশাল অট্টালিকা, বিলাসী গাড়ীৰ গৰাকীয়েও সম্প্ৰতি শ্ৰীলংকাত এবেলা আহাৰ গ্ৰহণ কৰিয়ে জীৱন যাপন কৰিব লগা হৈছে। এনে অৱস্থাতে কিছুদিন



পূৰ্বে শ্ৰীলংকাক ৭০ কোটি মাৰ্কিন ডলাৰৰ সাহায্য প্ৰদানৰ কথা ঘোষণা কৰিছিল বিশ্ব বেংকে। কিন্তু ইয়াৰ পাছতো পৰিস্থিতি উন্নত নোহোৱাত এইবাৰ ভাৰতৰ পৰা বিত্তীয় সাহায্য বিচাৰিলে প্ৰতিবেশী দেশখনে। প্ৰকাশিত বাতৰি অনুসৰি, সাৰ ক্ৰয়ৰ বাবে ভাৰতৰ পৰা সাত কোটি মাৰ্কিন ডলাৰৰ সাহায্য বিচাৰিছে দ্বীপৰাষ্ট্ৰখনে। শ্ৰীলংকাৰ নতুন প্ৰধানমন্ত্ৰী ৰনিল বিক্ৰমসিংঘেয়ে প্ৰকাশ কৰা অনুসৰি দেশখনত খাদ্য সংকটে অধিক ভয়াৱহ ৰূপ ধাৰণ কৰাৰ শংকা আছে। এতিয়াই প্ৰয়োজনীয় সাৰ মজুত কৰি নাৰাখিলে কৃষিকাৰ্যত নেতিবাচক প্ৰভাৱ পৰিব আৰু সেয়েহে ভাৰতৰ পৰা সাৰ ক্ৰয় কৰিবলৈ বিত্তীয় সাহায্য বিচাৰিলে বিক্ৰমসিংঘে চৰকাৰে।




## ১৩ বছৰীয়া পুৰণি গোচৰত দোষী সাব্যস্ত লালুক জৰিমনা আদালতৰ

**নিউজ ব্যুৰ' ৰাঁচী, ৮ জুন ঃ** আৰ জে ডিৰ মুৰব্বী তথা বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী লালুপ্ৰসাদ যাদৱক ঝাৰখণ্ডৰ পালামুণ্ডৰ এখন বিশেষ আদালতে ছহেজাৰ টকাৰ জৰিমনা বিহিলে। ১৩ বছৰ পুৰণি নিৰ্বাচনী বিধি উলংঘনৰ গোচৰত আদালতে লালুক দোষী সাব্যস্ত কৰি জৰিমনা বিহিলে। ২০০৯ বৰ্ষৰ আদৰ্শ আচৰণ বিধি লংঘনৰ গোচৰত লালুৱে বিশেষ সাংসদ-বিধায়ক আদালতত আজি উপস্থিত হৈছিল। লালুৰ অধিবক্তাই আজি সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰি কয়, 'বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা আৰ জে ডিৰ মুৰব্বী লালুপ্ৰসাদ যাদৱৰ আবেদনৰ শুনানিৰ পাছত আদালতে তেওঁক ছহেজাৰ টকাৰ জৰিমনা বিহিলে।'

## দিল্লীৰ স্বাস্থ্যমন্ত্ৰী-সহযোগীৰ বিৰুদ্ধে ই ডিৰ তালাচীত ১৩৩ স্বৰ্ণমুদ্ৰা, ২.৮২ কোটি নগদ ধন জব্দ

**নিউজ ব্যুৰ', নতুন দিল্লী, ৮ জুন ঃ** অবৈধ ধন সৰবৰাহৰ গোচৰত গ্ৰেপ্তাৰ হোৱা দিল্লীৰ স্বাস্থ্য মন্ত্ৰী তথা আম আদমী পাৰ্টি (আপ)ৰ নেতা সত্যেন্দ্ৰ জৈন আৰু তেওঁৰ সহযোগীৰ ঘৰত তালাচী চলাই প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)-এ কে'বা কোটি নগদ ধন আৰু সোণ জব্দ কৰিলে। ই ডিয়ে যোৱা সোমবাৰে একাধিক ঠিকনাত তালাচী চলাইছিল আৰু এই তালাচীত অস্পষ্ট উৎসৰ পৰা পি এম এল এৰ জৰিয়তে ২.৮২ কোটি টকাৰ নগদ ধন আৰু ১৩৩ স্বৰ্ণমুদ্ৰা জব্দ কৰিছিল। ই ডিয়ে কালি এক বিবৃতিত এই কথা প্ৰকাশ কৰিছিল। স্বাস্থ্যমন্ত্ৰী জৈন আৰু তেওঁৰ সহযোগীৰ ঠিকনাৰ পৰা ই ডিয়ে নগদ ২.৮২ কোটি টকা আৰু ১৩৩ স্বৰ্ণমুদ্ৰা জব্দ কৰাৰ কথা



সদৰী কৰাৰ পাছত কংগ্ৰেছ নেত্ৰী অলকা লাম্বাই টুইট কৰি দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক কটাক্ষ কৰিলে। টুইটত কংগ্ৰেছ নেত্ৰীগৰাকীয়ে কয়, 'ইয়াৰ জৰিয়তে প্ৰমাণ হ'ল যে অৰবিন্দ কেজৰিৱাল 'আম' নহয়, 'বেইমান' আদমী হয়।' স্বাস্থ্যমন্ত্ৰী জৈনৰ বিৰুদ্ধে ই ডিয়ে উত্থাপন কৰা অভিযোগ অনুসৰি, মন্ত্ৰীজনে দিল্লীৰ একাধিক ভুৱা কোম্পানী ক্ৰয় কৰিছিল। তদুপৰি কলকাতাত তিনিটা হাৱালা অপাৰেটৰৰ ৫৪ ভুৱা কোম্পানীৰ মাধ্যমৰে ১৬.৩৯ কোটি টকাৰ ক'লা ধন জৈনে বগা কৰাৰো অভিযোগ কেন্দ্ৰীয় তদন্তকাৰী সংস্থাটোৱে উত্থাপন কৰিছে।

## হিজাব বিতৰ্ক ঃ কৰ্ণাটকত বিজেপি নেতা, শ্ৰীৰাম সেনাৰ মুৰব্বীক মুণ্ডচ্ছেদৰ ভাবুকি

**নিউজ ব্যুৰ', বাংগালুৰু, ৮ জুন ঃ** কৰ্ণাটকত পুনৰ হিজাব বিতৰ্কৰ সূত্ৰপাত হ'ল। শিক্ষানুষ্ঠানৰ পোছাক বিধি উলংঘন কৰি শ্ৰেণীকোঠাত হিজাব পৰিধান কৰাৰ অভিযোগত কৰ্তৃপক্ষই অলপতে ২৪ গৰাকী ছাত্ৰীক নিলম্বন কৰিছিল। কৰ্ণাটকৰ এখন শিক্ষানুষ্ঠানত এই ঘটনা সংঘটিত হ'ল। এনে পৰিস্থিতিতে সামাজিক মাধ্যমৰ জৰিয়তে বিজেপিৰ নেতা যশপাল সুভৰ্ণা আৰু শ্ৰীৰাম সেনাৰ মুৰব্বী প্ৰমোদ মুথালিকক মুণ্ডচ্ছেদৰ ভাবুকি দিলে দুষ্কৃতিকাৰীয়ে। ইয়াৰ পাছতে আকৌ এবাৰ কৰ্ণাটকত হিজাবক লৈ নতুন বিতৰ্কৰ সৃষ্টি হৈছে। কলেজ পৰিচালনা সমিতিৰ এজন সদস্য হৈছে বিজেপি নেতা যশপাল। মুণ্ডচ্ছেদৰ ভাবুকি লাভ কৰা যশপালে আজি ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত কয়, 'সামাজিক মাধ্যমত এই ধৰণৰ ঘটনা সাধাৰণ কথা। আমি যিহেতু দেশৰ হৈ কাম কৰো, সেয়েহে দেশবিৰোধী সংগঠন আৰু বিশ্বাসঘাতকে এনে ভাবুকি দিব পাৰে। আমি এনেবোৰ ভাবুকিক গুৰুত্ব নিদিওঁ। এয়া জীৱনৰ অংক। আমি সংবিধান মানি কাম কৰো। অৱশ্যে এইদৰে ভাবুকি দিয়াৰ আঁৰত স্থানীয় কোন ব্যক্তি জড়িত আছে সেয়া আমি নিশ্চিতভাৱে বিচাৰি উলিয়াম।' উল্লেখ্য যে কৰ্ণাটক চৰকাৰে যোৱা পাঁচ ফেব্ৰুৱাৰীত শিক্ষানুষ্ঠানত হিজাব পৰিধান নিষিদ্ধ কৰি এক নিৰ্দেশনা জাৰি কৰিছিল। ইয়াৰ পাছৰে পৰা ৰাজ্যখনত অব্যাহত আছে হিজাব পৰিধানক লৈ বিতৰ্ক।



## ষষ্ঠ স্থানপ্ৰাপ্ত বিতুপন মেধিক গোৱালপাৰা প্ৰেছ ক্লাবত সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ৮ জুন ঃ** সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ষষ্ঠ স্থান দখল কৰি গোৱালপাৰালৈ গৌৰৱ কঢ়িয়াই অনা মাটিয়াৰ এছ টি চেবাষ্টিয়ানছ স্কুলৰ ছাত্ৰ বিতুপন মেধিক আজি বিভিন্ন দল-সংগঠনে সম্বৰ্ধনা জ্ঞাপন কৰে। এই উপলক্ষে সমাজকৰ্মী ননী কুমাৰ দাসৰ পৌৰোহিত্যত গোৱালপাৰা প্ৰেছ ক্লাবত অনুষ্ঠিত হোৱা এক সভাত ধুবুৰী বি এন কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° অহিজুদ্দিন শ্বেখ, গোৱালপাৰা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক প্ৰদীপ কুমাৰ শীল, সমাজকৰ্মী শৈলেন দাস আৰু গোৱালপাৰা প্ৰেছ ক্লাবৰ সম্পাদক ৰপ্তাৰুল ইছলামে কৃতী ছাত্ৰজনৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি বক্তব্য ৰাখে। ইফালে, ননী কুমাৰ দাসৰ লগতে উল্লিখিত লোকসকলৰ উপৰি গোৱালপাৰা জিলাৰ ভাৰতীয় ছাত্ৰ ফেডাৰেছনৰ সাকিয়ুজ জামান, যুৱ ফেডাৰেছনৰ সভাপতি গালিব হুছেইন আৰু চিপিআই (এম)ৰ সম্পাদক পাৰভেজ আলীয়ে কৃতী ছাত্ৰজনক একোখনকৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়।

# গোসাঁইগাঁৱত শিক্ষান্ত পৰীক্ষাত ব্যক্তিগত শিক্ষানুষ্ঠান শীৰ্ষত

## ■ গোসাঁইগাঁও চহৰৰ শাস্ত্ৰী বিদ্যাপীঠৰ ফলাফল শূন্য

অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ, ৮ জুন ঃ** কালি ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু অসম হাই মাদ্ৰাছা পৰীক্ষাৰ ফলাফলে গোসাঁইগাঁও মহকুমাত বিশেষ তাৎপৰ্য বহন কৰিছে। কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত মুঠ আঠটাকৈ পৰীক্ষা কেন্দ্ৰৰ ফলাফলে চৰকাৰী বিদ্যালয়তকৈ বেচৰকাৰী তথা ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানৰ ফলাফল শ্ৰেষ্ঠতৰ বুলি প্ৰতিপন্ন হৈছে। মহকুমাৰ আঠখন পৰীক্ষা কেন্দ্ৰ ক্ৰমে গোসাঁইগাঁও উচ্চৰ মাধ্যমিক বিদ্যালয়, গুৰুফেলা হাইস্কুল, জাৰাগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়, কাচুগাঁও পাব্লিক হাইস্কুল, কাশিয়াবাৰী হাইস্কুল, ভাওৰাগুৰী-বিন্যাখাতা উচ্চতৰ মাধ্যমিক বিদ্যালয়, গ্ৰাহামপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু তুলসীবিল উচ্চতৰ মাধ্যমিক বিদ্যালয় আদিত সৰ্বমুঠ ৪১০৭ পৰীক্ষাৰ্থীয়ে অৱতীৰ্ণ হোৱাৰ বিপৰীতে ১৬৪৪জন পৰীক্ষাৰ্থী উত্তীৰ্ণ হৈছে। সেই হিচাপত উত্তীৰ্ণৰ হাৰ ৪০ শতাংশ। উল্লেখ্য যে ইয়াৰে ৩৮১ পৰীক্ষাৰ্থীয়ে প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে। মহকুমাৰ চৰকাৰী বিদ্যালয়সমূহতকৈ বেচৰকাৰী তথা ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানৰ ফলাফল অধিক ভাল হোৱা পৰিলক্ষিত হৈছে। গোসাঁইগাঁও চহৰৰ নিচেই কাষত অৱস্থিত ছেণ্ট এন্টোনিছ মিছন ইংলিছ হাইস্কুলৰ ৭০গৰাকী প্ৰথমত উত্তীৰ্ণসহ হাৰ ৯৫.৭৮ শতাংশ, ডিকে ৰোডত অৱস্থিত লয়লা স্কুল, কাঠালগুৰিৰ উত্তীৰ্ণৰ হাৰ ৯২.৫ শতাংশ, বসগাঁওস্থিত ছেণ্ট মেথিউ ইংলিছ মিডিয়াম স্কুলৰ উত্তীৰ্ণৰ হাৰ ৯০.৪৮ শতাংশ। ইয়াৰ বিপৰীতে চৰকাৰী খণ্ডৰ শিমুলটাপু হাইস্কুলে ২৩গৰাকী প্ৰথমত উত্তীৰ্ণসহ ৭৮.৪৩ শতাংশ উত্তীৰ্ণ হৈছে। ইয়াৰে নুৰ উদ্দিন তালুকদাৰে ৯২.৩৩ শতাংশ নম্বৰ লাভ কৰিবলৈ সক্ষম হৈছে। পৰীক্ষাৰ্থীৰ ফলাফলৰ ক্ষেত্ৰত ছেণ্ট এন্থনী মিছনাৰী ইংলিছ হাইস্কুলৰ ছাত্ৰী সাগৰিকা বৰ্মনে ৯৪.১৬ শতাংশৰে মহকুমাটোত প্ৰথম স্থান দখল কৰাৰ বিপৰীতে লয়লা স্কুল, কাঠালগুৰীৰ ছাত্ৰী প্ৰীয়াক্ষি ৰায়ে ৯৩.৩ শতাংশৰে দ্বিতীয় স্থান দখল কৰিছে। মহকুমাৰ ভিতৰত ৯৩.১৬ শতাংশৰে তৃতীয় স্থান দখল কৰা চাওতাল জনগোষ্ঠীৰ অঞ্চলি মাৰ্ডিক সদৌ চাওতাল ছাত্ৰ সন্থাৰ চাওতাল কল'নী আঞ্চলিক সমিতিয়ে সম্বৰ্ধনা জ্ঞাপন কৰে। ইয়াৰ বিপৰীতে গোসাঁইগাঁও চহৰৰ মাজমজিয়াত অৱস্থিত শাস্ত্ৰী বিদ্যাপীঠ হাইস্কুলৰ ১২জন পৰীক্ষাৰ্থীয়ে পৰীক্ষাত অৱতীৰ্ণ হৈছিল যদিও তাৰ এজনো উত্তীৰ্ণ হ'বলৈ সক্ষম হোৱা নাই। সাতজনকৈ শিক্ষক থকা বিদ্যালয়খনত ফলাফল সন্দৰ্ভত প্ৰধান শিক্ষক শংকৰ দেৱনাথে এই ফলাফলৰ বাবে কৰ'না মহামাৰীক দায়ী বুলি অভিহিত কৰি নিজৰ ব্যৰ্থতাক ঢাকিবলৈ চেষ্টা কৰে।

# বকোত ৯১.৮৩ শতাংশৰে উজলিল শ্ৰদ্ধা শৰ্মা

## ■ শিক্ষামন্ত্ৰী পদাৰ্পণ কৰা বিদ্যালয়ত মেট্ৰিকৰ ফলাফল শূন্যক লৈ উদ্বেগ প্ৰকাশ বিধায়িকা নন্দিতা দাসৰ

অগ্ৰদূত বাৰ্তা

**বকো, ৮ জুন ঃ** কালি ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষা ফলাফলত বকোৰ শ্ৰদ্ধা শৰ্মাই মোমায়েকৰ নাম উজলাই তুলিলে। পিতৃৰ পৰা বিচ্ছেদ হৈ দৰিদ্ৰতাৰ মাজত পাৰ কৰা শ্ৰদ্ধা শৰ্মাসহ মাতৃ পাছলৈ মোমায়েকৰ ঘৰত আশ্ৰয় ল'বলৈ বাধ্য হৈছিল। মাতৃৰ স'তে বিগত ১১-১২ বছৰে মোমায়েকৰ ছত্ৰছায়াত অধ্যয়নৰত মেধাৱী ছাত্ৰী শ্ৰদ্ধা শৰ্মাই ৯১.৮৩ শতাংশৰে উত্তীৰ্ণ হৈছে। বকো ডনবস্ক' হাইস্কুলৰ পৰা শ্ৰদ্ধা শৰ্মাই অসমীয়াত ৯১, ইংৰাজীত ১০০, সাধাৰণ গণিতত ৯৩, সাধাৰণ বিজ্ঞানত ৯১, সমাজ বিজ্ঞানত ৯৬, উচ্চ গণিতত (ঐচ্ছিক বিষয়) ৮০ মুঠ ৫৫১ নম্বৰেৰে উত্তীৰ্ণ হ'বলৈ সক্ষম হৈছে। আজি বকোৰ বিধায়িকা নন্দিতা দাসে মোমায়েকৰ ছত্ৰছায়াত অধ্যয়নৰত ছয়টাকৈ বিষয়তে লেটাৰ পাবলৈ সক্ষম হোৱা শ্ৰদ্ধা শৰ্মাক মোমায়েকৰ ঘৰত উপস্থিত হৈ শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে সম্বৰ্ধনা জনায়। বকো ব্লক কংগ্ৰেছৰ সভাপতি অৰবিন্দ ৰাভাই আঁত ধৰা সম্বৰ্ধনা অনুষ্ঠানত বিধায়িকাগৰাকীয়ে শ্ৰদ্ধা শৰ্মাক গামোচা আৰু শৰাইৰে সম্বৰ্ধনা জনায়। সম্বৰ্ধনা অনুষ্ঠানত মোমায়েক কৈলাশ শৰ্মা, মাতৃ ডালিমী শৰ্মা, বকো ব্লক কংগ্ৰেছৰ সভাপতি অৰবিন্দ ৰাভা, সম্পাদক কামাখ্যা ছেত্ৰী, বিজু হুছেইন, ভূপেশ



চৌধুৰী, ছমৰীয়া ব্লক কংগ্ৰেছৰ উপ-সভাপতি আমিন ৰমজান আহমেদ উপস্থিত থাকে। পৰৱৰ্তী শিক্ষাৰ ক্ষেত্ৰত পাঠ্যপুথিকে ধৰি আৰ্থিক সাহায্য আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে বিধায়িকাগৰাকীয়ে। একমাত্ৰ সন্তানক লৈ গৌৰৱ অনুভৱ কৰিছে মাতৃ ডালিমী শৰ্মাই। স্বামী অবিহনে পিতৃ- মাতৃৰ দায়িত্ব পালন কৰাৰ কথা ব্যক্ত কৰিছে অশ্ৰু নয়নেৰে। মোমায়েক কৈলাশ শৰ্মায়ো সুখী ভাগিনীয়েকৰ সাফল্যত। অনাগত দিনত ভাগিনীয়েকৰ শিক্ষাৰ ক্ষেত্ৰত সহায়-সহযোগ কৰাৰ আশ্বাস দিয়ে। ইফালে, মেধাৱী ছাত্ৰী শ্ৰদ্ধা শৰ্মাই অনাগত দিনত এগৰাকী সফল চিকিৎসক হোৱাৰ সপোন আছে বুলি কয়। আনফালে, বকোৰ গোহালকোণা হাইস্কুলৰ ফলাফলক লৈ সংবাদ মাধ্যমৰ আগত উদ্বেগ প্ৰকাশ কৰিলে বিধায়িকা নন্দিতা দাসে। স্বয়ং শিক্ষামন্ত্ৰী পদাৰ্পণ কৰি যোৱা বিদ্যালয়খনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল শূন্য হোৱাটো অতিকে বিচাৰ্যৰ বিষয় বুলি উল্লেখ কৰিছে। বিদ্যালয়খনত গাৰো মাধ্যমৰ শিক্ষক নিযুক্তিকে ধৰি পৰ্যাপ্ত শিক্ষক নিযুক্তিৰ বাবে চৰকাৰলৈ দাবী জনাইছে বিধায়িকাগৰাকীয়ে। গাৰো মাধ্যম নথকা বাবেই এনে উদ্বেগজনক ফলাফল অহা বুলি বিধায়কগৰাকীয়ে প্ৰকাশ কৰি শীঘ্ৰে বিদ্যালয়খনলৈ গৈ শৈক্ষিক পৰিস্থিতিৰ বুজ ল'ব বুলিও মতপোষণ কৰিছে সংবাদ মাধ্যমৰ আগত। উল্লেখ্য যে বকো সমষ্টিৰ গোহালকোণা হাইস্কুলৰ শিক্ষান্ত পৰীক্ষাত শূন্য ফলাফলে সমগ্ৰ অঞ্চলক বিস্মিত কৰি তুলিছে। ২৬ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত অৱতীৰ্ণ হৈছিল যদিও এগৰাকীও উত্তীৰ্ণ নহ'ল। তিনিগৰাকী স্থায়ী শিক্ষকৰ বিপৰীতে দুগৰাকী ঠিকাভিত্তিক শিক্ষক নিয়োজিত হৈ আছে বিদ্যালয়খনত।। ভাৰত স্বাধীনৰ এবছৰ পাছত ১৯৪৮ত স্থাপন হোৱা বিদ্যালয়খনৰ প্ৰতি চৰকাৰ তথা শিক্ষা বিভাগৰ হেমাহি দেখা যায়। ২০১৭ৰ পৰা প্ৰধান শিক্ষক নিযুক্তি দিয়া হোৱা নাই। ভাৰপ্ৰাপ্ত শিক্ষকে চলাই আছে বিদ্যালয়খন। বিদ্যালয়খনত ষষ্ঠশ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ আছে। ২০২১ত নম্বৰৰ ভিত্তিত ঘোষিত পৰীক্ষাত ২২ জন উত্তীৰ্ণ তিনিজন অনুত্তীৰ্ণ হৈছিল ছাত্ৰ- ছাত্ৰী। প্ৰধানতঃ গাৰো বসতিপ্ৰধান অঞ্চলত থকা বিদ্যালয়খনত ষষ্ঠৰ পৰা অষ্টমলৈ গাৰো মাধ্যম। নৱম আৰু দশম ইংৰাজী মাধ্যম। উল্লেখ্য যে ভাৰপ্ৰাপ্ত শিক্ষকজন পদ অনুসৰি যোগ্যতা নাই। ভাৰপ্ৰাপ্ত শিক্ষকজন হৈছে মিল্টাৰচন ডব্লিউ. মাৰাক।

# মুখ্যমন্ত্ৰী সাহায্য পুঁজিলৈ কৃষ্ণাইৰ ব্যৱসায়ীৰ এক লাখ টকাৰ বান সাহায্য প্ৰদান

অগ্ৰদূত বাৰ্তা

**কৃষ্ণাই, ৮ জুন ঃ** অসমৰ বানাক্ৰান্ত ৰাইজলৈ সহায়ৰ হাত আগবঢ়াবলৈ ৰাজ্য চৰকাৰে মুকলি কৰা 'মুখ্যমন্ত্ৰী সাহায্য পুঁজি' লৈ গোৱালপাৰা জিলাৰ কৃষ্ণাইৰ এজন প্ৰতিষ্ঠিত ব্যৱসায়ীয়ে এক লাখ টকা সাহায্য প্ৰদান কৰে। তথ্য অনুসৰি, কৃষ্ণাইৰ প্ৰতিষ্ঠিত ব্যৱসায়ী চামচুজ জামান শ্বেখ আৰু তেওঁৰ পত্নী মৌচিনা চিৰিনে মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ত উপস্থিত হৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি নগদ এক লাখ টকাৰ চেক প্ৰদান কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিজে অভিচিয়েল টুইট যোগে কৃষ্ণাইৰ প্ৰতিষ্ঠিত ব্যৱসায়ী দম্পতীয়ে মুখ্যমন্ত্ৰী সাহায্য পুঁজিলৈ নগদ এক লাখ টকাৰ চেক প্ৰদান কৰাৰ বিষয়ে ফটোসহ প্ৰকাশ কৰিছে। উল্লেখ্য যে ৰাজ্যৰ ভিন্ন প্ৰান্তত বাৰিষা কালত বানৰ কবলত পৰা বানপীড়িত ৰাইজক সহায় কৰিবলৈ ৰাজ্য চৰকাৰে 'মুখ্যমন্ত্ৰী সাহায্য পুঁজি'ত জমা হোৱা বৰঙণিৰ টকাৰে বানাক্ৰান্ত ৰাইজক সহায় কৰি আহিছে।

# নগাঁৱক আকৰ্ষণীয় স্থান হিচাপে গঢ়ি তোলাৰ প্ৰয়াস কৰা হৈছে ঃ ৰূপক শৰ্মা

## 'কল্লোল' সাংস্কৃতিক গোষ্ঠীৰ সোণালী জয়ন্তী উৎসৱ আৰম্ভ

বিশেষ সংবাদদাতা

**নগাঁও, ৮ জুন ঃ** নগাঁও তথা অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনৰ অগ্ৰণী অনুষ্ঠান 'কল্লোল' সাংস্কৃতিক গোষ্ঠীয়ে আজি ৫০ বছৰত ভৰি দিলে। ৫০ বছৰ পূৰ্তি উপলক্ষে আজিৰে পৰা কল্লোলে বৰ্ষজোৰা সোণালী জয়ন্তী উৎসৱ উদ্‌যাপনৰ পদক্ষেপ গ্ৰহণ কৰিছে। আজি কল্লোলৰ কাৰ্যালয়ত সোণালী জয়ন্তী উৎসৱৰ আৰম্ভ অনুষ্ঠান অনুষ্ঠিত হয়। পুৱা পতাকা উত্তোলনৰে সোণালী জয়ন্তী উৎসৱৰ আৰম্ভ কৰে কল্লোলৰ সভাপতি লোহিত কলিতাই। কল্লোলৰ সভাপতি লোহিত কলিতাৰ সভাপতিত্বত অনুষ্ঠিত হয় সম্বৰ্ধনা আৰু ৰাজহুৱা সভা। সভাত নগাঁৱৰ বিধায়ক ৰূপক শৰ্মা, বিশিষ্ট সাহিত্যিক সমালোচক প্ৰভাত বৰা, কল্লোলৰ প্ৰাক্তন সভাপতি মুৰুলী শৰ্মা, শিক্ষাবিদ আদিলুজ জামান, বিমল বৰা, বিশিষ্ট অভিনেতা উপকুল বৰদলৈ আদিয়ে অংশগ্ৰহণ কৰে। কল্লোলৰ সম্পাদক নৌচাদ আখতাৰ হাজৰিকাই আঁতধৰা অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি বিধায়ক ৰূপক শৰ্মাই কল্লোলৰ কাম-কাজক প্ৰশংসা কৰি কয়, 'কল্লোল অকল নগাঁৱৰে নহয়, অসমৰ এক উল্লেখনীয় অনুষ্ঠান। কল্লোল আমাৰ সকলোৰে প্ৰাণ। বিগত সময়ছোৱাত এই অনুষ্ঠানে সাংস্কৃতিক ক্ষেত্ৰখনত



বিকাশৰ বাবে কাম কৰি অহাৰ লগতে নৱ প্ৰজন্মৰ প্ৰতিভা বিকাশৰ বাবে কাম কৰি আহিছে।' ভাষণ প্ৰসংগত বিধায়ক শৰ্মাই বিজেপি নেতৃত্বাধীন চৰকাৰৰ দিনত নগাঁৱত হোৱা উন্নয়নৰ কথা উল্লেখ কৰি কয়, 'নগাঁৱক ৰাজ্যখনৰ ভিতৰতে এখন আকৰ্ষণীয় স্থান হিচাপে গঢ়ি তোলাৰ প্ৰয়াস কৰা হৈছে, যাতে নগাঁৱলৈ পৰ্যটকৰ আগমন বৃদ্ধি হয়।' নগাঁও চহৰৰ মাজেৰে বৈ যোৱা কলঙক নগঞাৰ প্ৰাণ বুলি উল্লেখ কৰি শৰ্মাই কয় যে নগাঁও চহৰৰ অঞ্চলৰ পৰা কলং নৈৰ খন্দাৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। কলঙৰ পাৰে পাৰে ৰাকিং জ'নৰ নিৰ্মাণৰ কামো শীঘ্ৰে আৰম্ভ কৰা হ'ব। নগাঁও চহৰৰ পানীগাঁও ছয়আলিত সুধাকণ্ঠ ড° ভূপেন হাজৰিকা কলাক্ষেত্ৰ নিৰ্মাণ কৰা আৰু মৰিকলং বিলৰ সৌন্দৰ্য বৰ্ধনৰ কামো শীঘ্ৰে আৰম্ভ কৰাৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। দীৰ্ঘ দিন ধৰি বন্ধ হৈ থকা প্ৰণৱ বৰুৱা শিশু উদ্যানৰ পুনৰ নিৰ্মাণৰ কাম চলি আছে আৰু এমাহৰ ভিতৰত এই শিশু উদ্যান মুকলি কৰা হ'ব বুলি বিধায়কজনে জানিবলৈ দিয়ে। সভাতেই কল্লোলৰ প্ৰতিষ্ঠা কালৰ চাৰিগৰাকী সদস্য ক্ৰমে নৌচাদ আখতাৰ হাজৰিকা, পৱিত্ৰ শৰ্মা, গুনজিৎ দেৱগোস্বামী আৰু প্ৰদীপ গোস্বামীক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। তদুপৰি প্ৰতিষ্ঠা কালৰ আন এগৰাকী সদস্য প্ৰয়াত ভবেশ বৰুৱাৰ পৰিয়ালকো সম্বৰ্ধনা জনোৱা হয়। লগতে কল্লোলৰ প্ৰতিষ্ঠা কালৰ সদস্য, বৰ্তমানৰ সদস্য, কল্লোলৰ লগত জড়িত শুভাকাংখীসকলক সম্বৰ্ধনা জনোৱা হয়। ১৯৭২ৰ আজিৰ দিনটোত কল্লোল সাংস্কৃতিক গোষ্ঠী জন্ম হৈছিল।


## ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ বাঘ হত্যাৰ ঘটনাৰে জড়িত তিনিজনক গ্ৰেপ্তাৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ৮ জুন ঃ** চাৰিদিনৰ পূৰ্বে ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই অহা এটা ঢেঁকীয়াপতীয়া বাঘ হত্যা কৰি বৰছলাৰ দুই নম্বৰ বছা শিমলুত পুতি থৈছিল। এই ঘটনাৰে জড়িত তিনি অভিযুক্ত আজিবুৰ ৰহমান, হাছমত আলী আৰু মহম্মদ এম এলক কালি বন বিভাগৰ এটা দলে মৰিগাঁৱত আত্মগোপন কৰি থকা অৱস্থাত গ্ৰেপ্তাৰ কৰে। ধৃত তিনিওকে আজি বিয়লি তেজপুৰ আদালতত হাজিৰ কৰোৱা হয়। আদালতে তিনিওকে ন্যায়িক জন্মালৈ প্ৰেৰণৰ নিৰ্দেশ দিয়ে। বাঘ হত্যাৰে জড়িত আৰু দুজন লোক সম্প্ৰতি পলাতক অৱস্থাত আছে বুলি জানিবলৈ দিছে বন বিভাগে।

# দৰিদ্ৰতা নেওচি পাঁচটা বিষয়ত লেটাৰ নম্বৰ যুগশ্ৰীৰ

**আলোপতি, ৮ জুন ঃ** কালি ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত নগৰবেৰাৰ পাহাৰপাৰা গাঁৱৰ এটি দৰিদ্ৰ পৰিয়ালৰ ছাত্ৰীয়ে পাঁচটা বিষয়ত লেটাৰ নম্বৰ লাভেৰে অঞ্চলটোলৈ গৌৰৱ



কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। নগৰবেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰী তথা পাহাৰপাৰা গাঁৱৰ দিন হাজিৰা কৰি জীৱন নিৰ্বাহ কৰা বাবুল দাস আৰু সাধনা দাসৰ কন্যা যুগশ্ৰী দাসে অসমীয়াত ৯১, ইংৰাজীত ৮৩, সাধাৰণ গণিতত এশ, সমাজ বিজ্ঞানত ৮৩, বৃত্তিমূলক বিষয়ত ৮০ আৰু সাধাৰণ বিজ্ঞানত ৬৭ নম্বৰসহ মুঠ ৫০৪ নম্বৰ লাভ কৰে। উল্লেখ্য যে পাঁচটা বিষয়ত লেটাৰ নম্বৰসহ ৮৪ শতাংশ নম্বৰ লাভ কৰা যুগশ্ৰী দাসৰ পঢ়িবলৈ এখন টেবুল নথকাত বিছনাতে পঢ়া-শুনা কৰিছিল। তদুপৰি দৰিদ্ৰ ছাত্ৰীগৰাকীৰ ঘৰত নাই বিশুদ্ধ খোৱা পানীৰ বাবে নাই দমকল এটাও। নাদৰ পানী সেৱন কৰে পৰিয়ালটোৰ লোকে। নানা অভাৱ-অনাটনৰ মাজত পঢ়া-শুনা কৰা অত্যন্ত দৰিদ্ৰ পৰিয়ালৰ কন্যা যুগশ্ৰী দাসৰ সপোন ভৱিষ্যতে এগৰাকী আইপিএছ অথবা আইএএছ বিষয়া হোৱাৰ। যুগশ্ৰী দাসৰ এনে সাফল্যত উৎফুল্লিত হৈ পৰিছে তেওঁৰ পৰিয়ালৰ লগতে শিক্ষক-শিক্ষয়িত্ৰী আৰু গাঁওবাসী।

# তামুলপুৰত ৰাভা ভাষাৰ অনলাইন অভিধান এপ 'ৰাভা খুৰাং মুকলি



অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ৮ জুন ঃ** ৰাভা ভাষাৰ বিশ্বৰ দৰবাৰত চিনাকি কৰি দিয়াৰ লক্ষ্যৰে আজি তামুলপুৰ প্ৰেছ ক্লাবত এটি ৰাভা ভাষাৰ অনলাইন অভিধান এপচ মুকলি কৰা হয়। 'ৰাভা খুৰাং নামৰ এপচটো আনুস্থানিকভাৱে মুকলি কৰে নিখিল ৰাভা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দীপাংকৰ ৰাভাই। এপচটো মুকলি কৰি ৰাভা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দীপাংকৰ ৰাভাই কয়, ওদালগুৰি জিলাৰ ছফ্‌টওৱেৰ অভিযন্তা ডিম্বেশ্বৰ ৰাভাৰ বিশেষ উদ্যোগত বিশিষ্ট ৰাভা সাহিত্যিক বিশ্বনাথ ৰাভা তাৰা আৰু তথ্য সহায়ক জোনালী ৰাভা, কৈলাশ ৰাভাৰ সহাযোগত তিনি বছৰজোৰা প্ৰচেষ্টাত ৰাভা ভাষা আৰু ইংৰাজী ভাষাৰ অভিধানৰ এপটো মুকলি কৰা হয়। এই এপচটোৰ জৰিয়তে ডিজেটেল মাধ্যমেৰে ৰাভা ভাষাক বিশ্বৰ বুকুত চিনাকি কৰাই দিবৰ বাবে প্ৰচেষ্টা গ্ৰহণ কৰা হৈছে।এপচটো ম'বাইলৰ প্লে ষ্টৰত সহজতে উপলব্ধ হ'ব বুলি নিখিল ৰাভা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দীপাংকৰ ৰাভাই পুনৰ কয় 'ৰাভা খুৰাং' নামৰ এই এপটোৰ জৰিয়তে ৰাভা ভাষা শিকিবলৈ অতি সহজ হৈ পৰাৰ লগতে কোনো লোকে ৰাভা সমাজৰ প্ৰচলিত প্ৰাচীন শব্দ অৰ্থও সন্নিবিষ্ট কৰিব পাৰিব। প্ৰাথমিক অৱস্থাত ৰাভা খুৰাং এপচত ৰাভাৰ পৰা ইংৰাজীলৈ অনুবাদৰ ব্যৱস্থা কৰা হৈছে যদিও অচিৰে অসমীয়া ভাষাতো অনুবাদ কৰা হ'ব বুলি সদৰী কৰে ৰাভা ছাত্ৰ সন্থাৰ সম্পাদকজনে। আজি 'ৰাভা খুৰাং' এপচ মুকলি অনুষ্ঠানত এপচটোৰ মুল পৰিকল্পনাকাৰী অভিযন্তা ডিম্বেশ্বৰ ৰাভা, বাগ্‌সা জিলা ৰাভা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ভদ্ৰেশ্বৰ ৰাভা, সহকাৰী সম্পাদক বিকাশ ৰাভা, তামুলপুৰ আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ সভাপতি ৰাজু ৰাভা, সম্পাদক ৰাহুল ৰাভা, বেতনা-দেফেলী আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক মনোজ ৰাভাৰ আন কে'বাজনো সদস্য উপস্থিত থাকে।

# হাউলীৰ ইটাৰভিটাত পল্লা নদীত মেচিনেৰে অবৈধভাৱে খনন ঃ বন্ধ কৰাৰ দাবীত স্মাৰক পত্ৰ

অগ্ৰদূত বাৰ্তা

**হাউলী, ৮ জুন ঃ** বৰপেটা ৰাজহ চক্ৰ আৰু বৰপেটাৰোড বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ অধীনস্থ বন বিভাগৰ অন্তৰ্গত এক নম্বৰ আৰু দুই নম্বৰ ইটাৰভিটা গাঁৱৰ মাজেৰে বৈ যোৱা পল্লা নদীত একাংশ লোকে অবৈধভাৱে মাটি খনন কৰি অহাৰ অভিযোগ উত্থাপন হৈছে। এই মাটিৰ খনন কাৰ্য বন্ধ কৰাৰ দাবীত ভৱানীপুৰ ব্লক গ্ৰাম্য উন্নয়ন সমিতিৰ পৰা বৰপেটা জিলা উপায়ুক্তক এখন স্মাৰক পত্ৰ প্ৰদান কৰিছে। ভৱানীপুৰ ব্লক গ্ৰাম্য উন্নয়ন সমিতিৰ সভাপতি ছভিউৰ ৰহমান স্বাক্ষৰিত স্মাৰকপত্ৰত উল্লিখিত অনুসৰি পল্লা নদীৰ পৰা প্ৰতিদিনে মাটি মেচিনেৰে খনন কৰি বিক্ৰী কৰি আহিছে একাংশ দুষ্টচক্ৰই। একেখন স্মাৰক পত্ৰতে উল্লিখিত অনুসৰি যোৱা প্ৰায় চাৰি বছৰ ধৰি ইটাৰভিটাৰ ৰাফিদুল ইছলাম নামৰ এজন লোকে অবৈধভাৱে পল্লা নদীৰ পৰা মাটি মেচিনেৰে খনন কৰি বিক্ৰী কৰি আহিছে। যাৰ ফলত নদীৰ পাৰে পাৰে থকা মথাউৰি, ৰাইজৰ ঘৰ-ভেটি সংকটত পৰিছে। এই সন্দৰ্ভত ৰাইজে কে'বাবাৰো প্ৰতিবাদ কৰি আহিছে যদিও প্ৰশাসন তথা বন বিভাগে কোনো গুৰুত্ব নিদিয়াৰ অভিযোগ উত্থাপন কৰিছে। ইয়াৰ উপৰি বৰপেটাৰোড বনাঞ্চলিক বিষয়া, বৰপেটা ৰাজহ চক্ৰ বিষয়া তথা উপায়ুক্তক বহুবাৰ অভিযোগ দিয়াৰ পাছতো মাটিখনন কাৰ্য আজিলৈকে বন্ধ হোৱা নাই বুলি স্মাৰকপত্ৰখনত উল্লেখ কৰিছে। সভাপতি ছভিউৰ ৰহমানে জনোৱা মতে বন বিভাগৰ একাংশ বিষয়া-কৰ্মচাৰীৰ আশীৰ্বাদত এই কাৰ্য চলি থকাৰ কাৰণে ৰফিদুল ইছলামে এনেদৰে মাটি খনন কৰি লাখ লাখ টকা অবৈধভাৱে উপাৰ্জন কৰি আহিছে। উক্ত মাটি খনন কৰাৰ বাবে চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষই কোনো ধৰণৰ অনুমতি নাইবা চৰকাৰক ৰাজহ নিদিয়াকৈ কেনেদৰে ইমান ডাঙৰ অবৈধ ব্যৱসায় চলাই আছে। এই সন্দৰ্ভত এক উচ্চ পৰ্যায়ৰ তদন্ত কৰাৰ লগতে যিবোৰ লোক জড়িত তেওঁলোকৰ ওপৰত আইনগতভাৱে এক শাস্তিৰ দাবীত উপায়ুক্তক স্মাৰকপত্ৰ প্ৰদান কৰে।

# দৰং জিলা যুৱ ক্লাবক আৰ্থিক সাহায্যৰ বাবে আবেদন আহ্বান

অগ্ৰদূত বাৰ্তা

**দুনী, ৮ জুন ঃ** দৰং জিলাৰ ১০ টা পঞ্জীকৃত যুৱ ক্লাবক আৰ্থিক সাহায্য প্ৰদান কৰিব ৰাজ্য চৰকাৰে। ইয়াৰ বাবে চাৰিটা বিধানসভা সমষ্টিৰ যুৱ ক্লাবসমূহৰ পৰা আবেদন আহ্বান কৰিছে দৰং জিলা ক্ৰীড়া বিষয়া তথা জিলা বাছনি সমিতিৰ সদস্য সচিব লুটুৰাজ বসুমতাৰীয়ে। এই সম্পৰ্কত জিলাখনৰ চাৰিটা বিধানসভা সমষ্টি ক্ৰমে কলাইগাঁও, ছিপাঝাৰ, মঙলদৈ আৰু দলগাঁও সমষ্টিৰ বিধায়কলৈ চিঠি প্ৰেৰণ কৰা বুলি জানিব দিছে বিষয়াজনে। চৰকাৰী নিৰ্দেশনা অনুসৰি যুৱ ক্লাবসমূহ পঞ্জীকৃত হ'ব লাগিব। ২০১৯ৰ পৰা ২০২১-২২লৈ তিনিটা বৰ্ষৰ হিচাপ-নিকাচ অডিট ৰিপ'ৰ্ট জমা দিব লাগিব আৰু তিনি বছৰৰ কাম-কাজৰ খতিয়ানৰ লগতে নিজা বেংক একাউন্ট থকা বাঞ্চনীয়। ক্লাবসমূহে নিৰ্ধাৰিত আবেদন পত্ৰ ১৩ জুনৰ ভিতৰত দৰং জিলা ক্ৰীড়া বিষয়া কাৰ্যালয়ত জমা দিব লাগিব। জিলা বাছনি সমিতিৰ অনুমোদিত ক্লাব এই আৰ্থিক সাহায্যৰ বাবে বিবেচিত হ'ব বুলি জিলা ক্ৰীড়া বিষয়া লুটুৰাজ বসুমতাৰীয়ে জনাইছে।

# আলোপতিত এশ শতাংশ উত্তীৰ্ণ ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ

**আলোপতি, ৮ জুন ঃ** কালি ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত বৰপেটা জিলাৰ দক্ষিণ প্ৰান্তৰ আলোপতি মাজৰচৰ-খোলাবান্ধা গাঁওপঞ্চায়ত অঞ্চলত একাধিক ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানে এশ শতাংশ উত্তীৰ্ণৰে অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। ফলাফল অনুসৰি পঞ্চায়ত দুখনৰ চৰজ্যোতি শিশু নিকেতন, গুৰুকূল পাব্লিক একাডেমী, কাৰাইখাইতি জাতীয় বিদ্যালয়, নৱদ্বীপ একাডেমী, জ্ঞানজ্যোতি আদৰ্শ জাতীয় বিদ্যালয় আৰু এপিজে আব্দুল কালাম আজাদ একাডেমী, মতিউৰ ৰহমান মেম'ৰিয়েল জাতীয় বিদ্যালয় সাতখন ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানৰ পৰা এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱা আটাইকেইজন পৰীক্ষাৰ্থীয়ে উত্তীৰ্ণ হৈছে। এইবেলি চৰজ্যোতি শিশু নিকেতনৰ পৰা অৱতীৰ্ণ হোৱা ২৩ গৰাকী পৰীক্ষাৰ্থীৰ তিনিজনে ষ্টাৰ নম্বৰ, ১২জনে প্ৰথম আৰু আঠজনে দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। গুৰুকূল পাব্লিক একাডেমীৰ পৰা অৱতীৰ্ণ ২০ পৰীক্ষাৰ্থীৰ তিনিজন ষ্টাৰ নম্বৰ, নজন প্ৰথম আৰু আঠজন দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। কাৰাইখাইতি জাতীয় বিদ্যালয়ৰ পৰা অৱতীৰ্ণ ১৭ গৰাকী পৰীক্ষাৰ্থীৰ এজন ডিষ্টিংচন, তিনিজন ষ্টাৰ নম্বৰ, সাতজন প্ৰথম আৰু ছয়জন দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। নৱদ্বীপ একাডেমীৰ মুঠ ১৫ গৰাকী পৰীক্ষাথীৰ ছয়জন প্ৰথম আৰু নজন দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। জ্ঞানজ্যোতি আদৰ্শ জাতীয় বিদ্যালয়ৰ ১৩ গৰাকী পৰীক্ষাৰ্থীৰ দুজন ষ্টাৰ নম্বৰ, ছয়জন প্ৰথম আৰু পাঁচজন দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। একেদৰে এপিজে আব্দুল কালাম আজাদ একামেডীৰ ১৩ গৰাকী পৰীক্ষাৰ্থীৰ এজন ষ্টাৰ নম্বৰ, ছয়জন প্ৰথম আৰু ছয়জন দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। তদুপৰি মতিউৰ ৰহমান মেম'ৰিয়েল জাতীয় বিদ্যালয়ৰ মুঠ ১৫ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত দুজন ষ্টাৰ নম্বৰ, দুজন প্ৰথম আৰু ১১জন দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়।

# মৰিগাঁৱত প্ৰথম মূল্যায়ন পৰীক্ষাৰ স্কাউট গাইডৰ প্ৰশিক্ষণ অনুষ্ঠিতক লৈ প্ৰতিক্ৰিয়া

## ছাত্ৰ-ছাত্ৰীক পাঠদানৰ পৰা বঞ্চিত কৰি মৰিগাঁও শিক্ষা বিভাগে গ্ৰহণ কৰা পদক্ষেপক লৈ অভিভাৱকৰ মাজত বিৰূপ প্ৰতিক্ৰিয়া

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ৮ জুন ঃ** মৰিগাঁও শিক্ষা বিভাগে আগন্তুক বিদ্যালয়সমূহত অনুষ্ঠিত হ'বলগীয়া প্ৰথম মূল্যায়নৰ পৰীক্ষা প্ৰাক্‌মুহূৰ্তত ছাত্ৰ-ছাত্ৰীক পাঠদানৰ পৰা বঞ্চিত কৰি সাত দিনৰ বাবে স্কাউট গাইডৰ প্ৰশিক্ষণ অনুষ্ঠিত কৰিবলৈ লোৱা সিদ্ধান্তক লৈ ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলৰ মাজত সৃষ্টি হৈছে মিশ্ৰিত প্ৰতিক্ৰিয়া। উল্লেখ্য যে মৰিগাঁও শিক্ষা বিভাগে এমডিচি / ইএছটি/ ভাৰত / এছ জি ০২/২০২২ /২৮১৪ ৰ এক নিৰ্দেশনা অনুসৰি অহা ১১ জুনৰ ১৭ জুনলৈ মৰিগাঁও জিলাৰ মৈৰাবাৰীৰ বৰথল দলৈগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ত স্কাউট গাইডৰ প্ৰশিক্ষণটো অনুষ্ঠিত কৰিবলৈ অনুমোদন জনাইছে। নিৰ্দেশনাটোত প্ৰতিখন উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰে এজনকৈ শিক্ষক-শিক্ষয়িত্ৰী সাত দিনকৈ থকা খোৱা সহ উপস্থিত থাকিব লাগিব। তাৎপৰ্যপূৰ্ণ বিষয় এয়ে যে ১৭ জুনত সামৰণি পৰিবলগীয়া স্কাউট গাইডৰ প্ৰশিক্ষণৰ পাছতেই বিদ্যালয়সমূহত ২২ জুনৰ পৰা অনুষ্ঠিত হ'ব প্ৰথম মূল্যায়নৰ পৰীক্ষা। পৰীক্ষাৰ প্ৰাক্‌মুহূৰ্তত এজন শিক্ষক-শিক্ষয়িত্ৰীয়ে স্কাউট গাইডৰ প্ৰশিক্ষণৰ নামত সাত দিনকৈ বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীক পাঠদানৰ পৰা বঞ্চিত থাকিব লগীয়াত পৰিব। শিক্ষা বিভাগে গ্ৰহণ কৰা এনে সিদ্ধান্তক জিলাখনৰ অভিভাৱকসকলে সহজভাৱে গ্ৰহণ কৰিব পৰা নাই। কিয়নো ক'ভিড কালত বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীসকলে সম্পূৰ্ণ পাঠদানৰ পৰা বঞ্চিত হৈ পৰাৰ লগতে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ মূল্যায়ন বহী চোৱাৰ সময়তো জিলাখনৰ প্ৰায়সমূহ বিদ্যালয়ৰ পৰা তিনি-পাঁচজনকৈ শিক্ষক-শিক্ষয়িত্ৰীয়ে ১২-১৬ দিন পৰ্যন্ত বিদ্যালয়ত পাঠদানৰ পৰা বিৰত থাকি বহী মূল্যায়নৰ কামত নিয়োজিত হ'বলগীয়া হৈছিল। বিদ্যালয়সমূহত ছাত্ৰ- ছাত্ৰীক বাৰে বাৰে পাঠদানৰ পৰা বঞ্চিত কৰাই একাংশ শিক্ষক- শিক্ষয়িত্ৰীক পুনৰ স্কাউট গাইডৰ সাতদিনীয়া প্ৰশিক্ষণত শিক্ষা বিভাগে নিয়োজিত কৰিব বিচৰা ঘটনাক লৈ জিলাখনৰ সৰ্বত্ৰে সৃষ্টি কৰিছে ব্যাপক প্ৰতিক্ৰিয়া ।এই ক্ষেত্ৰত জিলা প্ৰশাসন তথা শিক্ষা বিভাগে জিলাখনৰ ছাত্ৰ- ছাত্ৰীসকলৰ ভৱিষ্যতৰ কথা চিন্তা কৰি স্কাউট গাইডৰ প্ৰশিক্ষণৰ বিষয়টো পুনৰ বিবেচনা কৰিবলৈ একাংশ অভিভাৱকে জিলা প্ৰশাসন আৰু শিক্ষা বিভাগৰ প্ৰতি আহ্বান জনাইছে।

# কৰ্মোদ্যমী যুৱক আদিল হুছেইনৰ আকস্মিক বিয়োগ

অগ্ৰদূত বাৰ্তা

**দুমুনিচকী, ৮ জুনঃ** বাইহাটা চাৰিআলি নগাঁও গাঁৱৰ সৰবৰহী যুৱক আদিল হুছেইন (৩৪)ৰ যোৱানিশা আমিনগাঁৱৰ নাৰায়ণা ছুপাৰ স্পেচিয়েলিটী হাস্পতালত চিকিৎসাধীন অৱস্থাতে মৃত্যু ঘটে। মৃত্যুৰ সময়ত তেওঁ মাতৃ, একমাত্ৰ ভ্ৰাতৃ-পত্নীকে ধৰি যথেষ্টসংখ্যক গুণমুগ্ধক ইহসংসাৰত এৰি থৈ যায়। উল্লেখ্য যে বাইহাটা চাৰিআলিৰ নগাঁও গাঁৱৰ প্ৰয়াত মোকছেদ আলী আৰু ৰৌচানাৰা বেগমৰ প্ৰথম পুত্ৰ আদিল হুছেইনে মৃত্যুৰ এদিন পুৰ্বে উচ্চ ৰক্তচাপজনিত কাৰণত অসুস্থ হৈ পৰে আৰু পৰিয়ালৰ লোকে ততালিকে তেওঁক বাইহাটাৰ এখন স্থানীয় নাৰ্চিং হোমত ভৰ্তি কৰে। আৰু নাৰ্চিং হোমখনে তেওঁ হৃদৰোগত আক্ৰান্ত হোৱা বুলি নাৰায়ণা ছুপাৰ স্পেচিয়েলিটী নামৰ ব্যক্তিগত চিকিৎসালয়খনলৈকে প্ৰেৰণ কৰে। উক্ত চিকিৎসালয়খনত হৃদযন্ত্ৰৰ অস্ত্ৰোপ্ৰচাৰ কৰাৰ পাছতেই যোৱানিশা যুৱকজনে মৃত্যুক আঁকোৱালি লয়। আজি দিনৰ ১০ বজাত তেওঁৰ মৃতদেহ নিজ গৃহলৈ অনাৰ পাছতে এক শোকাকুল পৰিৱেশত আদিলৰ জানাজা সম্পন্ন কৰা কৰা হয়। পৰোপকাৰী তথা যথেষ্ট কৰ্মোদ্যমী উক্ত যুৱকজনৰ মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে। বাইহাটা চাৰিআলি কেন্দ্ৰীয় ঈদ মেহফিল সমিতি, ৰঙালী বিহু সন্মিলন, বাইহাটা চাৰিআলি আদিকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে তেওঁৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে।

# নগৰপালিকাৰ নাভূত-নাশ্ৰুত কাণ্ড ঃ ক্ষুব্ধ জনতা

## ■ একাধিক ভূমি বিতৰ্কই ব্যাপক প্ৰতিক্ৰিয়া ধুবুৰী-সাপটগ্ৰামত


অগ্ৰদূত বাৰ্তা

**বগৰীবাৰী, ৮ জুন ঃ** ধুবুৰী জিলাৰ বগৰীবাৰী আটানী ৰাজহ চক্ৰৰ অন্তৰ্গত ঐতিহ্যমণ্ডিত সাপটগ্ৰামত একাধিক ভূমি বিতৰ্কই সমগ্ৰ অঞ্চলত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। শেহতীয়াকৈ চহৰখনত তিনি নম্বৰ আৰু পাঁচ নম্বৰ ৱাৰ্ডত দুটা পৃথক ভূমি বিবাদে ভুক্তভোগী চৰম হতাশাত ভুগিছে। ৰাইজৰ অভিযোগ মতে, নগৰ সমিতিৰ অধ্যক্ষৰ অকৰ্মণ্যতাৰ বাবে বিবাদ তুংগত উঠিছে। প্ৰাপ্ত তথ্য অনুসৰি, দাগ নম্বৰ ১৪৩ আৰু খতিয়ান নম্বৰ ৫১ মাটিৰ গৰাকী গোবিন্দ লাল পোদ্দাৰৰ পুত্ৰ বিষ্ণু পোদ্দাৰে অসম আৰ্হিৰ ঘৰ তথা গৃহ বনোৱাৰ এক দশক পাছত নগৰ সমিতিৰ পৰা হঠাৎ উচ্ছেদৰ জাননী। আহে একেদৰে মদন গোপাল পোদ্দাৰৰ নামত থকা দাগ নম্বৰ ৩৬৪, পাট্টা নম্বৰ ৪১৯ (এক বিঘা ১৫ লেচা) ভূমিক স্থানীয় দিলীপ পোদ্দাৰে জোৰ-জুলুমকৈ এটি অংশ অবৈধভাৱে দখল কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। দিলীপ পোদ্দাৰৰ এনে কৰ্ম-কাণ্ডত পাশ্বৱৰ্তী চুবুৰীয়াৰ মাজত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। সেইদৰে চহৰখনৰ পাশ্বৱৰ্তী টিপকাই নৈৰ খহনীয়া আৰু সোণকোষ নৈ তীব্ৰ খহনীয়া ৰোধৰ বাবে ২০০২ত স্বনিয়োজন নামৰ এটি বেচৰকাৰী স্বেচ্ছাসেৱী সন্থাই দাগ নম্বৰ ১০৬৯ত তিনি বিঘা মাটিত চৰকাৰী অনুমতি লৈ বিভিন্ন মূল্যবান গছ-গছনিৰ ৰোপণ কৰি ডাঙৰ-দীঘল কৰি থকাৰ পাছত হঠাৎ নগৰ সমিতিয়ে উক্ত ভূমিত বিভিন্ন পৈণত গছ-গছনি কাটি আৱৰ্জনা জমা কৰাৰ স্থল হিচাপে আৱণ্টন বিচাৰিছে। এই লৈ উক্ত অঞ্চলত ৰাইজৰ লগত নগৰ সমিতিৰ সংঘাতৰ সৃষ্টি হৈছে।



ছয়গাঁৱত উন্নয়নমূলক আঁচনি মুকলি বিধায়ক ৰেকিবুদ্দিন আহমেদৰ, বুধবাৰে।

## গণিত বিষয়ত এশ শতাংশ নম্বৰেৰে উজলিল সত্ৰশাল জাতীয় বিদ্যালয়ৰ নাহিন মুনকাৰ



অগ্ৰদূত বাৰ্তা

**বক্সিৰহাট, ৮ জুনঃ** গোলকগঞ্জ সমষ্টিৰ অন্তৰ্গত সত্ৰশাল জাতীয় বিদ্যাপীঠৰ এজন ছাত্ৰ গণিত বিষয়ত এশ শতাংশ নম্বৰ লাভ কৰিছে। জিয়াউল ৰহমান আৰু নাজিয়া ছবনমৰ পুত্ৰ নাহিনে অসমীয়াত ৮৭, ইংৰাজীত ৮৮, সাধাৰণ গণিতত ১০০, বিজ্ঞানত ৯৭, সমাজ বিজ্ঞানত ৯৫ আৰু ঐচ্ছিক গণিতত ৯৫ নম্বৰেৰে প্ৰথম স্থান অধিকাৰ কৰে। অখ্যাত অঞ্চলটোৰ পৰা সন্মানজনক নম্বৰ পাই উত্তীৰ্ণ হোৱাত বৃহৎ অঞ্চলৰ ৰাইজে ভূয়সী প্ৰশংসা কৰে। বিদ্যালয়খনৰ পৰা এইবাৰ মুঠ ৬১ গৰাকী ছাত্ৰ-ছাত্ৰী পৰীক্ষাত অৱতীৰ্ণ হৈছিল। ইয়াৰে ডিষ্টিংছন চাৰি, ষ্টাৰ ১৩ সহ প্ৰথম স্থান ৪৮ আৰু দ্বিতীয় বিভাগত ১৩ গৰাকী ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হয়। উল্লেখ্য যে ধুবুৰী জিলাখনৰ ভিতৰত ভাল ফলাফল প্ৰদৰ্শন কৰাত শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী উৎফুল্লিত হৈ পৰিছে।

## সুৰেন্দ্ৰ নাথ কলিতালৈ সমাজসেৱা বঁটা



**নলবাৰী, ৮ জুন ঃ** ছাত্ৰ অৱস্থাৰে পৰা বিভিন্ন সামাজিক অনুষ্ঠানৰ স'তে জড়িত হৈ সামাজিক কাৰ্যৰ সফল ৰূপায়ণ কৰা সুৰেন্দ্ৰ নাথ কলিতা মূলতঃ এগৰাকী সমাজহিতকৰ ব্যক্তি। আঞ্চলিক, জিলা আৰু ৰাজ্যিক পৰ্যায়ৰ বহু সামাজিক অনুষ্ঠানৰ স'তে জড়িত কলিতাই সুদীৰ্ঘ কাল নলবাৰী জিলাৰ হাৰিভাঙা হাইস্কুলত শিক্ষকতা কৰি সুখ্যাতিৰে অৱসৰ গ্ৰহণ কৰে। অঞ্চলটোৰ প্ৰায়বোৰ অনুষ্ঠানৰ স'তে জড়িত থাকি সামাজিক ভেটি সৱল কৰা কলিতাই হাৰিভাঙা শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, গাঁও উন্নয়ন সমিতিৰ প্ৰাক্তন সভাপতি, পাব্লিক লাইব্ৰেৰীৰ চাৰিটা কাৰ্যকালৰ সভাপতি, শ্ৰীশ্ৰী কলীয়া গোসাঁই মন্দিৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি, জ্যেষ্ঠ নাগৰিকৰ প্ৰাক্তন সভাপতি, নলবাৰী জিলা প্ৰাদেশিকৃত বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰী সন্থাৰ টিহু আঞ্চলিকৰ প্ৰাক্তন সভাপতিকে ধৰি আৰু বহু অনুষ্ঠানৰ সভাপতি-সম্পাদকৰ দায়িত্ব বহন কৰি সুচাৰুৰূপে কাৰ্য সম্পাদন কৰে। বৰ্তমানেও কলিতা সদৌ অসম প্ৰাদেশিকৃত বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰী সন্থাৰ উপ-সভাপতি পদত অধিষ্ঠিত হোৱাৰ লগতে নলবাৰী জিলা জ্যেষ্ঠ নাগৰিকৰো উপদেষ্টা। তেওঁ মমতা সাহিত্য একাডেমীৰ পৰা নাগপুৰত অনুষ্ঠিত ৰাষ্ট্ৰীয় শিক্ষক ৰত্ন বঁটা, সমন্বয় শিল্পী সাহিত্য পৰিষদত অসমৰ গৰা সমাজ সেৱা বঁটা লাভ কৰিছে। সুখৰ বিষয় এয়ে যে কলিতাই এইবেলি অৰ্থাৎ ১৯ মে' ২০২২ত নেপালৰ ৰাজধানী কাঠমাণ্ডুত ইণ্ডো নেপাল ফ্ৰেণ্ড শ্বিপ অৰ্গেনাইজেছনে অনুষ্ঠিত কৰা আন্তঃৰাষ্ট্ৰীয় সন্মিলনত সমাজসেৱা বঁটা লাভ কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনে। কাঠমাণ্ডুৰ ইউনিভাৰচেল কাফেত অনুষ্ঠিত সন্মিলনত কলিতাই ভাষণ প্ৰদান কৰিও সুনাম অৰ্জন কৰে। কলিতাক বঁটা প্ৰদান কৰে নেপালৰ প্ৰাক্তন সাংসদ ঋষিবাবু পৰিয়াৰে।

## উত্তৰ গুৱাহাটীত ম'বাইল চোৰক চূণৰ ফোঁট

অগ্ৰদূত বাৰ্তা

**উত্তৰ গুৱাহাটী, ৮ জুন ঃ** প্ৰথমে শিশুক মৰম কৰাৰ ছলেৰে পৰিয়ালৰ স'তে আত্মীয়তা। পাছত এখোজ-দুখোজকৈ লুণ্ঠনৰ ফন্দি। পিছে গৰাকীক চূণ ঘঁহিবলৈ অহা চোৰৰ মূৰত চূণ ঘঁহিলে ৰাইজে। উল্লেখ্য যে কণমানি শিশুক ফুচুলাই চুৰি কৰিবলৈ আহি হাতে-লোটে ধৰা পৰিল গভাইত চোৰ। আমিনগাঁও লঠিয়া বাগিচাৰ এঘৰত সংঘটিত কৰিছিল ম'বাইল চুৰি কাণ্ড। চুৰি কৰি পলায়নৰ চেষ্টা কৰোতে খেদি খেদি চোৰক কৰায়ত্বত্ত কৰিলে ৰাইজে। লাইট পোষ্টত বান্ধি চোৰৰ মূৰত চূণ সানি উত্তম-মধ্যম দি গতাই দিয়ে আৰক্ষীক। ৰাইজৰ ঔকিল খাই আধামৰা হোৱা চোৰজন ধুবুৰীৰ ৰেজাউল হক। মিস্ত্ৰিৰ বেশত ৰেজাউলে আশ্ৰয় লৈ চুৰি-ডকাইতিৰে অতিষ্ঠ কৰি আহিছিল ৰাইজক। ঘটনাস্থলীত আমিনগাঁও আৰক্ষী উপস্থিত হৈ আটক কৰে গভাইত চোৰজনক। চোৰ ৰেজাইলক আৰক্ষীক গটাইহে কিছু শান্তি পালে ৰাইজে।

## কৃষ্ণাইত শিক্ষান্ত পৰীক্ষাৰ ফলাফল হতাশজনক

# চৰকাৰীতকৈ বেচৰকাৰী শিক্ষানুষ্ঠানৰ ফলাফল উন্নত

অগ্ৰদূত বাৰ্তা

**কৃষ্ণাই, ৮ জুন ঃ** সদ্য ঘোষিত হাইস্কুল আৰু হাইমাদ্ৰাছা শিক্ষান্ত পৰীক্ষাৰ ফলাফল গোৱালপাৰা জিলাৰ কৃষ্ণাই অঞ্চলৰ বাবে মুঠেই সন্তোষজনক নহয়। এইবেলি কৃষ্ণাই অঞ্চলৰ প্ৰায় আটাই কেইখন চৰকাৰী বিদ্যালয়ৰে শিক্ষান্ত পৰীক্ষাৰ ফলাফল অতি হতাশজনক। ইয়াৰ বিপৰীতে ব্যক্তিগত খণ্ডৰ বিদ্যালয় কেইখনে কিছু ভাল ফলাফল প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। তথ্য অনুসৰি, কৃষ্ণাই মন্টেশ্বৰী হাইস্কুলৰ পৰা চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হৈছিল মুঠ ৩০ গৰাকী পৰীক্ষাৰ্থী। ইয়াৰ ভিতৰত পাঁচগৰাকীয়ে ডিষ্টিংছন, ১০ গৰাকীয়ে ষ্টাৰ, আঠগৰাকী প্ৰথম আৰু ছয়গৰাকীয়ে দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। অনুত্তীৰ্ণ হয় এজন। তেনেদৰে শংকৰদেৱ শিশু বিদ্যা নিকেতন, কৃষ্ণাইৰ পৰা মুঠ ৩৯ গৰাকী পৰীক্ষাৰ্থীয়ে শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈছিল। ইয়াৰে পাঁচ ষ্টাৰ, পাঁচগৰাকীয়ে প্ৰথম, ১২ গৰাকীয়ে দ্বিতীয় আৰু তিনিজনে তৃতীয় বিভাগ লাভ কৰে। শিক্ষানুষ্ঠানখনৰ পৰা মুঠ ১৫ গৰাকী পৰীক্ষাৰ্থী অনুত্তীৰ্ণ হয়। আনহাতে, কৃষ্ণাই পাব্লিক স্কুলৰ সাতগৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত তিনি ষ্টাৰ, দুইগৰাকী প্ৰথম আৰু এগৰাকী দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। অনুত্তীৰ্ণ হয় এজন।

## গোৱালপাৰা জাতীয় বিদ্যালয়ৰ সাফল্য

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ৮ জুন ঃ** গোৱালপাৰা চহৰৰ মৰিয়ম নগৰস্থিত ব্যক্তিগত খণ্ডৰ গোৱালপাৰা জাতীয় বিদ্যালয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উৎকৃষ্ট ফলাফল প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। তথ্য মতে, এইবাৰ বিদ্যালয়খনৰ পৰা মুঠ ৭৯ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে মেট্ৰিক পৰীক্ষাত অৱতীৰ্ণ হৈছিল। ইয়াৰে ১০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে ডিষ্টিংছন, আঠ ষ্টাৰ নম্বৰ সহ প্ৰথমত ৪১, দ্বিতীয়ত ৩০ আৰু তৃতীয় বিভাগত চাৰিগৰাকী উত্তীৰ্ণ হোৱাৰ বিপৰীতে চাৰিগৰাকী অনুত্তীৰ্ণ হয়। কালি ফলাফল ঘোষণাৰ পাছতে বিদ্যালয়খনত ডিষ্টিংছন, ষ্টাৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক ফুলাম গামোচা আৰু জাপিৰে সম্বৰ্ধনা জনায় বিদ্যালয় কৰ্তৃপক্ষই। এই সন্দৰ্ভত অনুষ্ঠিত সম্বৰ্ধনা সভাত সভাপতিত্ব কৰে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি আবুল হাসেমে। বিদ্যালয় পৰিচালনা সমিতিৰ সম্পাদক গাজিবৰ ৰহমানে আঁত ধৰা সভাত বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱকসকল উপস্থিত থাকে।

## পশ্চিম যোৰহাটৰ গ্ৰামাঞ্চলৰ বিদ্যালয়ৰ সন্তোষজনক ফলাফল

অগ্ৰদূত বাৰ্তা

**পশ্চিম যোৰহাট, ৮ জুন ঃ** কালি ঘোষণা হোৱা মেট্ৰিক পৰীক্ষাৰ ফলাফলত সন্তোষজনকভাৱে উজলি উঠিছে গ্ৰামাঞ্চলৰ বিদ্যালয়সমূহ। পশ্চিম যোৰহাটৰ বৰখণ্ডীয়াত হাইস্কুলে সমগ্ৰ দহোটিয়া পৰীক্ষা কেন্দ্ৰৰ ভিতৰতে শ্ৰেষ্ঠ ফলাফল লাভ কৰে। বিদ্যালয়ত ১৯ জন ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হয়। ইয়াৰে ১২ প্ৰথম, ছয় দ্বিতীয় আৰু এগৰাকীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হয়। তিনিগৰাকীয়ে ডিষ্টিংছন লাভ কৰি দহোটিয়া পৰীক্ষা কেন্দ্ৰটোৰ ভিতৰত শ্ৰেষ্ঠ হয়। টেকেলাগাঁও তৃণমূল জাতীয় বিদ্যালয়ৰ ছয় গৰাকী পৰীক্ষাত উত্তীৰ্ণ হৈছিল। ইয়াৰে পাঁচগৰাকীয়ে প্ৰথম বিভাগসহ কে'বাটাও বিষয়ত ষ্টাৰমাৰ্ক লাভ কৰে। মন কৰিবলগীয়া যে ৰাহুল বৰা নামৰ ছাত্ৰজনে গণিত বিষয়ত এশ নম্বৰ লাভ কৰে। দহোটিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰীক্ষা কেন্দ্ৰৰ অন্তৰ্গত বিদ্যালয়সমূহত ভাল ফলাফল লাভ কৰে। আনহাতে, সকাইখণ্ডীয়া উচ্চ মাধ্যমিক বিদ্যালয়ৰ ১৫ প্ৰথম, ৪২ দ্বিতীয় আৰু ১৬ গৰাকীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হয়।

### গণিতত ১০০ নম্বৰ লাভ ছাত্ৰৰ

## চিকমিক ক্লাবৰ ৰূপালী জয়ন্তী বৰ্ষত চিকিৎসা শিবিৰ-গছপুলি বিতৰণ



**ছয়গাঁও, ৮ জুন ঃ** ছয়গাঁৱৰ অন্যতম সামাজিক-সাংস্কৃতিক অনুষ্ঠান চিকমিক ক্লাবৰ ৰূপালী জয়ন্তী বৰ্ষ উপলক্ষে কালি শ্ৰীমন্ত শংকৰদেৱ কলা-কৃষ্টি বিকাশ কেন্দ্ৰত বিনামূলীয়া চিকিৎসা শিবিৰ, বৃক্ষৰোপণ আৰু বৃক্ষ বিতৰণ কাৰ্যসূচী আয়োজন কৰা হয়। কাৰ্যসূচী অনুসৰি, পুৱা চিকমিক ক্লাবৰ সভাপতি মুকুল দাসে পতাকা উত্তোলন কৰাৰ পাছতে সাধাৰণ সম্পাদকে বন্তি প্ৰজ্বলন কৰে। তাৰ পাছতে আয়োজন কৰা মুকলি সভাত ভাষণ প্ৰদান কৰে মহকুমা স্বাস্থ্য বিষয়া ডাঃ ৰাধা চৰণ দাস, গ্ৰামীণ চাহাৰাৰ কাৰ্যবাহী বিষয়া শৰৎ চন্দ্ৰ দাস, ছয়গাঁৱৰ সংলগ্ন চক্ৰ বিষয়া অম্বৰীশ বৰা, সভাপতি মুকুল দাস, স্বাস্থ্য বিষয়া উমেশ চৌধুৰী, চিকিৎসক ডাঃ কৈলাশ ঠাকুৰীয়া প্ৰমুখ্যে ভালেমান বিশিষ্ট ব্যক্তি। ইয়াৰ পাছতে চিকমিক ক্লাবৰ ৰূপালী জয়ন্তী বৰ্ষৰ কেক্‌ কাটি অনুষ্ঠানৰ আৰম্ভ কৰে ব্যৱসায়ী শান্তি কুমাৰ জৈনে। চিকমিক ক্লাবৰ চিকিৎসা শিবিৰত ২৫০ গৰাকী ৰোগীক চিকিৎসা প্ৰদান কৰা হয়। আনহাতে, ছয়গাঁৱৰ বহু অনুষ্ঠান-প্ৰতিষ্ঠানক গছৰ পুলি বিতৰণ কৰা হয়।

## লংকাত এখনৰ শূন্য ফলাফল ঃ মেট্ৰিকৰ উত্তীৰ্ণৰ হাৰ প্ৰায় ৪৫ শতাংশ

অগ্ৰদূত বাৰ্তা

**লংকা, ৮ জুন ঃ** লংকা চহৰৰ হাইস্কুলসমূহৰ এইবাৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহত প্ৰায় ১০০ উত্তীৰ্ণ হাৰ যদিও চৰকাৰী খণ্ডৰ বিদ্যালয়সমূহৰ উত্তীৰ্ণ হাৰ নিম্নমানৰ হোৱাৰ ফলত লংকাত উত্তীৰ্ণৰ হাৰ ৪৫ শতাংশ হয়। লংকা চহৰৰ চৰকাৰী বিদ্যালয়ৰ লংকা হাইস্কুলৰ সৰ্বমুঠ ১৫২জন ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত অৱতীৰ্ণ হয় যদিও উত্তীৰ্ণ হাৰ ৪৩-৪২ হোৱা দেখা যায়। আনহাতে, লংকা পৰশুৰাম ছোৱালী হাইস্কুলৰ ৪০ গৰাকী ছাত্ৰীয়ে পৰীক্ষাত অৱতীৰ্ণ হয় যদিও উত্তীৰ্ণ হাৰ ৫২.০৫ নেতাজী বিদ্যা নিকেতনৰ ১৪৮ গৰাকী ছাত্ৰ- ছাত্ৰীৰ ভিতৰত উত্তীৰ্ণ হাৰ ৩০-৪০ । ৰাষ্ট্ৰভাষা বিদ্যালয়ৰ ৭৮ ভিতৰত উত্তীৰ্ণ হাৰ ২৪.৩৫, লংকা পাব্লিক হাইস্কুলৰ ১৩৬ জন ছাত্ৰ-ছাত্ৰী পৰীক্ষাত অৱতীৰ্ণ হয় যদিও তাৰ ভিতৰত উত্তীৰ্ণৰ হাৰ ১৯.৪০ বাকী চৰকাৰী বিদ্যালয়ৰসমূহৰ উত্তীৰ্ণ হাৰৰ মান বহু পৰিমাণে নিম্নমানৰ হোৱা উপৰি লংকা এস্কছাৰ্ভিচ মেন হাইস্কুল এন এৰিয়াৰ বিদ্যালয়ৰ ২৫ গৰাকী ছাত্ৰীৰ ভিতৰত এগৰাকীও উত্তীৰ্ণ নহ'ল, শূন্য হ'ল ফলাফল। আনহাতে, লংকা বে-চৰকাৰী খণ্ডৰ বিদ্যালয়ৰ বাৰ্ডছ ইংলিছ স্কুলৰ ৯২ গৰাকী ছাত্ৰ- ছাত্ৰীৰ ভিতৰত ১০০ উত্তীৰ্ণ হয়। ডিষ্টিংছন ১৩ জন, ষ্টাৰ মাৰ্ক ২০ জন, লংকা শংকৰদেৱ বিদ্যা নিকেতনত ৪৬ জনৰ ভিতৰত উত্তীৰ্ণৰ হাৰ ৯৮ । ডিষ্টিংছন পাঁচজন, ষ্টাৰ মাৰ্ক ১২ জন। মৰডাৰ্ণ গুৰুকুল স্কুলৰ ১২ গৰাকী ছাত্ৰ-ছাত্ৰীৰ উত্তীৰ্ণৰ হাৰ ৯১.৬৬ ডিষ্টিংছন তিনিজন, ষ্টাৰ মাৰ্ক এজন।

## ৰঙাচকুৱাত সমীক্ষা গৌতম-চুমি বৰাৰ সফলতা

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ৮ জুন ঃ** হাইস্কুল শিক্ষান্ত পৰীক্ষাত শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ উত্তৰাঞ্চলৰ চাৰিপুখুৰী নিৱাসী সমিক্ষা গৌতম আৰু ৰঙাচকুৱা নিৱাসী চুমি বৰাই কৃতিত্ব দেখুৱাইছে। ৰঙাচকুৱাস্থিত মাউণ্ট চিনাই ইংলিছ হাইস্কুলৰ মেধাৱী ছাত্ৰী আছিল সমীক্ষা আৰু চুমি। চাৰিপুখুৰীৰ নিৱাসী সান্তনু গৌতম আৰু ৰূপালী গৌতমৰ কন্যা সমীক্ষাই ৮৭ শতাংশ আৰু ৰঙাচকুৱা নিৱাসী অপূৰ্ব বৰা আৰু উপমা বৰাৰ কন্যা চুমিয়ে ৮৯ শতাংশ লাভ কৰি ডিষ্টিংছনৰে উত্তৰাঞ্চলৰ চাৰিপুখুৰী আৰু ৰঙাচকুৱা অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়। মেধাৱী ছাত্ৰী সমীক্ষাই অসমীয়াত ৮৮, ইংৰাজীত ৯১, গণিতত ৯১, বিজ্ঞানত ৮৪, সামাজিক বিজ্ঞানত ৮৬, ভূগোল বিষয়ত ৮২ নম্বৰেৰে সৰ্বমুঠ ৫২২ নম্বৰসহ ডিষ্টিংচনৰে চাৰিপুখুৰী অঞ্চললৈ গৌৰৱ কঢ়িয়াই অনাৰ লগতে চুমিয়েও ৮৯ শতাংশৰে বিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনে। বিদ্যালয়খনত পাঁচজনে ডিষ্টিংছন আৰু পাঁচজনে ষ্টাৰ নম্বৰৰ স'তে সৰ্বমুঠ ৩৫ জন উত্তীৰ্ণ হয়। সমীক্ষাৰ লগতে চুমিৰ এনে বৃহৎ সফলতাকে শৈক্ষিক মহলে ভূয়সী প্ৰশংসা কৰে।

## ডিগবৈ মহিলা মহাবিদ্যালয়ৰ ছাত্ৰী গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা

**ডিগবৈ, ৮ জুন ঃ** যোৱা ২৯ মে'ত ডিগবৈ মহিলা মহাবিদ্যালয়ত অধ্যয়নৰত উচ্চতৰ মাধ্যমিক কলা শাখাৰ টিনাৰীকা মুদৈ নামৰ এগৰাকী ছাত্ৰীয়ে সহপাঠী দুগৰাকীৰ লগত হোৱা তৰ্কাতৰ্কিক লৈ সাম্প্ৰদায়িক মন্তব্যৰে অশ্লীল গালি-শপনি পৰা অডিঅ'ক্লিপ সামাজিক মাধ্যম হোটছআপৰ জৰিয়তে বিয়পি পৰিছিল। অডিঅ' ক্লিপটোত তাই আহোম আৰু গোৰ্খা সম্প্ৰদায়ক তুচ্ছ-তাচ্ছিল্যসূচক মন্তব্য কৰি সামাজিকভাৱে অশালীন শব্দ প্ৰয়োগেৰে গালি-শপনি পৰাত ডিগবৈ আঞ্চলিক তাই আহোম যুৱ পৰিষদ আৰু মহিলা পৰিষদে ডিগবৈ আৰক্ষী থানাত ছাত্ৰীগৰাকীৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে। ডিগবৈ আৰক্ষী থানাত ১০২/২০২২ইউ/এছ২৯৪/১৫৪ এ, আইপিচি আৰ ডব্লিউ ৬৬ আইটি ধাৰাত ৰুজু হোৱা গোচৰৰ ওপৰত ভিত্তি কৰি কালি অভিযুক্ত ছাত্ৰী টিনাৰীকা মুদৈক নিজা বাসগৃহৰ পৰা ডিগবৈ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰে।

### ডিগবৈ আঞ্চলিক তাই আহোম যুৱ পৰিষদ-মহিলা পৰিষদৰ এজাহাৰৰ ভিত্তিত জেললৈ প্ৰেৰণ

## কপাহেৰা শংকৰদেৱ বিদ্যা নিকেতনৰ ধাৰাবাহিক সফলতা

অগ্ৰদূত বাৰ্তা

**বেবেজীয়া, ৮ জুন ঃ** নগাঁও আৰু মৰিগাঁও জিলাৰ সীমামূৰীয়া কপাহেৰাৰ শংকৰদেৱ বিদ্যা নিকেতনৰ ছাত্ৰ-ছাত্ৰীসকলে বিগত বৰ্ষসমূহৰ দৰে এইবাৰো হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত এশ শতাংশ হাৰত উত্তীৰ্ণৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছে। বিদ্যা নিকেতনকখনৰ পৰা এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰত ২৯ জনে প্ৰথম আৰু ১২ জনে দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈছে। তাৰ ভিতৰত ছজনে ডিষ্টিংছন, নজনে ষ্টাৰ মাৰ্ক লাভ কৰিছে। তিনিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে উচ্চ গণিত বিষয়ত আৰু এজন ছাত্ৰই সাধাৰণ গণিত বিষয়ত এশ নম্বৰ পাইছে। কপাহেৰা ঘুমটিগাঁৱৰ স্বৰ্গীয় প্ৰভাত চন্দ্ৰ নাথ আৰু ৰিজুমণি দেৱীৰ পুত্ৰ বিজু কুমাৰ নাথে সামগ্ৰিকভাৱে ৯২.৬৬ শতাংশ নম্বৰ লাভ কৰি বিশেষ সফলতাৰে নিকেতনলৈ গৌৰৱ কঢ়িয়াই আনিছে। বিগত চাৰিবছৰ ধৰি একেৰাহে শংকৰদেৱ বিদ্যা নিকেতনখনৰ এই ধাৰাবাহিক সাফল্যৰ ধাৰাৰ বাবে অঞ্চলবাসীয়ে আচাৰ্য-আচাৰ্যা তথা পৰিচালনা সমিতি আৰু অভিভাৱকসকলক শুভেচ্ছা জনাইছে।

## আজাৰা ৰাজহ চক্ৰত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ সন্তোষজনক ফলাফল

অগ্ৰদূত বাৰ্তা

**আজাৰা, ৮ জুন ঃ** আজাৰা ৰাজহ চক্ৰৰ অঞ্চলৰ বিভিন্ন বিদ্যালয়ৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত ফলাফলে যিদৰে একাংশ বিদ্যালয় উৎফুল্লিত হোৱা দেখা গৈছে, ঠিক তেনেদৰে আন একাংশ বিদ্যালয়ৰ ফলাফলৰ বাবে সচেতন ৰাইজ চিন্তিত হোৱা দেখা গৈছে। অঞ্চলটোৰ অন্যতম পুৰণি শিক্ষানুষ্ঠান আজাৰাস্থিত ৰাজধৰ বড়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উত্তীৰ্ণৰ হাৰ ৯৩.২ শতাংশ। আনহাতে, ধাৰাপুৰস্থিত ধাৰাপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উত্তীৰ্ণৰ হাৰ ৭৮.৩৮ শতাংশ। বঙাৰাস্থিত শ্ৰী শংকৰদেৱ হাইস্কুলৰ উত্তীৰ্ণৰ হাৰ ৭৩.৮ শতাংশ। পলাশবাৰী আঞ্চলিক হাইস্কুলৰ উত্তীৰ্ণৰ হাৰ ৭৫ শতাংশ, আজাৰা চন্দ্ৰ প্ৰভা বড়া হাইস্কুলৰ উত্তীৰ্ণৰ হাৰ ৮৫.৯৩ শতাংশ আৰু শ্যামভূমি হাইস্কুলৰ উত্তীৰ্ণৰ হাৰ ৩৩ শতাংশ। উল্লেখ্য যে শ্যামভূমি হাইস্কুলত বিগত কে'বা বছৰ ধৰি মাথোঁ দুগৰাকীহে শিক্ষক আছিল। তাৰ ফলত পাঠদান কৰাত বিভিন্ন সমস্যাৰ সৃষ্টি হৈছিল।

## দেওমৰনৈৰ দুখন বিদ্যালয়ত এশ শতাংশ উত্তীৰ্ণ

অগ্ৰদূত বাৰ্তা

**দেওমৰনৈ, ৮ জুন ঃ** সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত দৰং জিলাৰ দেওমৰনৈ অঞ্চলৰ দুখন বিদ্যালয়ৰ এশ শতাংশ ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হৈছে। দেওমৰনৈৰ নিকটৱৰ্তী লেংগেৰীয়াঝাৰ কৃষক হাইস্কুলৰ পৰা এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱা মুঠ ৮১ গৰাকী ছাত্ৰ-ছাত্ৰীৰ আটাইকেইগৰাকী ছাত্ৰ-ছাত্ৰীয়ে উত্তীৰ্ণ হৈছে। বিদ্যালয়খনৰ পৰা তিনিজনে ডিষ্টিংছন নম্বৰ আৰু আঠজনে ষ্টাৰ নম্বৰসহ মুঠ ৩৮ জন ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম বিভাগত উত্তীৰ্ণ হয়। দ্বিতীয় বিভাগত ৪২জন আৰু এজনে তৃতীয় বিভাগত উত্তীৰ্ণ হয়। উল্লেখ্য যে দৰং জিলাৰ ভিতৰতে উল্লেখযোগ্য বিদ্যালয়খনৰ পৰা ২০১১ ৰ পৰা ২০১৮ লৈ একেৰাহে আঠ বছৰ এশ শতাংশ ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হোৱাৰ লগতে ২০২১ আৰু ২০২২ বৰ্ষতো এশ শতাংশ উত্তীৰ্ণৰে ১০ বছৰ এশ শতাংশ ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণৰ গৌৰৱ অৰ্জন কৰে। আনহাতে, দেওমৰনৈ ছোৱালী হাইস্কুলৰ পৰাও এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত এশ শতাংশ ছাত্ৰী উত্তীৰ্ণ হয়। নাৰী শিক্ষাৰ অনুষ্ঠানখনৰ পৰা ছয়গৰাকী ছাত্ৰীয়ে ষ্টাৰ নম্বৰসহ মুঠ ২০ ছাত্ৰী প্ৰথম, ১৩ দ্বিতীয় আৰু এগৰাকীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হয়। বিদ্যালয় দুখনৰ এনে কৃতিত্বত আঞ্চলিক ৰাইজে আনন্দ প্ৰকাশ কৰিছে।

### লেংগেৰীয়াঝাৰ কৃষক হাইস্কুলত ১০ বছৰে এশ শতাংশ উত্তীৰ্ণ

## সংবাদমেলযোগে চাফাই গালে ধুমাৰ পথাৰ গাঁও পঞ্চায়তৰ সভানেত্ৰীয়ে



অগ্ৰদূত বাৰ্তা

**শালবাৰী, ৮ জুন ঃ** বজালী জিলাৰ ধুমাৰ পথাৰত কালি ১১৫ নম্বৰ ধুমাৰ পথাৰ গাঁও পঞ্চায়তৰ সভানেত্ৰী সূৰ্য ভানুৱে এখন সংবাদমেলৰ আয়োজন কৰে। সংবাদমেলৰ জৰিয়তে সভানেত্ৰীগৰাকীয়ে ৰাইজে তেওঁৰ বিৰুদ্ধে কৰা এক অভিযোগ খণ্ডন কৰে। কিছুদিনপূৰ্বে সভানেত্ৰীগৰাকীৰ বিৰুদ্ধে 'পিএমএৱাই' (চৰকাৰী) আৱাস গৃহৰ নামত সাধাৰণ দৰিদ্ৰ লোকৰ গৃহৰ জিঅ' টেক কৰি ধন লৈ দুৰ্নীতি কৰা বুলি অভিযোগ উত্থাপন কৰিছিল ৰাইজে। তাৰ পাছতে সভানেত্ৰীগৰাকীৰ বিৰুদ্ধে সংবাদ মাধ্যমত বাতৰিও প্ৰচাৰ হৈছিল। আজি সভানেত্ৰীগৰাকীয়ে এই অভিযোগ সম্পূৰ্ণ মিছা আৰু ভিত্তিহীন বুলি কয়। যদি এই কথাটোৰ কোনো প্ৰমাণ থাকে তেন্তে শীঘ্ৰেই তেওঁ সভানেত্ৰী পদৰ পৰাও পদত্যাগ কৰাৰ কথাও সদৰী কৰে। সংবাদমেলত সভানেত্ৰীগৰাকীৰ সপক্ষত পঞ্চায়তৰ 'জিআৰএছে'ও মন্তব্য কৰে।

## বৰভাগত শংকৰদেৱ শিশু নিকেতনৰ এশ শতাংশ উত্তীৰ্ণ

অগ্ৰদূত বাৰ্তা

**বৰভাগ, ৮ জুন ঃ** হাইস্কুল শিক্ষান্ত পৰীক্ষাত নলবাৰী জিলাৰ বৰভাগৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ লগতে চৰকাৰী খণ্ডৰ বিদ্যালয়ৰ ফলাফল সন্তোষজনক। কালি ঘোষণা কৰা ফলাফল অনুসৰি, বৰভাগ কালাগ উচ্চতৰ মাধ্যমিক বিদ্যালয় কেন্দ্ৰৰ অন্তৰ্গত আইতৰু উচ্চ মাধ্যমিক বিদ্যালয়ৰ ৬৬.৫৭, বৰভাগ কালাগ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৮২, বৰভাগ হাইস্কুল ৬৬, বৰবৰী হাইস্কুল ৭৩.৭, দক্ষিণ বৰভাগ হাইস্কুল ৬৫.৫, দোকোহা হাইস্কুল ৩৪, গাথা মৌজা কালী মন্দিৰ হাইস্কুল ৫১.৫, কমাৰকুছি উচ্চ মাধ্যমিক বিদ্যালয় ৬৯.২, ছহিদ মুকুন্দ কাকতি বিদ্যালয় ৬৫, শংকৰদেৱ শিশু নিকেতন বৰভাগ ৯৮ আৰু শংকৰদেৱ শিশু নিকেতন বৰমূৰিকোণাৰ এশ শতাংশ উত্তীৰ্ণ হয়।

# হাজোৰ গেৰুৱা ধান গৱেষণা কেন্দ্ৰত কৃষক সমাৰোহ ঃ প্ৰদৰ্শনী মুকলি

অগ্ৰদূত বাৰ্তা

**হাজো, ৮ জুন ঃ** হাজোৰ গেৰুৱাস্থিত আঞ্চলিক বৰষুণ নিৰ্ভৰশীল দ' ভূমিৰ ধান গৱেষণা কেন্দ্ৰ, ৰাষ্ট্ৰীয় ধান গৱেষণা প্ৰতিষ্ঠান ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ উদ্যোগত আজি গৱেষণা প্ৰতিষ্ঠান প্ৰাংগণত কৃষক সমাৰোহ অনুষ্ঠিত হয়। এই উদ্দেশ্যে এখন সভা অনুষ্ঠিত হয়। কালি অসমৰ ১০ খন জিলাৰ পৰা অহা কৃষক প্ৰতিনিধিসকলৰ নাম পঞ্জীয়ন কৰাৰ পাছত দিনৰ ১০ বজাত কৃষি প্ৰদৰ্শনীৰ দ্বাৰ মুকলি কৰে ড° এম এইছ হাজৰিকাই। দিনৰ ১১ বজাৰ পৰা কৃষক সমাৰোহ অনুষ্ঠিত হয়। গিতিমণি পাটগিৰিয়ে আঁতধৰা সহাৰোহৰ আদৰণি ভাষণ দিয়ে গেৰুৱা ধান গৱেষণা কেন্দ্ৰৰ মুখ্য বিজ্ঞানী ড° ৰূপাংকৰ ভাগৱতীয়ে। সমাৰোহত অংশগ্ৰহণ কৰি কৃষি বিজ্ঞানী ড° কৈলাশ বৰ্মন, কৃষি বিভাগৰ অৱসৰপ্ৰাপ্ত উপ-সঞ্চালক ভাৰতজ্যোতি বৰঠাকুৰ, কৃষি বিজ্ঞানী ড° ধীৰেন কলিতা, ড° ডালিম পাঠক, ড° কমল মল্ল বুজৰবৰুৱা, কৃষি বিষয়া ভাৰত ৰাজবংশী আৰু ড° এম এইছ হাজৰিকাই কৃষকসকলক উদ্দেশ্যি বিভিন্ন দিহা পৰামৰ্শ আগবঢ়োৱাৰ লগতে কেনে ধৰণৰ বীজ সিচিলে অধিক উৎপাদন কৰিব পাৰি বুজাই দিয়ে। অনুষ্ঠানত কৃষি খণ্ডলৈ আগবঢ়োৱা চাৰিগৰাকী কৃষি বিজ্ঞানীলৈ জীৱন জোৰা সাধনা বটাঁ প্ৰদান কৰে। এই অনুস্থানত এনআৰআৰআইৰ তৰফৰ পৰা ২০২১ৰ তিনিগৰাকী শ্ৰেষ্ঠ কৃষক ক্ৰমে বৰপেটাৰ বিচিত্ৰ ৰয়, দৰঙৰ হীমা চহৰীয়া আৰু বাগ্‌সাৰ মৃদাংশ্ৰী বৰোক বঁটা প্ৰদান কৰে। আজিৰ এই অনুষ্ঠানতে ১০ খন জিলাৰ পৰা অহা ১০ গৰাকী কৃষকক বিভিন্ন কৃষি সজুলি প্ৰদান কৰে যদিও পৰৱৰ্তী সময়ত আইচিআৰৰ তৰফৰ পৰা ১৩ খন জিলাত ১৬ খন পাৱাৰ টিলাৰ ২০০ পুৰুষ মহিলাক চাইকেল, ৪০০ টা স্পে মেচিন, চলাৰ লাইট চিষ্টেম ৫০ টা ১০০ খন টিৰপাল, ৫০০টা ৰেইন কোট আৰু ৮৫ খন ডাঙৰ তুলাচনী (দগা পাল্লা) কৃষকক প্ৰদান কৰিব বুলি আইচিআৰৰ মুখ্য বিজ্ঞানী ড° কাঞ্চন শইকীয়াই জানিবলৈ দিয়ে। বিয়লি চাৰি বজাত বিভিন্ন প্ৰান্তৰ পৰা অহা কৃষকসকলক ধান গৱেষণা কেন্দ্ৰত কেনেদৰে উন্নত জাতৰ ধানৰ বীজ উৎপাদন কৰিব পাৰি বুজাই দিয়ে।

## ৰোহিনী মেধিৰ মৃত্যু বাৰ্ষিকী পালন

**বৰমা, ৮ জুন ঃ** বৰমাৰ বাগ্‌সা প্ৰেছ ক্লাব প্ৰাংগণত কালি বিশিষ্ট সাহিত্যিক, সদৌ অসম সাংবাদিক সন্থা আৰু নলবাৰী জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বাগ্‌সা প্ৰেছ ক্লাবৰ প্ৰতিষ্ঠাপক সম্পাদক ৰোহিনী মেধিৰ সপ্তম মৃত্যুবাৰ্ষিকী পালন কৰা হয়। বাগ্‌সা প্ৰেছ ক্লাবৰ সম্পাদক অনুপম তালুকদাৰে আঁত ধৰা অনুষ্ঠানত প্ৰয়াত ৰোহিনী মেধিৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰে প্ৰেছ ক্লাবৰ সভাপতি ধ্ৰুৱ শৰ্মা আৰু উপ-সভাপতি ভাৰত ৰাজবংশীয়ে। পুষ্পাঞ্জলি অৰ্পণ কৰে সম্পাদক অনুপম তালুকদাৰ, কাৰ্যালয় সম্পাদক দিলীপ বড়োকে ধৰি কে'বাগৰাকী প্ৰেছ ক্লাবৰ সদস্যই।

# মধুপুৰ সত্ৰত অব্যাহত অবৈধ নিৰ্মাণ কাৰ্য

## ■ উপায়ুক্তৰ ঘোষণা অসাৰ ■ ঠিকাদাৰৰ দ্বাৰা ডেকা সত্ৰাধিকাৰ অপদস্থ



বনগাঁও চ'লা উচ্চ মাধ্যমিক বিদ্যালয়ৰ কৃতী ছাত্ৰ-ছাত্ৰীক লৈ শোভাযাত্ৰা।

**অগ্ৰদূত বাৰ্তা**

**হাউলী, ৮ জুন ঃ** অসমীয়া জাতিৰ আবেগ-অনুভূতিৰ লগত একাত্ম হৈ থকা উত্তৰ বংগৰ কোচবিহাৰত অৱস্থিত ইতিহাস প্ৰসিদ্ধ মধুপুৰ সত্ৰত যোৱা কিছুদিন ধৰি চলি থকা কেতবোৰ সত্ৰীয়া সংস্কৃতি বিৰোধী কাম-কাজে সত্ৰখনৰ লগত সংপৃক্ত হৈ থকা জগতগুৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অমূল্য জ্ঞান-গৰিমা বিঘ্নিত আৰু লাঘৱ কৰাৰ লগতে সমগ্ৰ মহাপুৰুষীয়া একশৰণ নামধৰ্মৰ প্ৰতি এক অশনি সংকেত কঢ়িয়াই আনিছে। এনে ধৰণৰ কাৰ্যই মহাপুৰুষজনাৰ লগতে আতাপুৰুষসকলৰ অৱদানক মষিমূৰ কৰিবলৈ বিচৰা হৈছে। মধুপুৰ সত্ৰ সমিতিৰ লগতে সমগ্ৰ অসমৰ বিভিন্ন সত্ৰৰ সত্ৰাধিকাৰ, ভকত বৈষ্ণৱৰ উপৰি উত্তৰ বংগৰ মহাপুৰুষ শংকৰদেৱৰ হেজাৰ হেজাৰ অনুগামীৰ প্ৰবল বিৰোধিতা সত্ত্বেও সত্ৰ চৌহদত সত্ৰৰ সকলো ৰীতি-নীতি আৰু পৰম্পৰাক ভেঙুচালি কৰাৰ লগতে সত্ৰ কীৰ্তন ঘৰৰ গুৰু আসনত মৰ্যাদা হানি কৰি শংকৰদেৱৰ নীতি আৰু আদৰ্শক পদাঘাত কৰিবলৈ কুণ্ঠাবোধ নকৰা এক অসাধু চক্ৰই এক ব্যৱসায়িক প্ৰতিষ্ঠান গঢ়ি তোলাৰ লক্ষ্য আগত ৰাখি এটা তিনিমহলীয়া ভৱনৰ নিৰ্মাণ কাৰ্য চলাই আছে বুলি মধুপুৰ সত্ৰ সমিতিৰ প্ৰচাৰ সম্পাদক যুগান্ত বায়নে এক বিবৃতিযোগে জনায়। সমিতিয়ে বিবৃতিযোগে জনোৱা মতে, মধুপুৰ সত্ৰ সমিতিৰ সভাপতি জিতেন্দ্ৰ নাথ প্ৰধানীৰ স'তে যোৱা তিনি জুনত ধুবুৰী জিলাৰ উপায়ুক্তৰ স'তে হোৱা এক আলোচনাৰ সময়ত উপায়ুক্তই এই নিৰ্মাণ কাৰ্য বন্ধ কৰা হ'ব বুলি গ্ৰহণ কৰা সিদ্ধান্তৰ বিষয়ে অৱগত কৰিছিল। কিন্তু উপায়ুক্তৰ নে সিদ্ধান্ত অংগুষ্ঠ প্ৰদৰ্শন কৰি চূড়ান্ত মইমতালিৰেল ফটিক নেওগ আৰু সুনীল ভৰালী নামৰ দুজন ঠিকাদাৰৰ দ্বাৰা মহাপুৰুষজনাৰ ঐতিহ্যক চৰম অপমান কৰি নিৰ্মাণ কাৰ্য চলাই আছে। প্ৰাপ্ত অভিযোগ মতে, বৰ্তমানৰ বুঢ়া সত্ৰাধিকাৰ দুজনে ঠিকাদাৰৰ এনে কাৰ্য উৎসাহিত কৰি আহিছে। ঠিকাদাৰ দুজনৰ উদ্যোগতে সত্ৰ চৌহদত মাদক দ্ৰব্যজাতীয় ১৩ পৃষ্ঠাত চাওক

## হাইস্কুল শিক্ষান্ত পৰীক্ষাত তামুলপুৰৰ কে'বাখনো শিক্ষানুষ্ঠানৰ এশ শতাংশ উত্তীৰ্ণ

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ , ৮ জুন ঃ** কালি ঘোষণা কৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত নৱ গঠিত তামুলপুৰ জিলাৰ কে'বাখনো শিক্ষানুষ্ঠানৰ এশ শতাংশ উত্তীৰ্ণ হোৱাৰ গৌৰৱ অৰ্জন কৰিছে । প্ৰাপ্ত তথ্য অনুসৰি, শিশু-শিক্ষা সমিতি অসমৰ দ্বাৰা পৰিচালিত শংকৰদেৱ বিদ্যা নিকেতন তামুলপুৰৰ পৰা এইবেলি মুঠ ৫৬ গৰাকী পৰীক্ষাৰ্থী হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈছিল । এই ৫৬ গৰাকী পৰীক্ষাৰ্থীৰ ৩৩ গৰাকীয়ে প্ৰথম বিভাগত, ২১ গৰাকী পৰীক্ষাৰ্থীয়ে দ্বিতীয় বিভাগ আৰু দুগৰাকী পৰীক্ষাৰ্থীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হৈছে । প্ৰথম বিভাগত উত্তীৰ্ণসকলৰ ভিতৰত সাত গৰাকী পৰীক্ষাৰ্থীয়ে ডিষ্টিংছন আৰু ১০ গৰাকীয়ে লাভ কৰিছে ষ্টাৰ মাৰ্ক। তামুলপুৰৰ আন এখন আগশাৰীৰ শিক্ষানুষ্ঠান বিষ্ণুজ্যোতি জাতীয় বিদ্যালয়ৰ পৰা মুঠ ২২ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল । ইয়াৰে ১০ গৰাকীয়ে প্ৰথম বিভাগ, আঠগৰাকীয়ে দ্বিতীয় বিভাগ আৰু চাৰি গৰাকীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হৈছে। প্ৰথম বিভাগত উত্তীৰ্ণ সকলৰ ভিতৰত দুগৰাকীয়ে ডিষ্টিংছন আৰু তিনি গৰাকী পৰীক্ষাৰ্থীয়ে লাভ কৰিছে ষ্টাৰ নম্বৰ । ইপিনে, তামুলপুৰ জিলাৰ অন্তৰ্গত ভূটান সীমান্তৰ কুমাৰীকাটা অঞ্চলৰ ন খনকৈ বিদ্যালয়ৰ এশ শতাংশই উত্তীৰ্ণ হবলৈ সক্ষম হৈছে। ছাত্ৰ-ছাত্ৰীসকলৰ এই খবৰে অঞ্চলব্যাপী আনন্দৰ বন্যা কঢ়িয়াই আনিছে। প্ৰাপ্ত খবৰ অনুসৰি তামুলপুৰ ১৩ পৃষ্ঠাত চাওক

## মৰিয়নিত চৰকাৰী বিদ্যালয়ৰ শোচনীয় ফলাফল

### ■ সন্মান ৰাখিলে বেচৰকাৰী শিক্ষানুষ্ঠানেহে ■ ৩৭ জনে লাভ কৰিলে ১০০ নম্বৰ

**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ৮ জুন ঃ** কালি ঘোষণা কৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত মৰিয়নি কেন্দ্ৰই আশানুৰূপ ফলাফল দিয়াত ব্যৰ্থ হয়। মূলতঃ চৰকাৰী বিদ্যালয়ৰ শোচনীয় ফলাফলত বিদ্যানুৰাগী ৰাইজ হতাশগ্ৰস্ত হৈ পৰিছে । এইবাৰ মৰিয়নিত মাত্ৰ এখন শিক্ষানুষ্ঠানহে এশ শতাংশ পৰীক্ষাৰ্থী উত্তীৰ্ণ হ'বলৈ সক্ষম হয়। তাৰ বাদে আন এখনো বিদ্যালয়ে সেয়া কৰি দেখুৱাব নোৱাৰিলে । মৰিয়নি কেন্দ্ৰৰ এইবাৰ ফলাফল যথেষ্ট নিম্নমানৰ। এইবাৰ মুঠ ১০১২ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল । ইয়াৰে মাত্ৰ ৩৮৭ গৰাকী পৰীক্ষাৰ্থীহে উত্তীৰ্ণ হয়। ইয়াৰ ভিতৰত ৩৭ গৰাকীয়ে ডিষ্টিংছন, ৪০ গৰাকীয়ে ষ্টাৰ নম্বৰ লাভ কৰিবলৈ সক্ষম হৈছে। আনহাতে, ১৫৮ গৰাকী প্ৰথম বিভাগত, দ্বিতীয় বিভাগত ১৪৪ গৰাকী আৰু ৮৫ গৰাকী তৃতীয় বিভাগত উত্তীৰ্ণ হৈছে । ইয়াৰ মাজতে ৩৭গৰাকী পৰীক্ষাৰ্থীয়ে ৰাজ্যৰ ভিতৰতে সৰ্বাধিক ১০০ নম্বৰ লাভ কৰি গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়। উত্তীৰ্ণৰ হাৰ শতকৰা ৩৮.২৪ শতাংশ মাত্ৰ। চৰকাৰী বিদ্যালয়ৰ হতাশজনক ফলাফলৰ বিপৰীতে বেচৰকাৰী বিদ্যালয়ে দেখুৱালে উৎসাহজনক ফলাফল। মৰিয়নিৰ পুৰণি ইংৰাজী মাধ্যমৰ শিক্ষানুষ্ঠান এডিথ ডগলাছ হায়াৰ ছেকেণ্ডেৰী স্কুলৰ এশ শতাংশ ছাত্ৰ-ছাত্ৰী এইবাৰ উত্তীৰ্ণ হৈছে। বিদ্যালয়খনৰ মুঠ ৪২ গৰাকী পৰীক্ষাৰ্থীৰ আটাইকেইগৰাকীয়েই উত্তীৰ্ণ হৈছে। ইয়াৰে পাঁচগৰাকীয়ে ডিষ্টিংছন আৰু এগৰাকীয়ে ষ্টাৰ নম্বৰসহ ১৩ পৃষ্ঠাত চাওক

## ৰঙিয়াৰ এগৰাকী ব্যতিক্ৰমী ছাত্ৰী

## হাইস্কুল শিক্ষান্ত পৰীক্ষাত বড়ো মাধ্যমত উজলিল অসমীয়াভাষী ৰিম্পী



**অগ্ৰদূত বাৰ্তা**

**ৰঙিয়া, ৮ জুন ঃ** কালি ঘোষিত হ'ল হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল। সদ্য ঘোষিত ফলাফলত ৰাজ্যৰ লক্ষাধিক ছাত্ৰ-ছাত্ৰীৰ মাজত ৰঙিয়াৰ অত্যন্ত ভিতৰুৱা গাঁও হচঙৰ এগৰাকী পৰীক্ষাৰ্থীয়ে ৰাজ্যৰ ভিতৰত এগৰাকী ব্যতিক্ৰমী পৰিক্ষাৰ্থীৰূপে পৰিগণিত হৈছে। ছাত্ৰীগৰাকী হ'ল ঢোলকুছি উচ্চ ইংৰাজী বিদ্যালয়ৰ শিক্ষক প্ৰতাপ চন্দ্ৰ দাস আৰু মণিকা দাসৰ জীয়ৰী ৰিম্পী দাস। ৰিম্পী দাসে হাড়ে হিমজুৱে অসমীয়াভাষী হৈও একমাত্ৰ পিতৃৰ ইচ্ছাক সন্মান জনাই সৰুৰে পৰা বড়ো মাধ্যমত অধ্যয়ন আৰম্ভ কৰে। অসমীয়া আৰু বড়ো ভাষাত সমান পাৰদৰ্শী ৰিম্পিয়ে এইবেলি হাইস্কুল শিক্ষান্ত পৰীক্ষাত আধুনিক ভাৰতীয় ভাষা এম আই এল বড়ো আৰু ঐচ্ছিক অসমীয়াৰ উপৰি আৰু দুটা বিষয়ত লেটাৰ নম্বৰসহ প্ৰথম ১৩ পৃষ্ঠাত চাওক

## মৈৰাবাৰী আদৰ্শ বিদ্যালয়ে মৰিগাঁৱলৈ কঢ়িয়ালে সন্মান

**অগ্ৰদূত বাৰ্তা**

**ভূৰাগাঁও, ৮ জুন ঃ** অসম চৰকাৰৰ জলবায়ু পৰিৱৰ্তন মন্ত্ৰণালয় আৰু বিজ্ঞান প্ৰযুক্তি বিভাগৰ দ্বাৰা নিৰ্বাচিত হৈছে অসমৰ সৰ্বমুঠ পাঁচখন বিদ্যালয়। বিদ্যালয়ত সকলো দিশতে উন্নত পৰিৱেশ সৃষ্টি কৰিবলৈ সক্ষম হোৱা এই পাঁচখন বিদ্যালয়ৰ ভিতৰত প্ৰথম স্থান লাভ কৰিছে মৈৰাবাৰী আদৰ্শ বিদ্যালয়ে। মৰিগাঁও জিলাখনৰ ভিতৰতে একমাত্ৰ চৰকাৰী ইংৰাজী মাধ্যমৰ বিদ্যালয়খনৰ পৰিৱেশ প্ৰকৃতাৰ্থতেই চকুত লগা। বিদ্যালয়খনৰ অধ্যক্ষ লুটফুৰ ৰহমানৰ নেতৃত্বত শিক্ষক গোটে ছাত্ৰ-ছাত্ৰীসকলৰ স'তে মিলি সৃষ্টি কৰা অনন্য শৈক্ষিক আৰু প্ৰাকৃতিক পৰিৱেশে সকলোকে মুগ্ধ কৰে। তদুপৰি ৯৯ শতাংশ মুছলমান লোকৰ বসতি মৈৰাবাৰীত থকা বিদ্যালয়খনত মুছলমান ছাত্ৰ-ছাত্ৰীসকলে গাব পাৰে বৰগীত, নাচিব পাৰে বিহুকে ধৰি ঝুমুৰ আদিৰ দৰে নৃত্য। যিয়ে ইংৰাজী মাধ্যমৰ বিদ্যালয়খনত এক সাংস্কৃতিক পৰিৱেশৰো জন্ম দিছে। অৱশ্যে বিদ্যালয়খনে দীৰ্ঘদিনৰ পৰা শিক্ষকৰ অভাৱত দিন অতিবাহিত কৰিছে যদিও চৰকাৰৰ এই ক্ষেত্ৰত সু-দৃষ্টি পৰা নাই । তথাপি সীমিত শিক্ষকেৰে বিদ্যালয়খনক অতি কষ্টৰে শিক্ষকসকলে অতিৰিক্ত সময় পাঠদান কৰি হ'লেও প্ৰতিযোগিতাৰ দৌৰত নামি অৱশেষত এনে এক সুনাম কঢ়িয়াবলৈ সক্ষম হৈছে। আজি মৰিগাঁও জিলাৰ মৈৰাবাৰীত অৱস্থিত এই আগশাৰীৰ বিদ্যালয়খনত অসম চৰকাৰৰ শিক্ষা বিভাগৰ উপদেষ্টা তথা বিশিষ্ট সাহিত্যিক ড° ননী গোপাল মহন্ত উপস্থিত হৈ বিদ্যালয়খন পৰিদৰ্শন কৰে। লগতে মৰিগাঁও জিলাৰ উপায়ুক্ত প্ৰকাশ ৰঞ্জন ঘৰফলীয়া, মৰিগাঁও জিলা প্ৰাথমিক শিক্ষা বিষয়া বুলি গগৈ ভূঞাৰ উপৰি লাহৰীঘাট ৰাজহ চক্ৰৰ চক্ৰ বিষয়াও উপস্থিত থাকে। উপস্থিত বিশিষ্ট ব্যক্তিসকলে বিদ্যালয়খনৰ শৈক্ষিক-সাংস্কৃতিক পৰিৱেশ পৰিদৰ্শন কৰে। বিদ্যালয়খনৰ প্ৰত্যেক টো কোঠালিৰ ১৩ পৃষ্ঠাত চাওক

## হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তৰ শালমাৰা মহকুমাত পুতৌলগা ছবি

### ■ উদ্বিগ্ন বিদ্বৎ মহল

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ৮ জুন ঃ** ৰাজ্যৰ শিক্ষা বিভাগে শিক্ষাৰ গুণগত মান বৃদ্ধি কৰি উন্নত ফলাফল প্ৰদৰ্শনৰ লক্ষ্যৰে কোটি কোটি টকা ব্যয় কৰি আহিছে যদিও হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলে নিৰাশ কৰিলে ৰাইজক। বিশেষকৈ বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা মহকুমাৰ পৰীক্ষা কেন্দ্ৰসমূহৰ নিৰাশা জনক ফলাফলে সচেতন মহলক ভবাই তুলিছে। মহকুমাটোৰ সদৰ অভয়াপুৰীৰ অভয়েশ্বৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ পৰীক্ষা কেন্দ্ৰত ১১৭৫জন পৰীক্ষাৰ্থী অৱতীৰ্ণ হোৱাৰ বিপৰীতে ৫৩২ পৰীক্ষাৰ্থী উত্তীৰ্ণ হৈছে। ইয়াৰে ১৬২গৰাকী প্ৰথম, দ্বিতীয় ১৯৩ আৰু তৃতীয় বিভাগত ১৭৭সহ ৪৫.২৮ শতাংশ উত্তীৰ্ণ হয়। তেনেদৰে যোগীঘোপা অঞ্চলৰ চলন্তাপাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰীক্ষা কেন্দ্ৰত ১১৫২ জন পৰীক্ষাৰ্থীৰ বিপৰীতে ৩৩১ গৰাকী পৰীক্ষাৰ্থী উত্তীৰ্ণ হয়। ইয়াৰে প্ৰথম ৮৭, দ্বিতীয় ১২৭ আৰু তৃতীয় বিভাগত ১১৭জন। উত্তীৰ্ণৰ শতকৰা হাৰ ২৮.৭৩ শতাংশ। ঘিলাগুৰী-কটাশবাৰী উচ্চ বিদ্যালয় পৰীক্ষা কেন্দ্ৰত অৱতীৰ্ণ পৰীক্ষাৰ্থী ৪২৪জন, উত্তীৰ্ণ ১৭৭জন, প্ৰথম বিভাগত ২৭জন, দ্বিতীয় বিভাগত ৬২জন, তৃতীয় বিভাগত ৮৮জন, উত্তীৰ্ণৰ হাৰ ৪১.৭৫ শতাংশ। তেনেদৰে ৰাঙাপানী পিএম মেম'ৰিয়েল উচ্চ বিদ্যালয় পৰীক্ষা কেন্দ্ৰত অৱতীৰ্ণ ৪২৬জন। উত্তীৰ্ণ ২৮৮জন। ইয়াৰে প্ৰথম ৬৯, দ্বিতীয় ১৫৩, তৃতীয়ত ৬৬জন উত্তীৰ্ণ হয়। উত্তীৰ্ণৰ শতকৰা হাৰ ৬৭.৬১ শতাংশ। উত্তৰ শালমাৰা ডিপিএম উচ্চ বিদ্যালয় পৰীক্ষা কেন্দ্ৰত অৱতীৰ্ণ পৰীক্ষাৰ্থী ৬২২জন, উত্তীৰ্ণ হয় ১৮৬জন। ১৩ পৃষ্ঠাত চাওক

## ৰঙাপৰাত চাৰি পঞ্চায়ত সামৰি আইনী কৰ্মশালা



**বিশেষ সংবাদদাতা**

**ৰঙাপৰা, ৮ জুন ঃ** ৰাজ্যিক সম্পদ কেন্দ্ৰ অসম, গুৱাহাটী উদ্যোগত আৰু পঞ্চায়ত আৰু গ্ৰামোন্নয়ন প্ৰতিষ্ঠানৰ সহযোগত ৰঙাপৰা উন্নয়ন খণ্ডৰ অধীনৰ নামনিগাঁও, ফুলবাৰী, নাহৰণি আৰু হাতীবাৰী ১৩ পৃষ্ঠাত চাওক

## উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ ফলাফল নাজিৰাত সন্তোষজনক

### মাত্ৰ চাৰি নম্বৰৰ বাবে স্থান নাপালে ৰাহুল বৰুৱাই

**অগ্ৰদূত বাৰ্তা**

**নাজিৰা, ৮ জুন ঃ** কালি ঘোষণা কৰা উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ ফলাফল নাজিৰা মহকুমাত সন্তোষজনক বুলি বিবেচিত হৈছে। নাজিৰাৰ শিমলুগুৰিস্থিত শংকৰদেৱ শিশু নিকেতনৰ ছাত্ৰ ৰাহুল বৰুৱাই মাত্ৰ চাৰি নম্বৰৰ বাবে প্ৰথম দহটা স্থান লাভ কৰিবলৈ সক্ষম নহ'ল। ৰাহুল বৰুৱাই উচ্চ গণিত আৰু সমাজ বিজ্ঞানত এশ শতাংশ নম্বৰসহ মুঠ ৫৮৪ নম্বৰ লাভ কৰিবলৈ সক্ষম হয়। তেনেদৰে একেখন নিকেতনৰ তন্ময়ী বৰগোহাঁয়ে গণিত , উচ্চ গণিত আৰু সাধাৰণ বিজ্ঞানত এশ শতাংশ নম্বৰ লাভ কৰিও অসমীয়াত ৭৭ নম্বৰ লাভ কৰি স্থান লাভৰ পৰা বঞ্চিত হয়। শংকৰদেৱ শিশু নিকেতন শিমলুগুৰিৰ মুঠ ৯৭ গৰাকী পৰীক্ষাৰ্থীৰ ৬২ গৰাকীয়ে প্ৰথম, ৩০ গৰাকীয়ে দ্বিতীয় আৰু চাৰিগৰাকীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হয় । ইয়াৰে ১৫ গৰাকীয়ে ডিষ্টিংচন আৰু ১৮ গৰাকীয়ে ষ্টাৰ লাভ কৰে। ছেণ্ট পিটাৰ্চ স্কুল মেজেঙাৰ ৩২ জনে ডিষ্টিংচন, ১৬ জনে ষ্টাৰসহ ৮৫ জনে প্ৰথম, পাঁচজনে দ্বিতীয় আৰু এজনে তৃতীয় বিভাগত মুঠ এশ শতাংশ উত্তীৰ্ণ হয়। বিদ্যাভৱন ডিমুৱালৰ ১৯জনে ডিষ্টিংচন, ১০ জনে ষ্টাৰসহ ৫০ জনে প্ৰথম ১৩ পৃষ্ঠাত চাওক

## ন জুলাইত দক্ষিণ ৰঙিয়া প্ৰেছ ক্লাবৰ অভিনন্দন অনুষ্ঠান

### ৰংমন আলীলৈ ৰাম প্ৰসাদ শৰ্মা শৈক্ষিক বঁটা



**অগ্ৰদূত বাৰ্তা**

**কনিহা, ৮ জুন ঃ** উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত ৰঙিয়া মহকুমাৰ অন্তৰ্গত দক্ষিণ ৰঙিয়া প্ৰেছ ক্লাব অঞ্চলৰ পাঁচটা পৰীক্ষা কেন্দ্ৰৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰা শিক্ষাৰ্থীগৰাকীক দক্ষিণ ৰঙিয়া প্ৰেছ ক্লাবে প্ৰতি বছৰে প্ৰদান কৰি অহা ৰাম প্ৰসাদ শৰ্মা স্মাৰক শৈক্ষিক বঁটাৰ বাবে এইবেলি কৰ্ট্ৰাখাতৰ বিদ্যাসাগৰ একাডেমীৰ ছাত্ৰ ৰংমন আলী নিৰ্বাচিত হৈছে। উল্লেখ্য যে আজি ঘোষণা কৰা উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ ফলাফল অনুসৰি এইগৰাকী কৃতী শিক্ষাৰ্থীয়ে ৯৪.৮৩ শতাংশ নম্বৰ লাভ কৰি দক্ষিণ ৰঙিয়া প্ৰেছ ক্লাবৰ এই বৰ্ষৰ ৰাম প্ৰসাদ শৰ্মা সোঁৱৰণী শৈক্ষিক বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। স্মৰ্তব্য যে প্ৰয়াত ৰাম প্ৰসাদ শৰ্মাৰ পুত্ৰ প্ৰকাশ শৰ্মাৰ উদ্যোগত দক্ষিণ ৰঙিয়া প্ৰেছ ক্লাবে ২০০৩ ৰ পৰা প্ৰদান কৰি অহা এই বঁটাত নগদ তিনি হেজাৰ ১৩ পৃষ্ঠাত চাওক

## আবেগিক পৰিৱেশত মাতৃ-পুত্ৰক সম্বৰ্ধনা গড়পোট বাপুজী হাইস্কুলত



**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ৮ জুন ঃ** কামৰূপ জিলাৰ হাজো সমষ্টিৰ অন্তৰ্গত গড়পোট বাপুজী হাইস্কুলৰ মধ্যহ্ন ভোজনৰ ৰান্ধনী হিচাপে কৰ্মৰত ববিতা ডেকাৰ পুত্ৰ বিনয় ডেকাই উক্ত বিদ্যালয়ৰ পৰা ডিষ্টিংচনসহ হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈছে। কালি বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ সন্মুখত কৃতী ছাত্ৰ বিনয় আৰু মাতৃ ববিতা ডেকাক সম্বৰ্ধনা জনায়। সম্বৰ্ধনা অনুষ্ঠান আছিল আৱেগিক। বিনয়ে মাতৃৰ চেষ্টাত সফল হোৱাৰ কথা উল্লেখ কৰি তেওঁৰ সম্বৰ্ধনাৰ গামোচাৰে মাতৃক সম্বৰ্ধনা জনাই আৱেগিক পৰিৱেশৰ সৃষ্টি কৰিছিল। ১৩ পৃষ্ঠাত চাওক

## পৰেশ বৈশ্য ফাউণ্ডেছনৰ পোহৰ বিদ্যালয়

**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছি/কনিহা, ৮ জুনঃ** শিক্ষাৰ উত্তৰণৰ হকে গঠিত ন্যাস পৰেশ বৈশ্য ফাউণ্ডেছনে বাংলাদেশৰ বৰেণ্য শিক্ষাবিদ তথা অভিৰোচক আব্দুল্লা আবু ছয়ীদৰ 'আলোৰ স্কুল'ৰ আৰ্হিত পোহৰ বিদ্যালয় নামৰ এক আড্ডা জাতীয় ভ্ৰাম্যমাণ বিদ্যালয়ৰ আৰম্ভণি কৰিবলৈ প্ৰয়াস কৰিছে। এই পোহৰ বিদ্যালয় নামৰ এক আড্ডা জাতীয় ভ্ৰাম্যমাণ বিদ্যালয়ৰ আৰম্ভণি কৰিবলৈ প্ৰয়াস কৰিছে। এই পোহৰ বিদ্যালয়ৰ সৌজন্যত ছাত্ৰ-ছাত্ৰীৰ লগতে সমাজত আমাৰ অসমৰ বা সামগ্ৰিকভাৱে দেশৰ সংস্কৃতি, ঐতিহ্য, স্বাভিমান, গৌৰৱগাথাক উদ্ভাসিত কৰাৰ বাবে এক বিশেষ পদক্ষেপ হাতত লোৱা হৈছে। ইয়াৰ উপৰি মানৱ জাতিৰ প্ৰেৰণাৰ উৎস স্বৰূপ বৰেণ্য ব্যক্তিসকলৰ জীৱনৰ অম্লান কৃতীসমূহৰ সম্প্ৰচাৰৰ জৰিয়তে নতুন প্ৰজন্মক আলোকিত কৰাৰ বাবেও আঁচনি গ্ৰহণ কৰা হৈছে। আমাৰ ইতিহাস, ভূগোল আদিৰ লগত নতুন প্ৰজন্মক বিজ্ঞানসন্মতভাৱে পৰিচয় কৰি দিব পোহৰ বিদ্যালয়ে। বস্তুবাদী যুগৰ লগত অভ্যস্ত এই প্ৰজন্মৰ মাজত ১৩ পৃষ্ঠাত চাওক

## শিক্ষাগুৰুসকল আদৰ্শ ব্যক্তিত্বৰ অধিকাৰী-বিনয়ী হ'ব লাগে

### অৱসৰপ্ৰাপ্ত সহকাৰী শিক্ষক যোগেন্দ্ৰ শইকীয়াৰ বিদায় সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**টংলা, ৮ জুন ঃ** ওদালগুৰি জিলাৰ ভেৰগাঁও মহকুমাৰ অন্তৰ্গত ছৈবাৰী মজলীয়া বিদ্যালয় আৰু ছৈবাৰী বিদ্যাপীঠ হাইস্কুলত অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক যোগেন্দ্ৰ শইকীয়াৰ বিদায় সম্বৰ্ধনা সভা আজি দুয়োখন বিদ্যালয়ৰ পৰিচালনা সমিতি, শিক্ষাগুৰু মণ্ডলী, শিক্ষাৰ্থী আৰু বৃহত্তৰ ছৈবাৰী অঞ্চলৰ ৰাইজৰ সহযোগত অনুষ্ঠিত কৰা হয়। ১৯৮৫ৰ পৰা ২০২২ৰ মে'লৈ নিষ্ঠা-সততাৰে মানৱ সম্পদ বিকাশ আৰু গঢ়াৰ মহান কামত নিয়োজিত হৈ যি ত্যাগ আৰু অৱদান আগবঢ়ালে তাৰ বাবে তেওঁৰ ওচৰত কৃতজ্ঞ হৈ ৰ'ম বুলি গুণমুগ্ধ দুয়োখন বিদ্যালয়ৰ প্ৰধান শিক্ষকদ্বয় কৰুণা দেৱ বসুমতাৰী, নৱ কুমাৰ তামুলী, পৰিচালনা সমিতিৰ সদস্য উমাকান্ত বড়ো, গাঁওবুঢ়া পঞ্চানন ডেকা, মজলীয়া বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি সনাতন বসুমতাৰী, স্থানীয় ৰাইজে বক্তব্য ৰাখে। টংলা সাহিত্য সভাৰ সভাপতি গৌৰী শংকৰ দাসে কয় যে আজিৰ পৰা শইকীয়া ছাৰৰ নতুন ইনিংছ আৰম্ভ হৈছে। শিক্ষাগুৰুসকল আদৰ্শনীয় ব্যক্তিত্বৰ অধিকাৰী হ'ব লাগে। বিনয়ী হ'ব লাগে। শিক্ষাৰ্থীসকলক উদ্দেশ্যি কয় যে শিক্ষা জ্ঞান বিদ্যা তথা বয়সত জ্যেষ্ঠসকলক ১৩ পৃষ্ঠাত চাওক

## ৰাজহুৱা বৰসবাহ - ভাওনাৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**বৰুৱাবামুণগাঁও, ৮ জুন ঃ** গোলাঘাট জিলাৰ বৰুৱাবামুণগাঁৱৰ যুৱকবৃন্দৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত অহা ১৮ জুনত কুৱালগুৰি চাৰিআলিৰ সমীপত ৰাজহুৱা বৰসবাহ আৰু মহাপুৰুষীয়া ভাওনা প্ৰদৰ্শনৰ আয়োজন কৰা হৈছে। কাৰ্যসূচী অনুসৰি সেইদিনা প্ৰাতঃপ্ৰসংগ, ধৰ্মধ্বজা উত্তোলন, গছপুলি ৰোপণ, নাম প্ৰসংগ আদি অনুষ্ঠানৰ পাছত গায়ন-বায়ন, দিহানাম আদি অনুষ্ঠিত হ'ব। সন্ধিয়া সম্বৰ্ধনা অনুষ্ঠান আৰু তাৰ পাছত 'বিপ্ৰ দামোদৰ আখ্যান দন্তবক্ৰৰ মুক্তি লাভ' নামৰ ভাওনা প্ৰদৰ্শন কৰা হ'ব। নাট উদ্বোধন কৰিব জ্যেষ্ঠ অধিবক্তা, সমাজসেৱক জয়ন্ত গোস্বামীয়ে। ৰাইজৰ সহযোগিতা কামনা কৰিছে আয়োজক সমিতিৰ হৈ সভাপতি সুনীল বৰা, কাৰ্যকৰী সভাপতি ৰাজীৱ শৰ্মা, সম্পাদকদ্বয় মানস প্ৰতিম দত্ত আৰু প্ৰভাত কলিতাই।

## হাজোৰ ন খন শিক্ষানুষ্ঠানৰ এশ শতাংশ উত্তীৰ্ণৰ ধাৰা অব্যাহত

**অগ্ৰদূত বাৰ্তা**

**হাজো, ৮ জুন ঃ** কালি ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত কামৰূপ জিলাৰ তীৰ্থনগৰী হাজোৰ ব্যক্তিগত আৰু চৰকাৰী খণ্ডৰ আঠখন শিক্ষানুষ্ঠানে এশ শতাংশ উত্তীৰ্ণৰ ধাৰা অব্যাহত ৰাখি অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনে। এইবেলি হাইস্কুল শিক্ষান্ত পৰীক্ষাত 'বামুন্দী শংকৰদেৱ শিশু বিদ্যা নিকেতন'ৰ পৰা অৱতীৰ্ণ হোৱা মুঠ ৫৯ গৰাকী শিক্ষাৰ্থীৰ আঠগৰাকীয়ে ডিষ্টিংছন, ১২ গৰাকীয়ে ষ্টাৰ নম্বৰ, ২১ গৰাকীয়ে প্ৰথম বিভাগ, ১৮ গৰাকীয়ে দ্বিতীয় আৰু পাঁচ গৰাকীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হৈ সপ্তদশ বছৰৰ বাবে এশ শতাংশ উত্তীৰ্ণৰ ধাৰা অব্যাহত ৰাখিছে। 'ডেফোডিল ইংলিছ স্কুল ৰামদিয়া'ৰ ১৬ গৰাকী শিক্ষাৰ্থীৰ দুইগৰাকী ডিষ্টিংছন, এগৰাকী ষ্টাৰ, পাঁচগৰাকী প্ৰথম আৰু আঠগৰাকীয়ে দ্বিতীয় বিভাগ লাভ কৰি সপ্তম বছৰৰ বাবে উত্তীৰ্ণৰ ধাৰা অক্ষুণ্ণ ৰাখিছে। আঞ্চলিক জাতীয় বিদ্যালয় ৰামদিয়াৰ মুঠ ১৬ গৰাকীৰ দুগৰাকীয়ে ডিষ্টিংছন, এগৰাকীয়ে ষ্টাৰ, আঠগৰাকী প্ৰথম আৰু পাঁচগৰাকীয়ে দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈ এশ শতাংশৰ ধাৰা অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছে।

ৰামদিয়া শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ পৰা অৱতীৰ্ণ হোৱা মুঠ ৩৯ গৰাকী ছাত্ৰ-ছাত্ৰীৰ পাঁচগৰাকী ডিষ্টিংছন, আঠ গৰাকী ষ্টাৰ নম্বৰ, ১৬ গৰাকীয়ে প্ৰথম ন গৰাকীয়ে দ্বিতীয় আৰু এগৰাকীয়ে তৃতীয় বিভাগ লাভ কৰি এশ শতাংশ উত্তীৰ্ণৰ ধাৰা অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছে। বৰম্বৈ শংকৰদ- আজান পায়নিয়াৰ একাডেমীৰ পৰা অৱতীৰ্ণ মুঠ৩১ গৰাকী ছাত্ৰ-ছাত্ৰীৰ ডিষ্টিংছন তিনিগৰাকী, ষ্টাৰ নম্বৰ পাঁচগৰাকী, ন গৰাকী প্ৰথম বিভাগ আৰু ১৪গৰাকীয়ে দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়। 'বৰম্বৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়'ৰ পৰা অৱতীৰ্ণ ৬০ গৰাকী শিক্ষাৰ্থীৰ ষ্টাৰ নম্বৰসহ ২৪ গৰাকীয়ে প্ৰথম বিভাগ লাভ কৰাৰ বিপৰীতে ৩১ গৰাকীয়ে দ্বিতীয় বিভাগ আৰু পাঁচগৰাকীয়ে তৃতীয় বিভাগ লাভ কৰি এশ শতাংশ উত্তীৰ্ণৰে বিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনে। 'ত্ৰিনয়ন জাতীয় বিদ্যালয়, বৰ্ণি' ১৩২ গৰাকীৰ ভিতৰত ডিষ্টিংছন দুগৰাকী, ষ্টাৰ নম্বৰ তিনিগৰাকী, প্ৰথম বিভাগ ১৭ গৰাকী আৰু ১০ গৰাকীয়ে দ্বিতীয় বিভাগত উত্তীৰ্ণ হ'বলৈ সক্ষম হয়। পঞ্চতীৰ্থ শিশু বিদ্যা ১৩ পৃষ্ঠাত চাওক

## ওদালগুৰিত দিব্যাংগ লোকৰ মাজত পৰিচয়পত্ৰ বিতৰণ

### ■ বিটিআৰত আছে ২৩ সহস্ৰাধিক দিব্যাংগ লোক

**বিশেষ সংবাদদাতা**

**ওদালগুৰি, ৮ জুন ঃ** ওদালগুৰি জিলা সমাজ কল্যাণ বিভাগৰ উদ্যোগত কালি জিলাখনৰ ১৬৭ গৰাকী দিব্যাংগ লোকৰ মাজত পৰিচয়পত্ৰ বিতৰণ কৰা হয়। এই উপলক্ষে ওদালগুৰি মহাবিদ্যালয় প্ৰেক্ষাগৃহত এক অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত বিটিআৰৰ সমাজ কল্যাণ বিভাগৰ কাৰ্যবাহী বিষয়া গৌতম দাসে কয়, 'আমাৰ লক্ষ্য বিটিআৰত থকা কোনো এগৰাকী দিব্যাংগ লোকেই যাতে পৰিচয়পত্ৰ অথবা চৰকাৰী সহায়ৰ পৰা বঞ্চিত হ'ব লগা নহয়। আমি কিছুমান পূৰ্বে বিটিআৰৰ পৰিচয়পত্ৰবিহীন দিব্যাংগ লোকসকলক বিচাৰি সমীক্ষা চলাওঁতে যথেষ্ট তেনে লোকে আমাৰ দৃষ্টিগোচৰ হৈছিল। বিটিআৰত প্ৰায় ২৩ হেজাৰ দিব্যাংগ লোকে প্ৰমাণপত্ৰ লাভৰ পৰা বঞ্চিত হৈ আছিল। যি প্ৰমাণপত্ৰৰ দ্বাৰা তেওঁলোকে চৰকাৰে প্ৰদান কৰা আঁচনিত অন্তৰ্ভুক্ত হ'বলৈ সক্ষম হ'ব। অসমৰ ভিতৰত ওদালগুৰি জিলাই আজি পৰ্যন্ত অধিক পৰিমাণে এনে পৰিচয় পত্ৰ প্ৰদানৰ ক্ষেত্ৰত স্থান লাভ কৰিবলৈ সক্ষম হৈছে। এই ক্ষেত্ৰত বিটিআৰৰ জিলাসমূহ ৰাজ্যৰ ভিতৰতে তালিকাৰ তৃতীয় অথবা চতুৰ্থ নম্বৰত আছে। ওদালগুৰি জিলাখনে বৰ্তমানলৈ ৫,৭৪৬ গৰাকী দিব্যাংগ ব্যক্তিক চিনাক্ত কৰাৰ লগতে বৰ্তমানলৈ ২,৮৬৭ গৰাকী দিব্যাংগ লোকৰ বাবে পৰিচয় পত্ৰ প্ৰদান কৰিবলৈ ওদালগুৰি জিলাখন সাজু হৈছে। আগন্তুক দিনত যাতে কোনো এগৰাকী দিব্যাংগ লোকেই চৰকাৰী আঁচনিৰ পৰা বঞ্চিত নহয় সেই সন্দৰ্ভত আমাৰ দৃষ্টি থাকিব।' উল্লেখ্য যে আজিৰ সভাত ১৬৭ গৰাকী দিব্যাংগ লোকক প্ৰমাণপত্ৰ প্ৰদানৰ আৰম্ভণি কৰা হয়। আগন্তুক দিনত পৰ্যায়ক্ৰমে সকলোৱে লাভ কৰিব বুলি দাসে উল্লেখ কৰে। কাৰ্যসূচীত জিলা সমাজ কল্যাণ বিষয়া নিলাক্ষী বৰদলৈৰ লগতে বিটিআৰৰ কে'বাগৰাকীও এমচিএলএ, জিলা বিজেপিৰ সভাপতি সুনীল বসুমতাৰীৰ লগতে বিশিষ্ট ব্যক্তি আৰু হিতাধিকাৰীসকল উপস্থিত থাকে।

অসম দাপোণ

পৰীক অভিনন্দনেৰে ওপচাই সাহস হৈ থিয় দিছে হৃদয়বান

## বাধা নেওচি বিধাতাৰ ইচ্ছাক প্ৰত্যাহ্বান জনাই সফলতাৰ স্বৰ্ণিল পথত কলিয়াবৰৰ পৰী



**অগ্ৰদূত বাৰ্তা**

**কলিয়াবৰ, ৮ জুন ঃ** পুৱাৰ চৰাইৰ কলৰৱ, শ্ৰেণীকোঠাত শিক্ষকৰ পাঠদান কিম্বা নিজ মাতৃৰ আপোন মাত জন্মৰে পৰা ধুনীয়া পৃথিৱীখনৰ এই একো শব্দই শুনা নাই ছোৱালীগৰাকীয়ে। আজিলৈকে মুখেৰে কৈ পোৱা নাই সুৱদি সুৰীয়া 'মা' শব্দটোও। ছোৱালীগৰাকীৰ নাম পৰী বেগম। জীৱনৰ বাধা নেওচি বিধাতাৰ ইচ্ছাক যেন প্ৰত্যাহ্বান জনাই সফলতাৰ স্বৰ্ণিল পথত আগুৱাইছে পৰী। বিশেষভাৱে সক্ষম যুৱতীগৰাকীয়ে সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সফলতা অৰ্জন কৰিছে। আন হেজাৰজনৰ দৰে শীৰ্ষস্থান, ডিষ্টিংছন অথবা ষ্টাৰ মাৰ্ক, প্ৰথম বিভাগৰ তালিকাত নাম নাই তাইৰ। তথাপি আজি তাইক সকলোৱে আদৰিছে, অভিনন্দন যাচিছে। পৰীক অভিনন্দনেৰে ওপচাই সাহস হৈ থিয় দিছে হৃদয়বান। কাৰণ এইবাৰ উত্তীৰ্ণ হৈছে হাইস্কুল শিক্ষান্ত পৰীক্ষাত। সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈছে কলিয়াবৰৰ কুঁৱৰীটোল চাৰিআলিৰ আজাৰুদ্দিন আহমেদ আৰু মৰমী বেগমৰ ডাঙৰ জীয়ৰী কন্যা এই পৰী। আশ্চৰ্যকৰ কথাটো হ'ল যে পৰী জন্মৰে পৰা বাক্ আৰু শ্ৰৱণ শক্তিহীন ছাত্ৰী। তথাপি নিজ একাগ্ৰতাৰে বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা গ্ৰহণ কৰা শিক্ষানুষ্ঠানৰ পৰিৱৰ্তে আন হেজাৰজন সাধাৰণ ছাত্ৰ-ছাত্ৰীৰ লগতে সাধাৰণ বিদ্যালয়তে শিক্ষা গ্ৰহণ কৰি পৰী এইবাৰ উত্তীৰ্ণ হ'ল হাইস্কুল শিক্ষান্ত পৰীক্ষাত। কুঁৱৰীটোল উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা ২৩৬ নম্বৰ লাভ কৰে তৃতীয় বিভাগত উত্তীৰ্ণ হ'বলৈ সক্ষম হৈছে পৰী। কিন্তু তৃতীয় বিভাগ পায়ো যেন আজি ৰাইজৰ আদৰ বুটলিছে এইগৰাকী শিক্ষাৰ্থীয়ে। উল্লেখ্য যে দিন হাজিৰা কৰি পিতৃয়ে অতি কষ্টৰ মাজেৰে সন্তানক শিক্ষিত কৰিব পৰা যুঁজখনত সন্তানৰ এই সফলতাত এতিয়া অত্যন্ত সুখী পৰিয়ালটো। ইফালে, উত্তীৰ্ণ ছাত্ৰী পৰীৰ ভনীয়েকো বিশেষভাৱে সক্ষম এগৰাকী ছাত্ৰী। সদ্যঘোষিত ফলাফলত ছাত্ৰীগৰাকীৰ এই সাফল্যত আনন্দিত কুঁৱৰীটোল উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে সমগ্ৰ কলিয়াবৰবাসী। সকলোৱে আশা, নিজ একাগ্ৰতা আৰু মনোবলেৰে হেজাৰজন বিশেষভাৱে সক্ষম ব্যক্তিৰ সাহস হৈ আগুৱাই যাওক পৰী।

## গোলাঘাট বিদ্যুৎ বিভাগৰ কৰ্মচাৰীৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**


**গোলাঘাট, ৮ জুন ঃ** গোলাঘাট বিদ্যুৎ সংমণ্ডলৰ অন্তৰ্গত জামুগুৰি অঞ্চলৰ লাইনম্যান দিগন্ত সন্দিকৈ (৪৬)ৰ আজি পুৱা উচ্চ ৰক্তচাপজনিত ৰোগত মৃত্যু হয়। তথ্য মতে, গোলাঘাট কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ৰ পৰা গুৱাহাটী চিকিৎসালয়লৈ নি থাকোতে কাজিৰঙাৰ কঁহৰাৰ পথতে বিদ্যুৎ বিভাগৰ কৰ্মচাৰীজনৰ মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁ সহধৰ্মিণী, পুত্ৰসহ তথা বহু আত্মীয়ক ইহসংসাৰত এৰি গৈছে।

## কুইজ প্ৰতিযোগিতা

**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ৮ জুন ঃ** মৰিয়নি মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ উদ্যোগত আজি এক আন্তঃ বিভাগ কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এই কুইজ প্ৰতিযোগিতা মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° মঞ্জুলা বৰঠাকুৰে বৃক্ষ ৰোপণেৰে আৰম্ভ কৰে। আনহাতে, আদৰণি ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হৰেন গোৱালাই। তেওঁ এনে ধৰণৰ সৰু সৰু প্ৰতিযোগিতাসমূহে ছাত্ৰ-ছাত্ৰীৰ মাজত সোমাই থকা প্ৰতিভা বিকাশত সহায় কৰে বুলি ব্যক্ত কৰে। অধ্যাপক ডেভিদ হাফলংবাৰ আৰু উত্তম মিলিয়ে পৰিচালনা কৰা প্ৰতিযোগিতাখনত ৰাজনীতি বিজ্ঞান বিভাগে প্ৰথম, ইংৰাজী বিভাগে দ্বিতীয় আৰু ৰাজনীতি বিজ্ঞান বিভাগ দলে তৃতীয় স্থান দখল কৰে। ভূগোল বিভাগৰ মুৰব্বী অধ্যাপক ড° মুনমুন বৰা আৰু সহকাৰী অধ্যাপিকা ড° চিন্ময়ী বৰপূজাৰীৰ বিশেষ সহযোগিতাত আয়োজক সমিতিৰ সভাপতি শিৰোমণি গগৈ আৰু সম্পাদক বিতুপণ দত্তৰ লগতে ষষ্ঠ ষন্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিযোগিতাখন সুকলমে অনুষ্ঠিত কৰে।

# শুৱালকুছি বালিচৰত বনদস্যুৰ দপ্‌দপনি



**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছি, ৮ জুন ঃ** ৰাজ্যজুৰি বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন কৰি সমতুল সেউজী ধৰাৰ প্ৰয়াস কৰাৰ সময়তে শুৱালকুছিৰ বালিচৰত এচাম দুষ্কৃতিকাৰীয়ে জধে-মধে ওখ শিমলু কাটি গাড়ীত সৰবাৰহ কৰা ঘটনাই প্ৰকৃতি প্ৰেমীকক মনোকষ্ট দিছে। শুৱালকুছি বাঘেশ্বৰী পাহাৰৰ বালিচৰত আজি ওখ শিমলু গছ কাটি তহিলং কৰে। বন বিভাগৰ নিষ্ক্ৰিয়তাৰ সুযোগ গ্ৰহণ কৰি এনেদৰে বন ধ্বংস কৰা কাৰ্যক তীব্ৰ ভাষাৰে গৰিহণা দিছে সচেতন মহলে। বিশ্ব পৰিৱেশ দিৱসৰ মাত্ৰ দুদিন পাছতেই দিনৰ পোহৰত মুকলিকৈ গছ কটা ঘটনাই বন বিভাগৰ দায়িত্বহীনতাৰ পৰিচয় দাঙি ধৰিছে। বন বিভাগৰ দেখিও নেদেখা, শুনিও নুশুনা এনে কাৰ্যক ধিক্কাৰ দিছে স্থানীয় ৰাইজে। ইয়াৰ পূৰ্বে বাঘেশ্বৰী পাহাৰৰ পৰা হাইস্কুল ঘাটলৈ প্ৰায় দুই কিলোমিটাৰ মথাউৰি নিৰ্মাণৰ নামত প্ৰায় এহেজাৰজোপা অতি পুৰণি ওখ ওখ শিমলু, ভেলক, চতিয়ান, এজাৰ আদি বিভিন্ন গছ কাটি বালিচৰ তহিলং কৰিছিল। ইয়াৰৰ পাছতো বালিচৰত ৰৈ যোৱা সীমিতক গছ এনেদৰে কাটি ধ্বংস কৰাত দুখ প্ৰকাশ কৰে বিদ্বান সমাজে।

## মুছলপুৰত কোচ ৰাজবংশীৰ অৱস্থান ধৰ্মঘট



**অগ্ৰদূত বাৰ্তা**

**মুছলপুৰ, ৮ জুন ঃ** ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে বাগ্‌সা জিলাৰ মুছলপুৰতো সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থা, কোচ ৰাজবংশী মহিলা সমিতি আৰু চিলাৰায় সেনাৰ উদ্যোগত কোচ ৰাজবংশীসকলক জনজাতিকৰণ, কোচ ৰাজবংশী ভাষা অষ্টম অনুসূচীৰ অন্তৰ্ভুক্তি আৰু পৃথক কমতাপুৰ ৰাজ্যৰ দাবীত আজি তিনিঘন্টীয়া অৱস্থান ধৰ্মঘট ৰূপায়ণ কৰা হয়। মুছলপুৰ দুৰ্গা মন্দিৰ প্ৰাংগণত জিলাখনৰ তিনিশতাধিক অৱস্থান ধৰ্মঘটকাৰীয়ে 'বিজেপি চৰকাৰ হুঁচিয়াৰ, নৰেন্দ্ৰ মোদী হুঁচিয়াৰ, হিমন্ত বিশ্ব শৰ্মা হায় হায়, এছটি আমাক লাগিবই, সুকীয়া কমতাপুৰ প্ৰদান কৰক' আদি ধ্বনিৰে পৰিৱেশ উত্তাল কৰি তোলে। প্ৰতিবাদকাৰীসকলে কয় যে নিৰ্বাচনৰ আগমুহূৰ্তত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে কোচ ৰাজবংশীৰ সমস্যা সমাধান কৰিব বুলি কৈ নিৰ্বাচনৰ পাছত ওলোটাশঁৰ মাৰে। গতিকে কেন্দ্ৰ ৰাজ্যৰ বিজেপি চৰকাৰ মিছলীয়া। কাৰ্যসূচীত কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ যুটীয়া সাধাৰণ সম্পাদক কপিল দেৱ সিংহ, সহকাৰী সম্পাদক প্ৰদীপ কুমাৰ দাস, প্ৰচাৰ সম্পাদক শংকৰ ৰাজবংশীৰ লগতে বাগ্‌সা জিলাৰ সভাপতি সম্পাদক ক্ৰমে দয়াল মেধি আৰু উপেন ৰায় অংশগ্ৰহণ কৰে।

## দৰিদ্ৰ পৰিয়ালৰ ছাত্ৰী হৰিপ্ৰিয়াৰ সফলতাৰ বিপৰীতে পিতৃ-মাতৃৰ দুখ

**অগ্ৰদূত বাৰ্তা**

**লাহদৈগড়, ৮ জুন ঃ** দৰিদ্ৰতা শিক্ষাৰ ক্ষেত্ৰত কেতিয়াও যে হেঙাৰ হ'ব নোৱাৰে সেই কথা পুনৰবাৰ প্ৰমাণ কৰি দেখুৱালে টীয়কৰ কাকজান দ-কুকুৰাচ'ৰা গাঁৱৰ অতি দৰিদ্ৰ পৰিয়ালৰ সন্তানে। ছাত্ৰীগৰাকীৰ নাম হৰিপ্ৰিয়া বৰা। হৰিপ্ৰিয়াই এইবৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত জৱাহৰলাল নেহৰু হাইস্কুলৰ পৰা পাঁচটা বিষয়ত লেটাৰ নম্বৰ পাই সৰ্বমুঠ ৪৮৪ নম্বৰ ৮০.৪ শতাংশ লাভ কৰি ষ্টাৰ মাৰ্ক পাই অঞ্চলটোলৈ সুনাম কঢ়িয়াই আনিছে। দিন হাজিৰা কৰি এইগৰাকী ছাত্ৰীক অসুস্থ পিতৃ-মাতৃয়ে অতি কষ্টৰে পঢ়াইছিল। কোনোমতে দুবেলা দুসাঁজ যোগাৰ কৰাৰ বাদে পঢ়াৰ যাৱতীয় সামগ্ৰী কেইপদো পৰিয়ালে যোগাৰ কৰি দিব পৰা নাছিল। ন্যূনতম উপাৰ্জনেৰে পৰিয়াল চলিবলৈ বহু অসুবিধাৰ সন্মুখীন হৈছিল। সেয়েহে গাঁৱৰ লোকৰ পৰাও সহায় বিচাৰিছিল ছাত্ৰীগৰাকীৰ মাক-দেউতাকে। কিন্তু আজি সফলতাই তেওঁলোকৰ দুৱাৰ ডলিত থিয় দিলে। জীৰ সফলতাত যেন পাহৰি পেলাইছে সকলো দুখ কষ্ট। অৱশ্যে এই সফলতাই পুনৰ চিন্তিত কৰি তুলিছে পৰিয়ালটিক। সেয়ে কোনো সদাশয় দল-সংগঠন তথা ব্যক্তি বিশেষৰ লগতে অসম চৰকাৰৰ শিক্ষামন্ত্ৰী-মুখ্যমন্ত্ৰীলৈ সহায়ৰ হাত বিচাৰিছে মেধাৱী ছাত্ৰীগৰাকীয়ে।


## বৰহোলাৰ ৰজাবাহৰত চকু চিকিৎসা শিবিৰ সম্পন্ন



**বিশেষ সংবাদদাতা**

**নগাবাট, ৮ জুন ঃ** বৰহোলাৰ ৰজাবাহৰৰ ৰূপালীম সাংস্কৃতিক সন্থা আৰু চুতীয়া যুৱ সন্মীলনীৰ যৌথ উদ্যোগত কালি এক চকু চিকিৎসা শিবিৰ অনুষ্ঠিত হয়। পুৱা শিবিৰটোৰ উদ্বোধন কৰে তিতাবৰৰ বিধায়ক ভাস্কৰ জ্যোতি বৰুৱাই। উল্লেখ্য যে দুশৰো অধিক স্থানীয় লোকে চকু পৰীক্ষা কৰোৱায় শিবিৰটোত। চকু পৰীক্ষা কৰাৰ লগতে প্ৰয়োজন সাপেক্ষে চশমা প্ৰদান কৰে ৰোগীসকলক। ৰূপালীম সাংস্কৃতিক সন্থাৰ সভাপতি তৰুণ গগৈ আৰু সম্পাদক দীপক ৰাজখোৱাই জানিবলৈ দিয়ে যে বৃহত্তৰ অঞ্চলটোৰ যিসকল লোক চকুৰ সমস্যাত ভুগি আছিল, তেওঁলোকক সকাহ দিবলৈকে সন্থাটোৱে এনে প্ৰচেষ্টা হাতত লৈছে। ৰূপালীম সাংস্কৃতিক সন্থাই স্থানীয় ৰাইজৰ সহযোগত আৰু বৃহত্তৰ ৰাইজৰ স্বাৰ্থত পূৰ্বেও বিভিন্ন সামাজিক, সাংস্কৃতিক কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। উল্লেখ্য যে ৰূপালীম সাংস্কৃতিক সন্থাৰ এনে পদক্ষেপক শলাগ লৈছে স্থানীয় ৰাইজে।

## ৰাণীত ডাম্পাৰৰ দৌৰাত্ম্যত বহু পশুধনৰ মৃত্যু



**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ৮ জুন ঃ** কামৰূপ জিলাৰ ৰাণী অঞ্চলত সঘনাই ডাম্পাৰৰ দৌৰাত্ম্যত সাধাৰণ ৰাইজ অতিষ্ঠ হৈ পৰিছে। সীমান্তৱৰ্তী মেঘালয়ৰ পৰা শিল-মাটি কঢ়িয়াই অনা শ শ ডাম্পাৰে সম্প্ৰতি ৰাণী অঞ্চলটোৰ জনজীৱন স্তব্ধ কৰি তুলিছে। ৰাণী, মেকুৰীকুছি, হকখাবড়ী, কাহাৰপাৰা, বাটাবাৰী, ধৰমপুৰ, আল্লীবাৰী, ৰাংগাপাৰা, নিৰলপুৰ, বাহুপাৰা, নামপাৰা, খুটাপাৰা গুইমাৰী, তাৰাপতি, গোহাঁইহাট, কামাৰ গাঁও, মণিয়েৰী তিনিআলি আদি গাঁৱৰ বহু পশুধন প্ৰায়েই ডাম্পাৰৰ খুন্দাত মৃত্যুমুখত পৰি আহিছে। পশুধনৰ লগতে তীব্ৰবেগী ডাম্পাৰে আনকি পথৰ কাষেদি অহা-যোৱা কৰা সাধাৰণ পথচাৰীৰ লগতে স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীৰ জীৱনলৈকে ভাবুকি কঢ়িয়াই আনিছে। কম বয়সৰ একাংশ ডাম্পাৰৰ চালক আৰু মালিকৰ মইমতালিৰ বিৰুদ্ধে বহুবাৰ আনকি ৰাণী বনাঞ্চলিক কাৰ্যালয়, আৰক্ষী, পলাশবাৰী চত্ৰ বিষয়াক অভিযোগ দি আহিছিল যদিও এতিয়ালৈ এইসমূহ ডাম্পাৰৰ বিৰুদ্ধে একো এটা ব্যৱস্থা গ্ৰহণ কৰা নাই। উল্লেখ্য যে আজিও মেকুৰীকুছি-হকখাবড়ী পথত তিনিটাকৈ পশুধন এই তীব্ৰবেগী ডাম্পাৰৰ খুন্দাত মৃত্যু হয়।

## ৰঙাপৰাৰ জনসিঞ্চন বিভাগৰ উপ-সংমণ্ডলত সাতগৰাকী কৰ্মচাৰীক বিদায় সম্বৰ্ধনা



**বিশেষ সংবাদদাতা**

**ৰঙাপৰা, ৮ জুন ঃ** জলসিঞ্চন বিভাগৰ ৰঙাপৰা উপ-সংমণ্ডলৰ কাৰ্যালয়ত আজি সাতগৰাকী কৰ্মচাৰীক বিদায় সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। সহকাৰী কাৰ্যবাহী অভিযন্তা অভিজিত বৰাৰ সভাপতিত্ব অনুষ্ঠিত সম্বৰ্ধনা অনুষ্ঠানৰ আঁত ধৰে শাখা সহায়ক অকন বৰাই। সভাত বিভাগৰ পৰা শেহতীয়াকৈ অৱসৰ গ্ৰহণ কৰা কৰ্মচাৰী ৰীণা হাজৰিকা, বাবুল আলী, ভূপেন বৰা, বেণুধৰ কোচ, সোণা আলী, ছাজিদা বেগম আৰু বেন বাহাদুৰ ছেত্ৰীক একোখন ফুলাম গামোচা, শৰাই, মানপত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰে। সভাত শাখা সহায়ক মনজুৰ আহমেদে বিদায় বিষয়ৰ ওপৰত নিজৰ স্বৰচিত কবিতা পাঠ কৰে। লগতে অনুষ্ঠানত তেজপুৰ উপ-সংমণ্ডলৰ সহকাৰী কাৰ্যবাহী অভিযন্তা কৰুণা বৰা, সহকাৰী অভিযন্তা ক্ৰমে ব্ৰীজমোহন চৌধুৰী, প্ৰাঞ্জল বৰা, শাখা বিষয়া কৃষ্ণ খনিকৰ উপস্থিত থাকে। উল্লেখ্য যে বিদায়ী কৰ্মচাৰী আৰু উপ-সংমণ্ডলৰ সমূহ কৰ্মচাৰীৰ উপস্থিতিত এক আবেগিক পৰিৱেশৰ সৃষ্টি হয়। অনুষ্ঠানত নিজৰ চাকৰি জীৱনৰ দীঘলীয়া পৰিক্ৰমাৰ অভিজ্ঞতাৰ এক ছবি উপস্থিত বিদায়ী কৰ্মচাৰীসকলে নিজৰ বক্তব্যত আগবঢ়ায়।

## ডিগবৈ পানবাৰী বনগাঁৱত বনৰীয়া হাতীৰ তাণ্ডৱ

লণ্ড-ভণ্ড কৰিলে এটা বাসগৃহ



**অগ্ৰদূত বাৰ্তা**

**ডিগবৈ, ৮ জুন ঃ** সম্প্ৰতি ৰাজ্যত হাতী-মানুহৰ সংঘাত দিনক দিনে বৃদ্ধি পাই অহাৰ সময়তে যোৱা নিশা তিনিচুকীয়া জিলা ডিগবৈৰ পাৰ্শ্বৱতী এক নম্বৰ পাণবাৰী বনগাঁৱত নিশা এটা অকলশৰীয়া বনৰীয়া হাতীয়ে বিস্তৰ ক্ষতিসাধন কৰে। ডিগবৈ বন সংমণ্ডলৰ অন্তৰ্গত আপাৰ দিহিং বনাঞ্চলৰ পৰা খাদ্যৰ সন্ধানত জনাঞ্চলত প্ৰৱেশ কৰা অকলশৰীয়া বনৰীয়া হাতীটোৱে নিশা চলোৱা তাণ্ডৱত এটা বাসগৃহ ভাঙি সম্পূৰ্ণ ৰূপে চূড়মাৰ কৰে। এক নম্বৰ পাণবাৰী বনগাঁৱৰ নিবাসী ইলিচাবা অৰেয়া নামৰ মহিলাগৰাকীৰ বাসগৃহকেইটা ভাঙি তহিলং কৰাৰ লগতে বহু সা-সামগ্ৰী ক্ষতি কৰে। সৌভাগ্যবশতঃ অতৰ্কিতে নিশাৰ সময়ত চলোৱা বন্যহস্তীৰ তাণ্ডৱত কোনোমতে প্ৰাণৰক্ষা পৰে কে'বাজনো লোকৰ। দীৰ্ঘদিন ধৰি উক্ত অঞ্চলত বনৰীয়া হাতীয়ে বিভিন্ন সময়ত সন্ত্ৰাস চলাই বহু লোকৰ সা-সম্পত্তি বিস্তৰ ক্ষতিসাধন কৰি অহাৰ পাছতো বন বিভাগে কোনোধৰণৰ যাৱতীয় ব্যৱস্থা গ্ৰহণ নকৰাত স্থানীয় লোকে ক্ষোভ প্ৰকাশ কৰিছে।

## তামাৰহাটত ডাম্পাৰে মহটিয়ালে ই-ৰিক্সাক, ই-ৰিক্সাৰ চালকসহ আহত দুই

**তামাৰহাট, ৮ জুন ঃ** ধুবুৰী জিলাৰ তামাৰহাট থানাৰ অন্তৰ্গত ধুতুৰামাৰী গাঁৱত যোৱা নিশা এখন তীব্ৰবেগী ডাম্পাৰে এখন ই-ৰিক্সাক মহটিয়াই নিয়াত ই-ৰিক্সাৰ চালকসহ দুজন লোক গুৰুতৰভাৱে আহত হয়। ঘটনাৰ বিৱৰণী মতে ধুবুৰী জিলাৰ তামাৰহাট থানাৰ অন্তৰ্গত নাটাবাড়ী গাঁৱৰ বাসিন্দা সাধু ৰায়ৰ পুত্ৰ আনন্দ ৰায় আৰু অক্সিগুৰি গাঁৱৰ বাসিন্দা সৰ্বেশ্বৰ ৰায়ৰ পুত্ৰ নিৰঞ্জন ৰায় যোৱা নিশা একেখন থানাৰ অন্তৰ্গত বাসন্তীপুৰ গাঁৱৰ এখন বিয়া ঘৰত ডেকোৰেচনৰ কাম সমাপ্ত কৰি প্ৰস্তাৱিত ১২৭ (বি) নম্বৰ ৰাষ্ট্ৰীয় ঘাই পথেৰে ই-ৰিক্সাৰে নিজ ঘৰলৈ আহি আছিল। তেনেতে উক্ত পথেৰে শ্ৰীৰামপুৰৰ পৰা ভাৰত-বাংলাদেশ সীমান্তৰ আন্তঃৰষ্ট্ৰীয় বজাৰ অভিমুখে তীব্ৰবেগেৰে গৈ থকা এ এছ ১৬ এ চি ৪১৭৮ নম্বৰৰ ডাম্পাৰখনে পাছ ফালৰ পৰা ই-ৰিক্সাখনক মহটিয়াই দিয়ে।

ফলত ই-ৰিক্সাখনত বহি থকা নিৰঞ্জন ৰায়ৰ বাঁও ভৰিখন সম্পূৰ্ণৰূপে ভাঙিগৈ গুৰুতৰভাৱে আহত হয় আৰু চালক আনন্দ ৰায়ো আহত হয়। দুৰ্ঘটনা সংঘটিত কৰি ডাম্পাৰখন তীব্ৰবেগে গুচি যায় যদিও পাগলাহাটত পাগলাহাট আৰক্ষীয়ে ডাম্পাৰখন জব্দ কৰে। ইফালে, দুৰ্ঘটনাৰ খবৰ পোৱাৰ লগে লগে স্থানীয় ৰাইজ ঘটনাস্থলীত উপস্থিতহৈ আহত দুয়োজনক উদ্ধাৰ কৰি তামাৰহাট প্ৰাথমিক চিকিৎসালয়ত ভৰ্তি কৰায়। প্ৰাথমিক চিকিৎসাৰ অন্তত আনন্দ ৰায়ক ঘৰলৈ যাবলৈ দিয়াৰ বিপৰীতে নিৰঞ্জন ৰায়ক উন্নত চিকিৎসাৰ বাবে ধুবুৰীৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে । উল্লেখ্য যে গোসাইগাঁও মহকুমাৰ বিভিন্ন অঞ্চলৰ পৰা পাথৰ ভৰ্তি ডাম্পাৰবোৰে দিনে-নিশাই প্ৰস্তাৱিত ১২৭ (বি) নম্বৰ ঘাই পথেৰে ধুবুৰী জিলাৰ ভাৰত-বাংলাদেশ সীমান্তৰ আন্তঃৰাষ্ট্ৰীয় বজাৰলৈ তীব্ৰ গতিৰে অহা-যোৱা কৰাত স্থানীয় যাত্ৰীবাহী আৰু মালবাহী যানবাহন তথা সাধাৰণ পথচাৰী ৰাইজ যমৰ যাতনা ভুগিবলগীয়া হৈছে। উক্ত মালবাহী ডাম্পাৰৰ চালকসকলক বিভাগীয় কৰ্তৃপক্ষই নাকী নলগালে সঘনাই দুৰ্ঘটনা সংঘটিত হৈয়ে থাকিব বুলি সচেতন মহলে আশংকা ব্যক্ত কৰিছে।

## চিথিলাৰৰ দৰিদ্ৰ পৰিয়ালৰ বিশ্বজিৎ বৰ্মনৰ মেট্ৰিকত চাৰিটা বিষয়ত লেটাৰ মাৰ্ক



**অগ্ৰদূত বাৰ্তা**

**দোতমা, ৮ জুন ঃ** কালি ঘোষণা কৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত সমগ্ৰ অসমৰ লগতে কোকৰাঝাৰ জিলাৰ চিথিলাৰ শংকৰপাৰা গাঁৱৰ নিবাসী অৰুণ কুমাৰ বৰ্মন আৰু বিনোদিনী বৰ্মনৰ সন্তান তথা চিথিলা উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ বিশ্বজিৎ বৰ্মনে পৰিয়ালৰ আৰ্থিক অৱস্থা বেয়া হোৱা সত্বেও কঠোৰ পৰিশ্ৰম কৰি এইবেলি হাইস্কুল শিক্ষান্ত পৰীক্ষাত ষ্টাৰ মাৰ্চ লাভ কৰি সমগ্ৰ চিথিলা অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিছে। বিশ্বজিতৰ এই সফলতাত উৎফুল্লিত হৈ পৰিছে শিক্ষকৰ লগতে পৰিয়ালৰ লোক। আজি বিশ্বজিতৰ ঘৰত চিথিলা আঞ্চলিক এবিএমছুৰ এটি সঁজাতী দল উপস্থিত হৈ ছাত্ৰজনক ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱাৰ লগতে তেওঁৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰে।

## গাড়ীয়ে খুন্দিয়াই আহত কৰিলে দুজনক

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ৮ জুন ঃ** ডিব্ৰুগড় জিলাৰ মৰাণ আৰক্ষী থানাৰ অন্তৰ্গত মৰাণ টেঙাদলঙত আজি এক পথ দুৰ্ঘটনা সংঘটিত হয়। তথ্য মতে এ এছ ০৬ ডব্লিউ ৯৩৬২ নম্বৰৰ মটৰ চাইকেলখন দুজন ব্যক্তি মৰাণলৈ আহি থকা সময়তে পাছ ফালৰ পৰা আহি থকা এখন অচিনাকি গাড়ীয়ে মটৰ চাইকেল আৰোহী দুজনক খুন্দা মাৰি পলাই যায়। ফলত আৰোহী দুজন গুৰুতৰভাৱে আহত হয়। আহত প্ৰহ্লাদ ভূমিজ আৰু গব ভূমিজক মৰাণ মেডিকেল চেণ্টাৰত ভৰ্তি কৰা হয়। মৰাণ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ দুৰ্ঘটনাত পতিত হোৱা মটৰ চাইকেলখন থানালৈ লৈ আহে আৰু ঘটনা সন্দৰ্ভত তদন্ত আৰম্ভ কৰিছে।

## কঠিয়াতলিত মৃত হাতী পোৱালি উদ্ধাৰ



**অগ্ৰদূত বাৰ্তা**

**কঠিয়াতলি, ৮ জুন ঃ** নগাঁও জিলাৰ কঠিয়াতলিৰ কন্দলী আহুতলীত আজি পুৱা এটি মৃত নৱজাতক হাতী পোৱালি উদ্ধাৰ হয়। প্ৰাপ্ত তথ্য মতে, পুৱা স্থানীয় ৰাইজে প্ৰত্যক্ষ কৰা হাতী পোৱালিটো প্ৰসৱ হোৱাৰ পাছতে মৃত্যু হোৱা বুলি সন্দেহ কৰা হৈছে। ইফালে, এই স্থানতে নিশা প্ৰায় ৫০ জন বন্যহস্তীৰ জাকে উপদ্ৰৱ চলাই অঞ্চলটোৰ খেতিপথাৰ বিনষ্ট কৰে।

## ৯৩ শতাংশ নম্বৰৰে নদুৱাৰ জাতীয় বিদ্যালয়ত জিলিকিল 'সংগীত কমল'

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ৮ জুন ঃ** জামুগুৰিহাটত থকা নদুৱাৰ জাতীয় বিদ্যালয়ত ৯৩ শতাংশ নম্বৰ লাভ কৰি উজলিল সংগীত কমল নামৰ ছাত্ৰজন। এইজন ছাত্ৰই পৰিয়ালৰ আৰু বিদ্যালয়খনৰ শিক্ষাগুৰুসকলৰ যত্নত সদ্যঘোষিত উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত এই গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। তেওঁকে ধৰি ছগৰাকী পৰীক্ষাৰ্থীয়ে ডিষ্টিংছন লাভ কৰাৰ বিপৰীতে সৰ্বমুঠ ১০গৰাকী প্ৰথম বিভাগত উত্তীৰ্ণ হ'বলৈ সক্ষম হয়। তেওঁৰ এই ফলাফলে বিদ্যালয়খনত এক আনন্দময় পৰিৱেশৰ সৃষ্টি হয়।

হুইল চেয়াৰত উঠি বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰা কৃষ্ণৰ সফলতাত আনন্দিত

## শাৰীৰিক বাধা নেওচি হাইস্কুল শিক্ষান্ত পৰীক্ষাত উজলিল বৰহোলাৰ কৃষ্ণ কছাৰী



**বিশেষ সংবাদদাতা**

**নগাবাট, ৮ জুন ঃ** শাৰীৰিক প্ৰতিবন্ধকতা কেতিয়াও জীৱনৰ সাফল্যত হেঙাৰ হ'ব নোৱাৰে। যদিহে মনত প্ৰবল আগ্ৰহ আৰু একাগ্ৰতা থাকে। এই কথা আজি পুনৰবাৰ প্ৰমাণিত কৰিলে বৰহোলাৰ বিশেষভাৱে সক্ষম ছাত্ৰ কৃষ্ণ কছাৰীয়ে। বৰহোলাৰ নৱমিলন উচ্চ মাধ্যমিক বিদ্যালয়ৰ এজন ছাত্ৰ কৃষ্ণ কছাৰী। বিশেষভাৱে সক্ষম কৃষ্ণই খোজ কাঢ়িব নোৱাৰে। দৈনিক এখন হুইল চেয়াৰত উঠি বিদ্যালয়ত শিক্ষা গ্ৰহণৰ বাবে আহে কৃষ্ণ। শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে কে'বাজনো বন্ধুৱে সদায় সহযোগিতা আগবঢ়ায় কৃষ্ণৰ প্ৰতিটো আগ্ৰহত। বিশেষভাৱে সক্ষম এইজন কৃষ্ণই সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত এটা বিষয়ত লেটাৰসহ দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈছে। কৃষ্ণৰ সফলতাই বৰ্তমান অতিকৈ আনন্দিত কৰি তুলিছে বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীৰ লগতে বৃহত্তৰ অঞ্চলবাসীক। উল্লেখ্য যে বেকাজান ঠেঙাল গাঁৱৰ যোগেন কছাৰী আৰু ভানু কছাৰীৰ পুত্ৰ কৃষ্ণ। কলা শাখাত অধ্যয়নেৰে শিক্ষাময় জীৱনৰ আগন্তুক দিনবোৰো আগবঢ়াই নিয়াৰ পৰিকল্পনাৰ কথা সংবাদ মাধ্যমৰ আগত জনিবলৈ দিয়ে কৃষ্ণই।

# আন্তৰ্জাতিক ক্ৰিকেটৰ পৰা অৱসৰ ঘোষণা মিতালীৰ



**নতুন দিল্লী, ৮ জুন ঃ** ভাৰতৰ মহিলা ক্ৰিকেটাৰ মিতালী ৰাজে আজি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ কথা ছ'চিয়েল মিডিয়াত দিয়া এক বিবৃতিৰ জৰিয়তে সদৰী কৰিছে। উল্লেখ্য যে ১৯৯৯ ত ১৬ বছৰ বয়সত ভাৰতৰ হৈ খেলিবলৈ আৰম্ভ কৰা মিতালীয়ে ধাৰাবাহিকতা ৰক্ষা কৰি অদমনীয় প্ৰদৰ্শনৰে অন্যতম সৰ্বকালৰ মহান খেলুৱৈ হিচাপে পৰিগণিত হয়। ভাৰতক প্ৰতিনিধিত্ব কৰি তেওঁ ১২ খন টেষ্ট, ২৩২ খন এদিনীয়া আৰু মুঠ ৮৯ খন টি-২০ খেলত লৈছিল। ইয়াৰে ১৯৫ খনত মিতালী অধিনায়ক হোৱাৰ লগতে ভাৰতীয় মহিলা ক্ৰিকেট দলটোক দুখন বিশ্বকাপৰ ফাইনেললৈও নেতৃত্ব দিছিল। ১৯৯৯ ত আত্মপ্ৰকাশৰ সময়ত এশৰে কেৰিয়াৰ আৰম্ভ কৰাৰ পিছত এদিনীয়া খেলত তেওঁ সৰ্বাধিক ৰান সংগ্ৰহকাৰী হিচাপে বৰ্ণিল কেৰিয়াৰ যৱনিকা কৰে। মুঠ সাতটা শতক আৰু ৬৪ টা পঞ্চাশ ৰানৰে ৭৮০৫ ৰান সংগ্ৰহ কৰি জাকতজিলিকা কৰি তুলে ভাৰতীয় মহিলা ক্ৰিকেট জগতক। মহিলা টেষ্টত তেওঁ ভাৰতৰ একমাত্ৰ ডাবল চেঞ্চুৰিয়ান, ২০০২ ত ইংলেণ্ডৰ বিৰুদ্ধে কৰা ২১৪ ৰান দ্বিতীয় সৰ্বাধিক ব্যক্তিগত স্ক'ৰো। ২০১৮ ৰ টি-২০ বিশ্বকাপৰ সময়ত মূল একাদশৰ পৰা পৰা বাদ পৰাত কেৰিয়াৰৰ শেষৰ ফালে তেওঁ এক বিতৰ্কৰ মাজত সোমাই পৰিছিল। ইয়াৰ পিছতে মিতালীয়ে তেতিয়াৰ প্ৰশিক্ষক ৰমেশ পাৱাৰ আৰু অধিনায়ক হৰমনপ্ৰীত কৌৰৰ বিৰুদ্ধে বাকযুদ্ধও কৰে। কিন্তু ২০১৯ ত তেওঁক পুনৰ দলত স্থান দিয়া হয় আৰু এতিয়াও টি-২০ ফৰ্মেটত মিতালী ভাৰতৰ সৰ্বোচ্চ ৰাণ সংগ্ৰহকাৰী। ভাৰতীয় খেলৰ প্ৰতি আগবঢ়োৱা অৱদানৰ বাবে মিতালীয়ে বহুলভাৱে স্বীকৃতি লাভ কৰিছে আৰু অৰ্জুন বঁটা, পদ্মশ্ৰী আৰু শেহতীয়াকৈ ২০২১ ত খেল ৰত্ন বঁটাকে ধৰি কেইবাটাও অসামৰিক সন্মান লাভ কৰিছে।

চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত অসমৰ ভাৰোত্তোলকৰ চমকপ্ৰদ প্ৰদৰ্শন

# সুদিত্য বৰুৱাৰ সোণ অৰ্জন



**গুৱাহাটী, ৮ জুন ঃ** অসমৰ ভাৰোত্তোলকে চলিত চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত চমকপ্ৰদ প্ৰদৰ্শন কৰি পদক জয়ৰ ধাৰাবাহিকতা অব্যাহত ৰাখিছে। উল্লেখ্য যে হাৰিয়ানাত চলি থকা চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত আজি অসমে দ্বিতীয়টো সোণৰ পদক লাভ কৰিবলৈ সক্ষম হয়। অসমৰ সুদিত্য বৰুৱাই ৮৯ কিলোগ্ৰাম শাখাত সোণ লাভ কৰি ৰাজ্যক গৌৰৱময় সফলতা দিয়ে। স্নেচত ১২৩ আৰু ক্লিন এণ্ড জাৰ্কত ১৬১ মুঠ ২৮৪ কেজি উত্তোলন কৰি সুদিত্য বৰুৱাই সোণ অৰ্জন কৰে। এয়া ভাৰোত্তোলনত অসমৰ চতুৰ্থটো পদক। উল্লেখ্য যে চলিত চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত অসমে থাংটাত সৰ্বাধিক আঠটা পদক লাভ কৰাৰ বিপৰীতে এতিয়ালৈকে চাৰিটা পদক লাভ কৰিলে ভাৰোত্তোলনত। অসম ভাৰোত্তোলন সন্থাৰ সম্পাদক ভৱজ্যোতি গোস্বামীয়ে খেলুৱৈৰ প্ৰদৰ্শনত আনন্দিত লগতে দলক এই প্ৰদৰ্শনৰ বাবে শুভেচ্ছা জনাইছে। ইয়াৰপূৰ্বে কালি ভাৰোত্তোলনত অসমৰ ত্ৰিদীপ বৰুৱাই ৮১ কিলোগ্ৰাম শাখাত ৰূপৰ পদক লাভ কৰাৰ বিপৰীতে প্ৰবাল প্ৰতিম গগৈয়েও ৭৩ কিলোগ্ৰাম শাখাত খেলি চতুৰ্থ খেলো ইণ্ডিয়াত ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। ত্ৰিদিপে স্নেচত ১৩২ আৰু ক্লিন এণ্ড জাৰ্কত ১৫৬ মুঠ ২৮৮ কেজি উত্তোলন কৰি ৰূপৰ পদক লাভ কৰে। ইফালে, প্ৰবালে স্নেচত ১১৬ আৰু ক্লিন এণ্ড জাৰ্কত ১৪৫ মুঠ ২৬২ কেজি উত্তোলন কৰি ব্ৰঞ্জৰ পদক লাভ কৰে। ইয়াৰপূৰ্বে প্ৰথম দিনা ভাৰোত্তোলনত অসমৰ ৰেখামণি গগৈয়ে ব্ৰঞ্জ লাভ কৰিবলৈ সক্ষম হৈছিল। ছোৱালীৰ ৪০ কেলোগ্ৰাম শাখাত অসমৰ ৰেখামণিয়ে স্নেচত ৫২ আৰু ক্লিন এণ্ড জাৰ্কত ৫৭ মুঠ ১০৯ কেজি উত্তোলন কৰি ব্ৰঞ্জৰ পদক লাভ কৰে। অসম ভাৰোত্তোলন দলৰ প্ৰশিক্ষক হ'ল অনুপ কোঁৱৰ আৰু পাৰ্বতী তামাং। উল্লেখ্য যে অসমে এইবাৰৰ চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়ালৈ ১১ গৰাকী ভাৰোত্তোলকক প্ৰেৰণ কৰিছে। ইয়াৰে ছয় গৰাকী ছোৱালী আৰু পাঁচ জন ল'ৰা।



বিক্ৰম চাংমাইৰ ৰূপ, ব্ৰঞ্জ পালে আস্থা চৌধুৰী-উত্তৰা গগৈয়ে

# খেলো ইণ্ডিয়াৰ সাঁতোৰত তিনিটা পদক অৰ্জনৰে প্ৰত্যাশিত আৰম্ভণি অসমৰ

**গুৱাহাটী, ৭ জুন ঃ** চলিত চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত আজি অসমৰ খেলুৱৈয়ে এটা সোণ, এটা ৰূপ আৰু দুটা ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে আজি ভাৰোত্তোলনত অসমে আৰু এটা পদক দখল কৰি এই খেলত পদকৰ সংখ্যা চাৰিটালৈ বৃদ্ধি কৰে। অসমৰ সুদিত্য বৰুৱাই ৮৯ কিলোগ্ৰাম শাখাত সোণ লাভ কৰিবলৈ সক্ষম হয়। এয়া চলিত চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত অসমৰ দ্বিতীয়টো সোণ। ইফালে, আজিৰে পৰা আৰম্ভ হোৱা সাঁতোৰত অসমে প্ৰত্যাসিত আৰম্ভণি কৰি তিনিটা পদক লাভ কৰিবলৈ সক্ষম হয়। ল'ৰাৰ ৫০ মিটাৰ ৱাটাৰফ্লাই শাখাত অসমৰ বিক্ৰম চাংমাই ৰূপ লাভ কৰাৰ বিপৰীতে ছোৱালীৰ ৫০ মিটাৰ ৱাটাৰফ্লাই শাখাত অসমৰ উত্তৰা গগৈয়ে ব্ৰঞ্জৰ পদক লাভ কৰে। আনহাতে, ২০০ মিটাৰ ফ্ৰী-ষ্টাইল শাখাত অসমৰ আস্থা চৌধুৰীয়ে ব্ৰঞ্জ অৰ্জন কৰি সাঁতোৰত তৃতীয়টো পদক দিয়ে। উল্লেখ্য যে আজি চাৰিটা পদক জয়ৰে চতুৰ্থ খেলো ইণ্ডিয়াত অসমে মুঠ ১৭ টা পদক লাভ কৰিলে। গুৰুত্বপূৰ্ণ বিষয়টো হ'ল চলিত চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত অসমে প্ৰতিদিনে পদক লাভ কৰিবলৈ সক্ষম হৈছে। ইয়াৰপূৰ্বে কালি ভাৰোত্তোলনত অসমৰ ত্ৰিদীপ বৰুৱাই ৮১ কিলোগ্ৰাম শাখাত ৰূপৰ পদক লাভ কৰাৰ বিপৰীতে প্ৰবাল প্ৰতিম গগৈয়েও ভাৰোত্তোলনৰ ৭৩ কিলোগ্ৰাম শাখাত খেলি চতুৰ্থ খেলো ইণ্ডিয়াত ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হৈছিল। ইফালে, ক্ৰমাগত দ্বিতীয়খন খেলো ইণ্ডিয়াত পদক লাভ কৰাৰ গৌৰৱময় সফলতা লাভ কৰিছে অসমৰ জিমনাষ্টিকছ খেলুৱৈ উপাশা তালুকদাৰে। ৰিডমিক জিমনাষ্টিকছত অসম কন্যা উপাশাই ব্ৰঞ্জৰ পদক লাভ কৰে। উল্লেখ্য যে চলিত চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত অসমে থাংটাত সৰ্বাধিক আঠটা পদক লাভ কৰাৰ বিপৰীতে চাৰিটা পদক লাভ কৰিছে ভাৰোত্তোলনত। আনহাতে, যোগাসন আৰু জিমনাষ্টিকছত এটাকৈ পদক লাভ কৰিছে অসমে। উল্লেখ্য যে অসমক প্ৰথমটো সোণ দিয়াৰ গৌৰৱময় সফলতা লাভ কৰে থাংটা খেলুৱৈ ৰাজা সিনহাই। ইফালে, থাংটাত ৰূপৰ পদক লাভ কৰে উৰ্মিলা শৰ্মা আৰু ম'নালী গগৈয়ে। আনহাতে, থাংটাত অসমক পদক দিয়ে সুৰজ সিঙে ব্ৰঞ্জ লাভ কৰি। ইফালে, অসমৰ হৈ এটা ৰূপৰ পদক লাভ কৰে যোগাসনত সুমিত দে। ইয়াৰপূৰ্বে অসমৰ থাংটাৰ তিনি খেলুৱৈ ৰাহুল চৌহান, য়াইখ'স্বা আৰু ইলিনাই ৰূপৰ পদক অৰ্জন কৰাৰ লগতে এম সান্তামনিয়ে ব্ৰঞ্জ লাভ কৰিবলৈ সক্ষম হৈছিল। আনহাতে, ভাৰোত্তোলনত প্ৰথমে ৰেখামণি গগৈয়ে ব্ৰঞ্জ লাভ কৰিবলৈ সক্ষম হৈছিল।



# খেলো ইণ্ডিয়াত পদকজয়ী অসমৰ খেলুৱৈক আৰ্থিক পুৰস্কাৰ দিব ৰাজ্য চৰকাৰে

**গুৱাহাটী, ৮ জুন ঃ** চলিত চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত চমকপ্ৰদ প্ৰদৰ্শন কৰি পদক লাভ কৰা অসমৰ খেলুৱৈক আৰ্থিক পুৰস্কাৰ দিয়াৰ কথা ঘোষণা কৰিছে ৰাজ্য চৰকাৰে। এই বিষয়ে আজি আনুষ্ঠানিক ঘোষণা কৰি ৰাজ্যৰ ক্ৰীড়া মন্ত্ৰী বিমল বৰাই কয় যে সোণ লাভ কৰা খেলুৱৈয়ে এক লাখ, ৰূপজয়ী খেলুৱৈয়ে ৭৫ হেজাৰ আৰু ব্ৰঞ্জ লাভ কৰা খেলুৱৈয়ে ৫০ হেজাৰ টকাৰ আৰ্থিক পুৰস্কাৰ লাভ কৰিব। আনহাতে, পদক লাভ নকৰিলেও চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত অংশ লোৱা সকলো খেলুৱৈয়ে ২০ হেজাৰ টকাকৈ লাভ কৰিব। উল্লেখ্য যে ২০১৮ ৰ পৰা আৰম্ভ হোৱা খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াৰ প্ৰথম সংস্কৰণত অসমে এটা সোণ, দুটা ৰূপ আৰু এটা ব্ৰঞ্জ লাভ কৰি মুঠ চাৰিটা পদকৰে তালিকাৰ ২৩ নম্বৰ স্থানত আছিল। পৰৱৰ্তী ২০১৯ ৰ দ্বিতীয় খেলো ইণ্ডিয়া যুৱ গেমছত অসমে তিনিটা সোণ, এটা ৰূপ আৰু চাৰিটা ব্ৰঞ্জ লাভ কৰি মুঠ আঠটা পদকৰে তালিকাৰ ২০ নম্বৰ স্থানত থাকে। তৃতীয় খেলো ইণ্ডিয়া যুৱ গেমছ ২০২০ ত অনুষ্ঠিত হৈছিল গুৱাহাটীত। আয়োজক ৰাজ্য হিচাপে অসমে সকলো ইভেণ্টত খেলাৰ সুযোগ লাভ কৰি মুঠ ৭৬ টা পদক অৰ্জন কৰে আৰু তালিকাৰ সপ্তম স্থানত থাকিবলৈ সক্ষম হয়। উল্লেখ্য যে গৃহভূমিত হোৱা তৃতীয় খেলো ইণ্ডিয়া যুৱ গেমছ ২০২০ ত অসমে ২০ টা সোণ, ২২ টা ৰূপ আৰু ৩৪ টা ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হৈছিল। এইবাৰ কিন্তু অসমে ১৩ বিধ খেলত ৬২ জন খেলুৱৈহে প্ৰেৰণ কৰিবলৈ সক্ষম হৈছে। অৰ্থাৎ যোৱাবাৰৰ পদক জয়ৰ সংখ্যাতকৈয়ো অসমৰ কম খেলুৱৈয়ে অংশ লৈছে চলিত চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত।

জি এছ এৰ 'চি' ডিভিজন কোৱালিফায়িং ৰাউণ্ড ফুটবল

# আমবাৰী এফ চি শান্তিপুৰৰ জয়লাভ



**গুৱাহাটী, ৮ জুন ঃ** গুৱাহাটী ক্ৰীড়া সন্থাৰদ্বাৰা আয়োজিত চি ডিভিজন কোৱালিফাইং ফুটবল প্ৰতিযোগিতাত আজি আমবাৰী ইউনাইটেড এফ চি আৰু শান্তিপুৰ এথলেটিক ক্লাবে জয়লাভ কৰি পৰৱৰ্তী ৰাউণ্ডৰ বাবে যোগ্যতা অৰ্জন কৰিছে । আজি নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত খেলত আমবাৰী ইউনাইটেডে ৰেইনবো এফচিক ৬-১ গ'লত পৰাস্ত কৰে । ইফালে, আনখন মেচত শান্তিপুৰ এথলেটিক ক্লাবে ফ্লেমিঙ্গো এফ চিক ৪-১ গ'লত পৰাস্ত কৰে । চি ডিভিজন কোৱালিফাইং ফুটবল প্ৰতিযোগিতাত কাইলৈ ব্ৰহ্মপুত্ৰ বইজে কাজিৰঙা এফচিৰ বিৰুদ্ধে আৰু নিউ ষ্টাৰ ক্লাবে কেতেকীবাৰী এফচিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

আজি ভাৰত-দক্ষিণ আফ্ৰিকাৰ প্ৰথম টি-২০

# আঘাতৰ বাবে পাঁচখনীয়া শৃংখলাৰ পৰা বাহিৰ অধিনায়ক ৰাহুল-কুলদ্বীপ

**নতুন দিল্লী, ৮ জুন ঃ** ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি-২০ শৃংখলাটো কাইলৈৰ পৰা আৰম্ভ হ'ব। উল্লেখ্য যে কাইলৈ নতুন দিল্লীত শৃংখলাৰ প্ৰথমখন মেচ অনুষ্ঠিত হ'ব। কিন্তু শৃংখলা আৰম্ভ হোৱাৰ পূৰ্বেই সমস্যাৰ সন্মুখীন হৈছে টীম ইণ্ডিয়া। স্মৰ্তব্য যে ভাৰতৰ অধিনায়ক কে এল ৰাহুলে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলিব লগা পাঁচখনীয়া টি-২০ শৃংখলাটোৰ পৰা আঘাতৰ বাবে বাহিৰ হ'বলগীয়া হৈছে। সেয়ে এতিয়া টীম ইণ্ডিয়াক পাঁচখনীয়া টি-২০ শৃংখলাটোত নেতৃত্ব দিব সহঃ অধিনায়কৰ দয়িত্বত থকা উইকেট কীপাৰ বেটছমেন ঋষভ পণ্টে। ইফালে, এই শৃংখলাত ভাৰতীয় দলৰ সহঃঅধিনায়ক হ'ব অলৰাউণ্ডাৰ হাৰ্দিক পাণ্ডিয়া। উল্লেখ্য যে ৰাহুলৰ পূৰ্বে নেটত বেটিং কৰাৰ সময়ত সোঁহাতত আঘাত পোৱাৰ পিছত স্পিনাৰ কুলদীপ যাদৱেও সমগ্ৰ টি-২০ শৃংখলাত খেলিব নোৱাৰিব বুলি বি চি চি আয়ে জনাইছে। কিন্তু বি চি চি আইৰ নিৰ্বাচক কমিটীয়ে ৰাহুল আৰু কুলদীপৰ স্থানত কাৰো নাম প্ৰকাশ কৰা নাই। দুয়োজন ক্ৰিকেটাৰে এনচিএক প্ৰতিবেদন দিব য'ত চিকিৎসা দলে তেওঁলোকৰ আঘাত পৰ্যবেক্ষন কৰি ভৱিষ্যতে চিকিৎসা পদ্ধতিৰ সিদ্ধান্ত ল'ব। কাইলৈৰ প্ৰথম মেচত টীম ইণ্ডিয়াৰ হৈ ৰিতুৰাজ গাইকোৱাড আৰু ঈশান কিষানে বেটিং মুকলি কৰিব পাৰে। ভাৰতীয় টি-২০ দলটো হ'ল ঃ ৰিতুৰাজ গাইকোৱাড, ইষান কিষান, দীপক হুদা, শ্ৰেয়াছ আয়াৰ, ঋষভ পণ্ট, দিনেশ কাৰ্তিক, হৰ্দিক পাণ্ডিয়া, ভেংকটেশ আয়াৰ, যুজবেন্দ্ৰ চাহাল, কুলদ্বীপ যাদব, অক্ষৰ পেটেল, ৰবী বিষ্ণয়, ভূৱনেশ্বৰ কুমাৰ, হাৰ্চল পেটেল, আভেছ খান, অৰ্শদ্বীপ সিং আৰু উমৰান মালিক।



আসন্ন ৰাজ্যিক যুৱ গেমছৰ বাবে অসম অলিম্পিকৰ এটা প্ৰতিনিধি দলে আজি মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰে।

# অভিলেখ গঢ়িবলৈ নহয়, দেশৰ বাবে মেচ জয় কৰিবলৈহে খেলিব ভাৰতে ঃ ৰাহুল



**নতুন দিল্লী, ৮ জুন ঃ** টীম ইণ্ডিয়াই কাইলৈৰ পৰা দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে পাঁচ খন মেচৰ এক টি-২০ আন্তঃৰাষ্ট্ৰীয় শৃংখলাত অংশ ল'ব । দেশৰ মাটিত অনুষ্ঠিত হ'বলগীয়া এই টি-২০ শৃংখলাৰ বাবে ইতিমধ্যে সকলো প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ । শৃংখলাটোৰ পূৰ্বে টীম ইণ্ডিয়াৰ প্ৰশিক্ষক ৰাহুল দ্ৰাবিড়ে আজি সংবাদমেল সম্বোধন কৰি ভাৰতীয় দলৰ প্ৰস্তুতিৰ বিষয়ে ব্যাখ্যা কৰিছে। দ্ৰাৱিড়ে কয় 'আমি ৰেকৰ্ডৰ বাবে নহয়, দেশৰ বাবে মেচ জয় কৰিবলৈহে খেলিম।' উল্লেখ্য যে কাইলৈ শৃংখলাৰ প্ৰথমখন মেচ জয় কৰিব পাৰিলেই ভাৰতীয় দলটোৱে একেৰাহে ১৩ খন টি-২০ মেচ জয় কৰা বিশ্বৰ প্ৰথম দল হিচাপে পৰিচিত হৈ পৰিব । বৰ্তমানলৈকে ভাৰতীয় দলটোৱে এখন মেচত পৰাজয় বৰণ নকৰাকৈ মুঠ ১২ খনত জয়লাভ কৰি থৈছে । এই প্ৰসংগত সংবাদ মেলত ৰাহুল দ্ৰাবিড়ে কয়, 'মই কোনো ৰেকৰ্ডৰ বিষয়ে চিন্তা কৰা নাই। আমি দেশৰ হৈ খেলিব লাগিব আৰু জিকিব লাগিব । যদি আমি ভাল খেলিব নোৱাৰো, আমি সেই পৰাজয়ৰ পৰা শিকিব লাগিব । এইটো বিষয়ত দলটোৱে গুৰুত্ব আৰোপ কৰিছে ।' ইফালে, তিনি বছৰৰ পিছত টীম ইণ্ডিয়ালৈ উভতি আহিছে বিস্ফোৰক বেটছমেন দীনেশ কাৰ্তিক । আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটৰ পৰা অৱসৰ লোৱা নাছিল যদিও কাৰ্তিকে আই পি এলক বাদ দি আন ক্ৰিকেটৰ পৰা প্ৰায় আঁতৰি আছিল। আই পি এলত দেখুওৱা প্ৰদৰ্শনে দীনেশ কাৰ্তিকক ভাৰতীয় দলত ল'বলৈ বাধ্য কৰালে । এইগৰাকী উইকেট কীপাৰ বেটছমেন সন্দৰ্ভত ৰাহুল দ্ৰাবিড়ে কয়, 'দীনেশক তেওঁৰ ভূমিকা সম্পৰ্কে স্পষ্টকৈ কোৱা হৈছে। দীনেশক খেল শেষ কৰাৰ দায়িত্ব দিয়া হৈছে । কাৰ্তিকে আই পি এলত কৰাৰ দৰেই, টীম ইণ্ডিয়াৰ বাবেও মেচ জয়ৰে সমাপ্ত কৰিব লাগিব । এই বাবেই তেওঁক ভাৰতীয় দলত স্থান দিয়া হৈছে।'



শ্ৰীলংকাৰ বিৰুদ্ধে প্ৰথম টি-২০ ত ১০ উইকেটত জয়ী অষ্ট্ৰেলিয়া দল

# চেণ্ট যোছেফ হাইস্কুল কোৱাৰ্টাৰত

অগ্ৰদূত বাৰ্তা

**মৰাণ, ৮ জুন ঃ** মৰাণ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত মৰাণ মহাবিদ্যালয় খেল পথাৰত চলি থকা জিয়াউৰ ৰহমান মৰাণ আন্ত:বিদ্যালয় ফুটবলত চেণ্ট যোছেফ হাইস্কুল কোৱাৰ্টাৰ উপনীত হৈছে । আজি অনুষ্ঠিত খেলত চেণ্ট যোছেফ হাইস্কুলে ৰাইদঙীয়া উচ্চ মাধ্যমিক বিদ্যালয়ক একমাত্ৰ গলত পৰাজিত কৰে । যোচেফৰ হৈ গলটো দিয়ে আয়োচ তাঁতীয়ে । এতিয়া ১০ জুনৰ খেলত যোছেফ হাইস্কুল চেপন উচ্চমাধ্যমিক বিদ্যালয়ৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব । খেল পৰিচালনা কৰে ক্ৰমে জুন বৰগোহাঁই, অভিজিত চুতীয়া, সুনীল গগৈ আৰু ক্ষীৰোদ বৰগোহাঁয়ে ।

# আইটা ৰাষ্ট্ৰীয় টেনিছত অসমৰ ল'ৰা-ছোৱালীৰ অদমনীয় প্ৰদৰ্শন

**গুৱাহাটী, ৮ জুন ঃ** গুৱাহাটীৰ চচল টেনিছ প্ৰকল্পত অসম টেনিছ সন্থাৰ উদ্যোগত চলি আছে ১৬ আৰু ১৮ বছৰ অনূৰ্ধ্বৰ ল'ৰা-ছোৱালীৰ আইটা চেম্পিয়নশ্বিপ ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতা। উল্লেখ্য যে একক আৰু ডাবলছ শাখাৰ মেচ অনুষ্ঠিত হোৱা চলিত ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতাখনৰ আজি তৃতীয় দিনা ১৬ আৰু ১৮ বছৰ অনূৰ্ধ্বৰ ল'ৰা-ছোৱালীৰ একক তথা ডাবলছ শাখাৰ কোৱাৰ্টাৰ ফাইনেল মেচসমুহ অনুষ্ঠিত হয়। অসমৰ বাছনি বিহীন খেলুৱৈ আয়ান শৰ্মাই আজি ১৬ বছৰ অনুৰ্ধৰ ল'ৰাৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত অঘটন ঘটাই দ্বিতীয় বাছনিৰ অসমৰে ৰিয়ান কাশ্যপক তিনিটা ছেটৰ অন্তত ৬-১, ১-৬, ৬-১ ৰ ব্যৱধানত পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰিবলৈ সক্ষম হয়। ১৬ বছৰ অনুৰ্ধৰ ল'ৰাৰ একক শাখাৰ ছেমিফাইনেলত প্ৰৱেশ কৰাৰ অন্য তিনিজন খেলুৱৈও অসমৰে। উল্লেখ্য যে শীৰ্ষ বাছনিৰ অন্তৰীক্ষ তামুলী, মণন নাথ আৰু পাৰ্থিৱ কলিতাও ১৬ বছৰ অনুৰ্ধৰ ল'ৰাৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত নিজ নিজ প্ৰতিদ্বন্দ্বীক পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰে। ইফালে, আজি অনুষ্ঠিত হোৱা ১৮ বছৰ অনুৰ্ধৰ ল'ৰাৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত জয়লাভ কৰি অসমৰ বেদ আদিত্য কলিতা আৰু মণন নাথৰ লগতে অন্তৰীক্ষ তামুলীয়ে ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। এই শাখাৰ চতুৰ্থগৰাকী ছেমিফাইনেলিষ্ট হ'ল কৰ্ণাটকৰ মানৱ হৰিৰাজ। ইফালে, ১৮ বছৰ অনুৰ্ধৰ ছোৱালীৰ একক শাখাৰ ছেমিফাইনেলতো অসমৰ তিনিগৰাকীকৈ যুৱতী প্ৰৱেশ কৰিবলৈ সক্ষম হৈছে। আজি অনুষ্ঠিত হোৱা কোৱাৰ্টাৰ ফাইনেলত জয়লাভ কৰে অসম কন্যা তানিয়া কুমাৰী, বিষ্ণুপ্ৰিয়া বৰগোঁহাই আৰু অঞ্চিতা শুক্লা। এই শাখাৰ চতুৰ্থগৰাকী ছেমিফাইনেলিষ্ট হ'ল বংগৰ য়শবি শৰ্মা। তেওঁ কোৱাৰ্টাৰ ফাইনেলত পৰাস্ত কৰে অসমৰ আদ্ৰিকা ৰাজকুমাৰীক। অৱশ্যে আদ্ৰিকাই আজি অনুষ্ঠিত হোৱা ১৬ বছৰ অনুৰ্ধৰ ছোৱালীৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত জয়লাভ কৰি ছেমিফাইনেলত স্থান নিশ্চিত কৰে। অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তই জনোৱা অনুসৰি কাইলৈ পুৱা ৭.৩০ বজাত আৰম্ভ হ'ব ল'ৰা-ছোৱালীৰ একক শাখাৰ ছেমি ফাইনেল মেচ। আনহাতে, ইয়াৰ পিছতে ডাবলছ শাখাৰ ছেমিফাইনেল আৰু ফাইনেল অনুষ্ঠিত হ'ব।




## বিল্যসনন্দন চ'ৰা



**ঘৰে** ঘৰে বেলেগ বেলেগ ৰিয়েকছন। পৰীক্ষাৰ্থীক লগ কৰি সুধিব নালাগে মেট্ৰিকৰ ৰিজাল্ট কি। গাৰ্জেনৰ আচাৰ-আচৰণ দেখিলেই গম পাই যোৱা যায় ল'ৰা-ছোৱালীৰ কি ৰিজাল্ট? বাপেকটোৱে যদি খালী মোনাখন লৈ এনেয়ে বজাৰত টিঘিলঘিলাই ঘূৰি ফুৰে, অচিনাকি মানুহবোৰকো যদি হাঁহি হাঁহি মাতি থাকে, তেন্তে বুজিব লাগিব যে তেওঁৰ ল'ৰা বা ছোৱালীয়ে ষ্টাৰ পাইছে বা ডিষ্টিংচন পাইছে। কাৰোবাৰ ঘৰৰ দুৱাৰ যদি ৰিজাল্ট দিয়াৰ দিনা বন্ধ থাকে, তেন্তে বুজিব লাগিব সেইখন ঘৰৰ ল'ৰা-ছোৱালীৰ ৰিজাল্ট বৰ এটা ভাল হোৱা নাই। যদি দুৱাৰত তলা লগোৱা থাকে, তেতিয়া খাটাং যে ৰিজাল্টত ৰঙা দাগ পৰিছে।

কিন্তু কথাবোৰ অলপ সলাব লগা হৈছে। চিন্তাবোৰ অলপ বেলেগকৈ কৰিব লগা হৈছে। বহু বহু নম্বৰেৰে যিবোৰ ল'ৰা-ছোৱালীয়ে ষ্টেণ্ড কৰে, ষ্টাৰ পায়, ডিষ্টিংচন পায়, সিহঁতক মাতি মাতি নি পুৰস্কৃত কৰি লাভ নাই। আদৰণি জনায়ো লাভ নাই। বৰ বেছি গামোচা পিন্ধায়ো লাভ নাই। তাতকৈ ছেকেণ্ড বা থাৰ্ড ডিভিজন পোৱা বা গেৰা মৰাসকলক মাতি লৈ আহক, সিহঁতক গামোচা পিন্ধাওক। সিহঁতক শুভেচ্ছা দিয়ক, উৎসাহিত কৰক, যদিহে আপুনি সঁচা অৰ্থত অসমখনক ভাল পায় বা অসমখনৰ ভৱিষ্যতক লৈ সচেতন হয়। কথাটো শুনিলে হাঁহি উঠিব পাৰে। কিন্তু ইয়াৰ মাজত যি ৰিয়েলিটী লুকাই আছে, তাৰ ৰয়েল্টি আপুনি নিদিয়াকৈ থাকিব নোৱাৰে, গেৰাণ্টি আছে।



এতিয়া ধৰক, জাকত জিলিকা ল'ৰা-ছোৱালীখিনি, সিঁহতে কিছুদিন যোৱাৰ পাছত ডাক্তৰী বা ইঞ্জিনীয়াৰিং পঢ়িব। পঢ়ি উঠি বাহিৰলৈ যাব। বাহিৰত প্ৰেকটিচ কৰিব। কিছুমানে সাত সাগৰ তেৰ নদী পাৰ হৈ 'আৰু নাহোঁ' জাতীয় কথা এটা কৈ থৈ যাব। এটা এটাকৈ আটায়ে অসম এৰি বাহিৰলৈ যাব, বাহিৰতে বিয়া পাতি ছেটেল্ড হ'ব। অসমত থাকি যাব কোনবোৰ? এই ছেকেণ্ড, থাৰ্ড বা গেৰা মৰাসকল। সিঁহতেই হ'ব অসমৰ হৰ্তা-কৰ্তা। অসমখনক সিহঁতেই ভাল কৰিব বা বেয়া কৰিব। গতিকে আমি সিঁহতক মাতি আনি গামোচা পিন্ধাব লাগে, অসমৰ কাৰণে যাতে ভাল কাম কৰে। ভাল ৰিজাল্ট কৰা ভাল ভাল ল'ৰা-ছোৱালীবোৰতো বাহিৰতে ছেটেল্ড হ'ব। অসমৰ কথা মনত পেলাবলৈকে একো দৰকাৰ নাই সিঁহতৰ। কেৱল মেট্ৰিক আৰু কলেজৰ পৰীক্ষা দুটা দিব লাগে কাৰণেহে ইয়াতে আছে। নহ'লেতো....!

মাক আৰু বাপেকৰ কোনোবা এটাই লাহে লাহে কথাবোৰ বুজা হৈ আহিছে। ল'ৰা-ছোৱালীৰ ৰিজাল্ট বেয়া হ'লে আগৰ দৰে ৰিয়েক্ট নকৰে। মাকে আহি বাপেকৰ কাষত বহিল— 'হেৰি, কি কৰে এতিয়া?'

ঃ কি কৰে মানে? কিবা হৈছে নেকি?
ঃ কি কিবা হৈছে? আমাৰ ল'ৰাই আজি থাৰ্ড ডিভিজনত মেট্ৰিক পাছ কৰা নাই জানো?
ঃ কৰিছে।
ঃ কম লাজৰ কথা হৈছেনে বাৰু?
ঃ কিহৰ লাজ?
ঃ কি কিহৰ লাজ? ওচৰৰ ল'ৰা-ছোৱালীৰ ৰিজাল্ট পাইছেনে?
ঃ কি ৰিজাল্ট হৈছে?
ঃ চৌধুৰীৰ ল'ৰাই ষ্টাৰ পাইছে, চাৰিটাত লেটাৰ।
ঃ আৰু?
ঃ শইকীয়াৰ জীয়েকে ডিষ্টিংচন পাইছে, নাহণ্টি পাৰ্চেণ্ট?
ঃ আৰু?
ঃ হাজৰিকাৰ জীয়েকৰ ৰিজাল্টো তেনেকুৱাই।
ঃ আৰু?
ঃ বৰুৱাৰ পুতেকে দুটাত লেটাৰ, ফাৰ্ষ্ট ডিভিজন!
ঃ পাইছে যদি পাইছে আৰু! আমাৰ ল'ৰা কিন্তু থাৰ্ড ডিভিজন পালেও ইহঁতকৈ ওপৰত থাকিব।
ঃ কেনেকৈ ওপৰত থাকিবহে? এই ল'ৰা-ছোৱালীবোৰে ইমান পঢ়া-শুনা কৰে। ইহঁতবোৰে ভাল ভাল চৰকাৰী চাকৰিয়াল হ'বই।
ঃ ইহঁতবোৰে পঢ়া-শুনা কৰি চৰকাৰী চাকৰিয়ালহে হ'ব। আমাৰ ল'ৰাই পঢ়া-শুনা নকৰাকৈ কি হ'ব জানা নে নাই।
ঃ কি?
ঃ চৰকাৰ।

# মহিলাৰ নিৰাপত্তাৰ বাবে ৰাজ্যৰ ১০খন থানাত বিশেষ কোষ অসম আৰক্ষীৰ

## সঞ্চালকপ্ৰধানে কৰিলে মুকলি ঃ গৃহ বিভাগ-আৰক্ষী-সমাজ কল্যাণ বিভাগৰ দ্বাৰা হ'ব পৰিচালিত ঃ টাটা সামাজিক বিজ্ঞান সংস্থাই কৰিব সহায়

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৮ জুন ঃ** মহিলাজনিত অপৰাধৰ ক্ষেত্ৰত দেশৰ ভিতৰতে শীৰ্ষ স্থান দখল কৰি অহা অসমত এনেধৰণৰ অপৰাধ হ্ৰাস কৰা তথা মহিলাৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ লক্ষ্যৰে প্ৰাৰম্ভিক অৱস্থাত অসম আৰক্ষীয়ে আজি মুকলি কৰিছে মহিলা নিৰাপত্তাৰ বাবে বিশেষ কোষ। ৰাজ্যৰ ১০খন থানাত আৰম্ভ হোৱা এই কোষ আজি অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়ত মুকলি কৰে সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্তই। উল্লেখ্য যে গৃহ বিভাগ, অসম আৰক্ষী আৰু সমাজ কল্যাণ বিভাগৰ নেতৃত্বত তথা টাটা সামাজিক বিজ্ঞান সংস্থাৰ সহযোগত গঠিত এই কোষসমূহ ডিব্ৰুগড়, শিৱসাগৰ, শোণিতপুৰ, নগাঁও, কামৰূপ গ্ৰাম্য, কাৰ্বি আংলং, কাছাৰ, বৰপেটা, কোকৰাঝাৰ আৰু ধুবুৰীত মুকলি কৰা হৈছে। এই সন্দৰ্ভত আৰক্ষী সঞ্চালকপ্ৰধান মহন্তই কয় যে এই কোষসমূহৰ মূল লক্ষ্য হ'ব ৰাজ্যখনত নাৰীজনিত অপৰাধৰ ঘটনাসমূহ ৰোধ কৰাৰ লগতে এনে অপৰাধৰ বিৰুদ্ধে তদন্ত প্ৰক্ৰিয়া বা অন্যান্য বিষয়ত সহযোগিতা আগবঢ়োৱা। এই ঘটনাসমূহৰ বিৰুদ্ধে তিনিওটা বিভাগে পৃথকে পৃথকে কাম কৰি থাকে যদিও এই কোষ গঠন হোৱাৰ পাছতে তিনিওটা বিভাগে যৌথভাৱে এতিয়াৰ পৰা এই দিশত কাম কৰিবলৈ সুবিধা হ'ব বুলি তেওঁ কয়।



# কামপুৰত শিশুৰ মৃত্যুক কেন্দ্ৰ কৰি উত্তেজনা



## অভিযুক্তৰ বাসগৃহৰ সন্মুখত মৃতদেহ লৈ প্ৰতিবাদ

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**নগাঁও/কামপুৰ, ৮ জুন ঃ** কামপুৰ আৰক্ষী থানাৰ অন্তৰ্গত বুটিকুৰাত এটি শিশুৰ মৃত্যুক কেন্দ্ৰ কৰি আজি তীব্ৰ উত্তেজনাৰ সৃষ্টি হোৱাৰ লগতে ৰাইজে অভিযুক্তৰ বাসগৃহৰ সন্মুখত মৃতদেহ লৈ প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰাপ্ত তথ্য মতে, উষা বৰদলৈ (১১) নামৰ শিশুটি আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হোৱাৰ পাছত গাঁওখনৰ ৰাইজ উত্তেজিত হৈ পৰে। উল্লেখ্য যে মহাৰাষ্ট্ৰৰ পৰা পত্নীৰ একাউণ্টত পঠাইছিল টকা। কিন্তু বুটিকুৰাৰ পংকজ বৰদলৈ নামৰ এজন যুৱকে মিলন বৰদলৈৰ পত্নীৰ পৰা শ্ৰমিক কাৰ্ড বনোৱাৰ নামত টিপ চহী লোৱাৰ পাছত একাউণ্টৰ পৰা ধন নোহোৱা হয়। টকাৰ অভাৱত চিকিৎসা কৰিব নোৱৰাত শিশুটিয়ে কৰুণ মৃত্যুক সাবটি ল'বলগীয়া হোৱাৰ অভিযোগ উত্থাপিত হয়। সেয়ে আজি দুপৰীয়া শিশুটিৰ মৃতদেহ আহি পোৱাৰ পাছতে বুটিকুৰা অঞ্চলত একাংশ ৰাইজ উত্তেজিত হৈ পৰে। উত্তেজিত ৰাইজে ঊষা বৰদলৈৰ মৃতদেহ লৈ অভিযুক্ত পংকজৰ বাসগৃহৰ সন্মুখত বিভিন্ন প্ৰতিবাদী শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। পাছত ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয়। ইপিনে, অভিযুক্ত পংকজ বৰ্তমানেও পলাতক অৱস্থাত আছে। উল্লেখ্য যে গাঁওখনৰ বহু পুৰুষ-মহিলাই পংকজৰ ওচৰত শ্ৰমিক কাৰ্ড বনোৱাৰ নামত টিপ চহী দিয়াৰ পাছতেই সকলো জমা ধন নাইকিয়া হোৱাৰ অভিযোগ উত্থাপিত হৈছে।

# তেতেলীগুৰিত নিশা বন্যহস্তীৰ তাণ্ডৱ, ভাঙিলে কে'বাজনৰো ঘৰ-দুৱাৰ



**অগ্ৰদূত বাৰ্তা**
**সোণাপুৰ, ৮ জুন ঃ** ক্ষেত্ৰী আৰক্ষী থানাৰ অন্তৰ্গত তেতেলীগুৰিত আজি পুৱতি নিশা বন্যহস্তীয়ে তাণ্ডৱ চলাই অঞ্চলটোত ব্যাপক ক্ষতিসাধন কৰে। খাদ্যৰ সন্ধানত নিশা প্ৰায় ডেৰ বজাত মতা পাহাৰৰ পৰা নামি অহা দুটা বন্যহস্তীয়ে তেতেলীগুৰিৰ ৰূপালী বৰা (৪০) নামৰ বিধবা মহিলা গৰাকীৰ পাকঘৰ, ধানৰ ভঁৰাল ভাঙি খাস্তাং কৰাৰ লগতে মুকুল মেধি (৫০) নামৰ খেতিয়কগৰাকীৰ ভঁৰালৰ ধান খাই তহিলং কৰে। বন্যহস্তী অহাৰ উমান পাই স্থানীয় ৰাইজে নিশাই একত্ৰিত হৈ জুই জ্বলাই, টিং বজাই বন্যহস্তী খেদিবলৈ চেষ্টা চলায়ো ব্যৰ্থ হয়। উল্লেখ্য যে বিগত মে'ৰ পৰাই তেতেলীগুৰি, ৰেবা-মহেশ্বৰ, ভুৰাগাঁও, হেলাগুগ, তেতেলীয়া, ছকুৰিপাৰা, ধোপগুৰি, ক্ষেত্ৰী আদি অঞ্চলত ধাৰাবাহিকভাৱে বন্যহস্তীয়ে সন্ত্ৰাস চলাই আহিছে। ফলত স্থানীয় ৰাইজে এতিয়া বন্যহস্তীৰ ভয়ত বিনিদ্ৰ ৰজনী কটাব লগা হৈছে। এই ক্ষেত্ৰত আমচাং অভৰায়ণ্যৰ বন্য প্ৰাণী সুৰক্ষা বাহিনীয়েও কোনোধৰণৰ প্ৰদক্ষেপ নোলোৱাৰ অভিযোগ কৰিছে। সেয়ে উপায়ান্তৰ ৰাইজে বন্যহস্তীৰ উপদ্ৰপৰ পৰা পৰিত্ৰাণ বিচাৰি আজি বনমন্ত্ৰী পৰিমল শুক্লবৈদ্যৰ হাতত এখনি স্মাৰকপত্ৰ প্ৰদান কৰে।

# বড়ো মাধ্যমৰ শীৰ্ষ ১০ কৃতীমান সম্বৰ্ধনা জনাব এবছুৱে

**অগ্ৰদূত বাৰ্তা**
**কোকৰাঝাৰ, ৮ জুন ঃ** বড়ো মাধ্যমৰ শীৰ্ষ ১০ কৃতীমান সম্বৰ্ধনা জনাব এবছুৱে। প্ৰতিবছৰে বড়ো মাধ্যমত শীৰ্ষ ১০ কৃতীমানক এবছুৱে কমল কুমাৰ ব্ৰহ্ম বঁটা দি আহিছে আৰু এইবেলিও অহা ১৪ জুন তাৰিখে চিৰাং জিলাত এই কাৰ্যসূচী সম্পন্ন হ'ব। এই মন্তব্য প্ৰকাশ কৰিছে এবছুৰ সহ সাধাৰণ সম্পাদক দীনেশ ব্ৰহ্মই। আজি কোকৰাঝাৰস্থিত এবছুৰ মুখ্য কাৰ্যালয় বড়োফা হাউচত অনুষ্ঠিত হোৱা এক সংবাদমেলত এবছুৰ সহকাৰী সাধাৰণ সম্পাদক দীনেশ ব্ৰহ্মই উক্ত তথ্য সদৰী কৰি কয় যে বড়ো মাধ্যমৰ ফলাফল তুলনামূলভাৱে ভাল হৈ আহিছে। হাইস্কুলত শিক্ষান্ত পৰীক্ষাত এইবেলি বড়ো মাধ্যমৰ পৰা ১৭,৩০৩ জন পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল আৰু ১০,৪৪২ জন পৰীক্ষাৰ্থী উত্তীৰ্ণ হৈছে, উত্তীৰ্ণৰ হাৰ ৬০.৩৫ শতাংশ । ইয়াৰে ভিতৰত সৰ্বাধিক নম্বৰ লাভ কৰা ১০ গৰাকী কৃতীমানক অহা ১৪ জুনত চিৰাং জিলাৰ বিজনীত এক অনুষ্ঠানেৰে কমল কুমাৰ ব্ৰহ্ম বঁটা প্ৰদান কৰা হ'ব। উল্লেখ্য যে কমল কুমাৰ ব্ৰহ্ম বঁটা লাভ কৰিবলৈ সক্ষম হোৱা তথা বড়ো মাধ্যমৰ পৰা শীৰ্ষ ১০টা স্থান লাভ কৰা কৃতীমান সকল হ'ল ক্ৰমে প্ৰথম স্থানত দীপক বড়ো ৯৭, মনদ্বীপ বড়ো ৯৭, বৈশুংগিৰি বসুমতাৰী ৯৫.৮৩, তৃতীয় স্থানত দীপদ্যুতি বসুমতাৰী ৯৪.৮৩, চতুৰ্থ স্থানত ৰংজালী খেৰকাটাৰী ৯৪.৫০ আৰু অঞ্জু বসুমতাৰী ৯৪.৫০, পঞ্চম স্থানত জিঢ়েৰী বড়ো ৯৪.৩৩, ষষ্ঠ স্থানত জয়ছ বসুমতাৰী ৯৪.১৬, সপ্তম স্থানত যুগামী বসুমতাৰী ৯৩.৮৩, অষ্টম স্থানত উপমা বড়ো ৯৩.৫০, নৱম স্থানত মৌচুমী স্বৰ্গীয়াৰী ৯৩.৩৩ আৰু দশম স্থানত কিৰাট বড়ো আৰু ৰোহিত স্বৰ্গীয়াৰী ৯৩.১৭শতাংশ। আজিৰ সংবাদমেলত এবছুৰ সহকাৰী শিক্ষা সম্পাদক ৰোমিঅ' কুমাৰ বসুমতাৰী আৰু সহকাৰী সাধাৰণভ সম্পাদক মণিৰাম বৰগয়াৰী উপস্থিত আছিল।

# চিৰাঙত দিব্যাংগ ছাত্ৰী শশী বৰ্মনে কঢ়িয়াই আনিলে গৌৰৱ



অগ্ৰদূত ব্যুৰ'
বঙাইগাঁও, ৮ জুন ঃ চিৰাং জিলাৰ চিদলীৰ নিকটৱৰ্তী ডুলিগাঁৱৰ এগৰাকী শাৰিৰীকভাৱে সক্ষম ছাত্ৰীয়ে নানান সমস্যাৰ মাজতো কালি ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কাৰ্যই জিলাখনৰ চিদলী অঞ্চলত আনন্দৰ সৃষ্টি কৰিছে। শাৰীৰিক সমস্যা যে অধ্যয়নৰ দিশত বাধা হ'ব নোৱাৰে ছাত্ৰীগৰাকীৰ একাগ্ৰতা, কষ্ট সহিষ্ণুতা আৰু একাণপটীয়া চেষ্টাই তাক প্ৰতিপন্ন কৰিছে। ছাত্ৰীগৰাকী হৈছে চিদলী থানাৰ অন্তৰ্গত ডুলিগাঁও নিৱাসী প্ৰদীপ বৰ্মন আৰু নিৰ বালা বৰ্মনৰ দ্বিতীয় কন্যা শশী বৰ্মন । ছাত্ৰীগৰাকী জন্মৰ পৰা সোঁহাতখন নোহোৱাকৈ জীৱন যাত্ৰাত আগুৱাই আহিছে । ডুলিগাঁৱত প্ৰাথমিক শিক্ষা সম্পূৰ্ণ কৰি চাৰি কিলোমিটা দূৰৰ চিদলী এম ই স্কুলত অধ্যয়ন কৰি পাছলৈ নৱম আৰু দশম শ্ৰেণী চিদলীৰ ৰাজা অজিত নাৰায়ণ দেৱ হাইস্কুলত অধ্যয়ন কৰে। বিগত সময়ত চাৰিকিলোমিটাৰ পথ ছাত্ৰীগৰাকীয়ে বাওঁহাতেৰে চাইকেল চলাই বিদ্যালয়ত অধ্যয়ন কৰে । কালি ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত পাঁচটাকৈ বিষয়ত লেটাৰ মাৰ্ক লাভ কৰি শশী বৰ্মনে নিজৰ অনুভৱ ব্যক্ত কৰি কালি নিজৰ ফলাফলত সন্তুষ্টি প্ৰকাশ কৰি তেওঁৰ এই সাফল্যত মা দেউতা, বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে সহায় কৰাৰ কথা উল্লেখ কৰে। পৰীক্ষাৰ বাবে ছাত্ৰীগৰাকীয়ে ইংৰাজী আৰু গণিত বিষয়ত টিউচন লৈছিল বুলি ব্যক্ত কৰে। ভৱিষ্যতে বাণিজ্য শাখাত নাম ভৰ্তি কৰি এগৰাকী বেংক বিষয়া হোৱাৰ আশা পুহি ৰাখিছে। ছাত্ৰীগৰাকীয়ে উচ্চতৰ মাধ্যমিক কোকৰাঝাৰত বাণিজ্য শাখাত অধ্যয়ন কৰিব বুলি ব্যক্ত কৰে । সাধাৰণ জ্ঞান, অন্যান্য কিতাপ আলোচনী পঢ়াতো শশী বৰ্মনৰ অভিৰুচি বুলি প্ৰকাশ কৰে। ছাত্ৰীগৰাকীয়ে অসমীয়াত ৮৩, সাধাৰণ বিজ্ঞানত ৮৩, সাধাৰণ গণিতত ৯৫, সমাজবিদ্যাত ৯১, ইংৰাজীত ৮৩ আৰু ঐচ্ছিক বুৰঞ্জী বিষয়ত ৭৬ নম্বৰসহ পাঁচটা বিষয়ত লেটাৰ মাৰ্ক লাভ কৰি সৰ্বমুঠ ৫১১ নম্বৰ লাভ কৰে। উত্তীৰ্ণৰ হাৰ ৮৫.১৬ শতাংশ ।

# মেঘালয়ৰ দুই চোৰাং গৰু সৰবৰাহকাৰী আৰক্ষীৰ জালত ঃ ১৭টা চোৰাং গৰু জব্দ

**বিশেষ সংবাদদাতা**
**নগাঁও, ৮ জুনঃ** গো সুৰক্ষা আইন বলবৎ হোৱাৰ পাছত নগাঁও আৰক্ষীয়ে চোৰাং গৰু সৰবৰাহকাৰীৰ বিৰুদ্ধে কঠোৰ অভিযান অব্যাহত ৰাখিছে যদিও নগাঁৱৰ মাজেৰে যোৱা চাৰিলেনযুক্ত ঘাইপথৰে ৰাজ্যৰ বিভিন্ন স্থানৰ পৰা মেঘালয়লৈ চোৰাং গৰু সৰবৰাহ অব্যাহত আছে। আজি পুৱা নগাঁও আৰক্ষীয়ে বৰঘাত বাইপাছত এক অভিযান চলাই ১৭টা গৰুসহ চোৰাং গৰুসহ এখন ট্ৰাক জব্দ কৰাৰ লগতে মেঘালয়ৰ দুই চোৰাং গৰু সৰবৰাহকাৰীকো গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে কৰায়ত্ত কৰা সৰবৰাহকাৰী দুজনৰ নাম হৈছে হেৰমন লিঙড' (৩৭) আৰু কিনি দখৰ (২০)। দুয়োৰে ঘৰ মেঘালয়ৰ জোৱাইত বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে। চোৰাং গৰু সৰবৰাহকাৰীৰ পৰা ট্ৰাকখনৰ পঞ্জীয়ন নম্বৰ হৈছে এনএল-০১ এডি-৬৬৬৯। ট্ৰাকখনত ১৭ টাকৈ গৰু যোৰহাট পৰা দুই সৰবৰাহকাৰী বৰ্ণিহাট হৈ মেঘালয়লৈ আনি থকাৰ তথ্য লাভ কৰিছিল আৰক্ষীয়ে। বিশেষ সূত্ৰৰ খবৰৰ ভিত্তিত আৰক্ষীয়ে বৰঘাতত এই অভিযান চলাইছিল।



# মৰাণৰ দুগৰাকী যমজ কন্যাৰ সফলতা

**অগ্ৰদূত বাৰ্তা**
**মৰাণ, ৮ জুন ঃ** কালি ফলাফল ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত চৰাইদেউ জিলাৰ মৰাণ নগৰৰ ঊষাপুৰৰ দুগৰাকী যমজ কন্যাৰ সফলতাই নগৰখনৰ জনসাধাৰণক আনন্দ যোগাইছে। অন্তৰা লবিবা আৰু অন্যা জাহিন আবৰা নামৰ দুয়োগৰাকী যমজ ছাত্ৰীয়ে সমানে ৯৬ শতাংশ নম্বৰ লাভ কৰিছে। একে শতাংশৰে উত্তীৰ্ণ হোৱাত পিতৃ-মাতৃৰ লগতে মৰাণবাসীয়েও পৰম সন্তুষ্টি লাভ কৰিছে। দুয়োগৰাকী ছাত্ৰীয়ে সাধাৰণ গণিত, সাধাৰণ বিজ্ঞান আৰু উচ্চ গণিতত সমানে এশ নম্বৰ লাভ কৰিছে। সেইদৰে অসমীয়াত দুয়োগৰাকীয়ে সমান ৯৪ নম্বৰ পাবলৈ সক্ষম হৈছে। কেৱল অন্তৰাই ইংৰাজীত ৯২ পোৱাৰ বিপৰীতে অন্যাই ইংৰাজীত ৯৩ নম্বৰ লাভ কৰে। সেইদৰে সমাজবিজ্ঞানত অন্তৰাই পায় ৯১ আৰু অন্যাই পাইছে ৯০। পিতৃ আব্দুল মালিক, মাতৃ শিক্ষয়িত্ৰী মুছফিকা বেগমৰ যমজ কন্যা দুগৰাকী সৰুৰে পৰা মেধাৱী আছিল। সংগীতৰ ক্ষেত্ৰতো দুয়োগৰাকী ছাত্ৰীয়ে সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছে। মৰাণৰ ছেণ্ট যোছেফ উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা উত্তীৰ্ণ হোৱা ছাত্ৰী দুগৰাকীয়ে ৰামানুজন কনিষ্ঠ মহাবিদ্যালয়ত অধ্যয়নৰ কাৰণে সাজু হৈছে। ভৱিষ্যতে দুয়োগৰাকী ছাত্ৰীয়ে চিকিৎসক হোৱাৰ সপোন দেখিছে।



# ই-ৰিক্সা চালকৰ কন্যাই পালে ডিষ্টিংচন

অগ্ৰদূত বাৰ্তা
দলগাঁও, ৮ জুন ঃ দৰিদ্ৰতাই শিক্ষাৰ ক্ষেত্ৰত যে হেঙাৰ হ'ব নোৱাৰে সেই কথা পুনৰবাৰ প্ৰমাণ কৰি দেখুৱালে দৰঙৰ দলগাঁৱৰ বেছিমাৰীৰ এগৰাকী মেধাৱী ছাত্ৰীয়ে। বেছিমাৰীৰ হাবিবুল্লাহ নামৰ দৰিদ্ৰ লোকজনৰ মেধাৱী কন্যা হাফিজা ইয়াছমিনে সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত আটাইকেইটা বিষয়ত লেটাৰ নম্বৰ সহ লাভ কৰিলে ডিষ্টিংচন। ই-ৰিক্সা চলাই পৰিয়াল পোহপাল দিয়া হাবিবুল্লাহৰ কন্যা হাফিজাই বেছিমাৰী আদৰ্শ জাতীয় বিদ্যালয়ৰ পৰা ডিষ্টিংচন লাভ কৰাত উৎফুল্লিত হৈছে গাঁওবাসী ৰাইজ। অধ্যয়নৰ বাবে উপযুক্ত সা-সুবিধা লাভ নকৰা হাফিজাই অৰ্জন কৰা এনে সফলতাক শলাগিছে সকলোৱে। হাফিজাৰ সপোন এগৰাকী চিকিৎসক হোৱাৰ। লগতে ভাৰতীয় অসামৰিক সেৱাত যোগদানৰ সপোন আছে। দৰিদ্ৰতাৰ হেতু তেওঁক বিদ্যালয় কৰ্তৃপক্ষই যথেষ্ট সহায়-সহযোগিতা আগবঢ়োৱা বুলি হাফিজাই কৃতজ্ঞতা প্ৰকাশ কৰে। একে সময়তে ৭৮.৬৬ শতাংশ নম্বৰেৰে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে দলগাঁৱৰ আন এক দৰিদ্ৰ পৰিয়ালৰ ছাত্ৰ জালাল হুছেইনে। বৰ্তমান দৰিদ্ৰতাই হেঙাৰ হৈ থিয় দিছে ছাত্ৰজনৰ শিক্ষা জীৱনত। দলগাঁৱৰ দোৱাৰপাৰাৰ জালালৰ ঘৰখনত আছে পিতৃ-মাতৃৰ লগতে তিনিজনীকৈ সৰু ভনী। অসুস্থ দেউতাকে কাম বন কৰিব নোৱাৰে। মাতৃয়ে মানুহৰ ঘৰত দিন হাজিৰা কৰি কোনোমতে পোহপাল দি আছে ছজনীয়া পৰিয়ালটোক। এদিন হাজিৰা নকৰিলে পৰিয়ালটো থাকিব লাগে লঘোনে। ক'ভিড পৰিস্থিতিত ৰাজ্যত হোৱা দ্বিতীয় তলাবন্ধত পৰিয়ালটোৰ জীৱনলৈ নামি আহিল ভয়াৱহ আৰ্থিক সংকট। মাকেও হাজিৰা কাম নোপোৱা হ'ল। পৰিয়ালৰ দুৰ্দশা দেখি উপায়হীন হৈ ছাত্ৰজনে পৰিয়ালটোৰ স'তে কাম বিচাৰি কৰ্ণাটকলৈ যাবলৈ ঠিৰাং কৰিলে। মেধাৱী ছাত্ৰজনৰ কৰ্ণাটকলৈ যোৱাৰ খবৰ শুনি তেওঁ অধ্যয়ন কৰা বিদ্যালয়ৰ শিক্ষাগুৰুসকল ঘৰলৈ আহি ছাত্ৰজনক তথা পিতৃ-মাতৃক বুজনি দিয়াত তেওঁক ঘৰতে থৈ যাবলৈ সিদ্ধান্ত লয়। কিন্তু ঘৰত তেওঁ খাব কি, পঢ়িব কেনেকৈ? সেয়ে পিতৃ-মাতৃয়ে মানুহৰ ঘৰত থৈ কৰ্ণাটকলৈ কামৰ সন্ধানত যায়। ইফালে ছাত্ৰজনে আনৰ ঘৰত থাকি পিতৃ-মাতৃ তথা সৰু ভগ্নীহঁতৰ কথা মনত পেলাই চকুলো মচি সময় পাৰ কৰে আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ বাবেও প্ৰস্তুতি আৰম্ভ কৰে। এইদৰে মনৰ মাজত থকা বহু কষ্ট আৰু বেদনাৰ মাজতে তেওঁ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হয়। কালি ঘোষণা কৰা ফলাফলে ছাত্ৰজনে তেওঁ অধ্যয়ন কৰা বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী তথা গাঁওবাসী সকলোৱে দৃষ্টি আকৰ্ষণ কৰিছে। ছাত্ৰজনে গণিতত ৯৪, বিজ্ঞানত ৯০ নম্বৰসহ তিনিটা বিষয়ত লেটাৰ নম্বৰৰ স'তে সৰ্বমুঠ ৭৮.৬৬ শতাংশ নম্বৰেৰে অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। তেওঁৰ সপোন চিকিৎসক-অভিযন্তা হোৱাৰ। অৱশ্যে মাতৃৰ কষ্ট সহ্য কৰিব নোৱাৰি কলা শাখাত নাম ভৰ্তি কৰি আনৰ ঘৰত কাম কৰি নিজৰ পৰিয়ালক পোহপাল দিবলৈ প্ৰস্তুতি চলাইছে ছাত্ৰজনে।



APOLLO HOSPITALS
CHENNAI
OBSTETRICIAN & GYNAECOLOGIST
DR. V. SENTHILMAI SELVI
on 12th June'2022
STAR DRUG DISTRIBUTOR
Ward No 12, Palla Road, Gopal Bazar, Nalbari

PHYSIOTHERAPY CENTRE
H.No-51, Basisthapur Bye lane 4,
Survey, Beltola
Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.
Contact No- 70021-60730, 7002316720

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com